www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহৰ যিবোৰ অনুভূতি প্ৰকাশ কৰা অসম্ভৱ, সেইবোৰক সামান্যভাৱে হ'লেও প্ৰকাশ কৰিব পাৰে মাত্ৰ দুটা বস্তুৱে- প্ৰথমটো হ'ল নীৰৱতা আৰু দ্বিতীয়টো হ'ল সংগীত। —অল্ডছ হাক্সলী


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৩৬ ❑ শনিবাৰ ❑ ২৮ ফেব্ৰুৱাৰী, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 136 ❑ Saturday ❑ 28th February, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ অৰবিন্দ কেজৰিৱাল, মনীষ ছিছ'দিয়াসহ ২৩ গৰাকীক ক্লীনশ্বিট আদালতৰ ■

# সুৰা কেলেংকাৰীৰ গোচৰত আপৰ অভিযুক্তক ক্লীনশ্বিট

ৰ'জ এভিনিউ আদালতে দোষমুক্ত ঘোষণা কৰিলে আটাইকেইজনক




নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ দিল্লীৰ ৰাউজ এভিনিউ আদালতে শুক্ৰবাৰে দিল্লীৰ সুৰা নীতি (এ'ইজ পলিচি) সম্পৰ্কীয় কেলেংকাৰী গোচৰত আম আদমি পাৰ্টীৰ (এএপি) ৰাষ্ট্ৰীয় সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছোদিয়া আৰু আন ২১জন অভিযুক্তক দোষমুক্ত ঘোষণা কৰিছে। আদালতে চিবিআইৰ দাখিল কৰা চাৰ্জশ্বীট গ্ৰহণ নকৰি কয় যে, এই নীতিত "কোনো সামগ্ৰিক ষড়যন্ত্ৰ বা অপৰাধজনিত উদ্দেশ্য" নাছিল। আদালতে অভিযুক্তসকলৰ বিৰুদ্ধে প্ৰমাণৰ অভাৱ আৰু চাৰ্জশ্বীটৰ অভ্যন্তৰীণ অসংগতিৰ কথা উল্লেখ কৰি গোচৰখন আগবঢ়াব নোৱাৰে বুলি ৰায় দিয়ে। এই গোচৰত দোষমুক্তি ❑ ৭ পৃষ্ঠাত

## জুবিন গাৰ্গক মৰণোত্তৰ-ভাৱে জীৱনজোৰা সাধনা বঁটা প্ৰদান ফিল্মফেয়াৰৰ



নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ অসমীয়া সংগীত আৰু চলচ্চিত্ৰ জগতৰ কিংবদন্তি শিল্পী জুবিন গাৰ্গক ফিল্মফেয়াৰ অসমীয়া ২০২৬ত মৰণোত্তৰভাৱে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হৈছে। এই সন্মানৰ লগতে তেখেতে শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ) বঁটা লাভ ❑ ৭ পৃষ্ঠাত

◂ সমসাময়িক ▸

## বিকশিত ভাৰতৰ সপোন আৰু থলুৱা প্ৰযুক্তিৰ নৱজাগৰণ

✍ নলিনী ৰঞ্জন ভূঞা

একবিংশ শতিকাৰ বিশ্বৰ অগ্ৰগতিৰ প্ৰেক্ষাপটত ভাৰতবৰ্ষই আজি এক বিশেষ আৰু সন্মানজনক স্থান দখল কৰিবলৈ সক্ষম হৈছে। এই উত্তৰণৰ আঁৰত থকা আটাইতকৈ শক্তিশালী চালিকা শক্তি হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। মহাকাশ গৱেষণাৰ পৰা ❑ ৬ পৃষ্ঠাত

◂ সমসাময়িক ▸

## পদাৰ্থ বিজ্ঞানৰ জগতত চিভি ৰমনৰ অনবদ্য অৱদান

✍ হিমাংশু ৰঞ্জন ভূঞা

আধুনিক ভাৰতবৰ্ষৰ বৌদ্ধিক ইতিহাসত চাৰ চন্দ্ৰশেখৰ ভেংকট ৰমন এনে এক মৰ্যাদাপূৰ্ণ নাম, যি গৰাকী ব্যক্তিয়ে নিজৰ প্ৰজ্ঞা আৰু একাগ্ৰতাৰে সমগ্ৰ বিশ্বৰ বৈজ্ঞানিক সমাজক চমকিত কৰিছিল। তেওঁৰ জন্ম হৈছিল এনে এক সময়ত যি সময়ত ভাৰতীয় মেধাৱীসকলে বিদেশী শিক্ষা আৰু গৱেষণাৰ প্ৰভাৱত নিজৰ ❑ ৬ পৃষ্ঠাত

❑ ধেমাজিত ৪৪, ৬৯৯ গৰাকী খিলঞ্জীয়াক ভূমিপট্টা বিতৰণ ❑

## মিছন বসুন্ধৰা ৩.০ৰ জৰিয়তে ১০ লাখ লোক উপকৃত হৈছে ঃ মুখ্যমন্ত্ৰী

সংহত জিলা আয়ুক্ত আৰু এছ পি কাৰ্যালয় উদ্বোধন; মিছন বসুন্ধৰা ৪.০ আৰম্ভ কৰাৰ ঘোষণা



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰৰ জনপ্ৰিয় আঁচনি 'মিছন বসুন্ধৰা ৩.০'ৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ১০ লাখ পৰিয়ালক ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীয়ে জুবিন ক্ষেত্ৰ নিৰ্মাণত বিশেষ একো নকৰিলে ঃ লুৰীণজ্যোতি গগৈ

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অজাপৰ গণ সত্যাগ্ৰহ



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ গোচৰত ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে দ্ৰুত ন্যায় প্ৰদানৰ ❑ ৬ পৃষ্ঠাত

■ ১,০৫, ৫৪০টা জলচৰ পক্ষী, ১০৭টা প্ৰজাতিৰ উপস্থিতি ■

## সপ্তম কাজিৰঙা জলচৰ পক্ষী গণনা সম্পন্ন

নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত সম্পন্ন হোৱা সপ্তম কাজিৰঙা জলচৰ পক্ষী গণনা-২০২৬ত অভিলেখ ভংগ কৰা সফলতা লাভ কৰিছে। এইবাৰৰ জৰীপত মুঠ ১০টা ৰেঞ্জৰ ১৬৬টা ❑ ৬ পৃষ্ঠাত

কংগ্ৰেছৰ সময়ত মাত্ৰ ৫টা ৰাষ্ট্ৰীয় জলপথ আছিল; মোদী চৰকাৰৰ দিনত ১১১লৈ বৃদ্ধি ঃ সৰ্বানন্দ সোণোৱাল

## ধুবুৰী, ডিব্ৰুগড়ত শুল্ক আৰু অভিবাসন চৌহদ উদ্বোধন

❑ ব্ৰহ্মপুত্ৰত ক্ৰুজৰ সংখ্যা ৩ৰ পৰা ১৫লৈ বৃদ্ধি ❑




ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ কেন্দ্ৰীয় চৰকাৰে জলপথ পৰিবহণক দেশৰ অৰ্থনৈতিক আৰু পৰ্যটন উন্নয়নৰ অন্যতম মূল স্তম্ভ হিচাপে গঢ়ি তুলিছে। কংগ্ৰেছ চৰকাৰৰ সময়ত মাত্ৰ ৫টা ৰাষ্ট্ৰীয় জলপথ আছিল যদিও ❑ ৬ পৃষ্ঠাত

নলবাৰীত দিলীপ শইকীয়াৰ স্পষ্ট মন্তব্য

## দৌল উৎসৱৰ পিছতে বিজেপিৰ প্ৰাৰ্থী তালিকা



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ ফেব্ৰুৱাৰী ঃ আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে শাসকীয় দল বিজেপিয়ে। শুকুৰবাৰে নলবাৰীত উত্তৰ নলবাৰী ❑ ৭ পৃষ্ঠাত

নতুন গ্ৰীণফিল্ড বিমানবন্দৰৰ জৰীপৰ বাবে বুজাবুজি চুক্তি

## অসম চৰকাৰ আৰু বিমান প্ৰাধিকৰণৰ মাজত বুজাবুজি চুক্তি

মানস ৰাষ্ট্ৰীয় উদ্যান, উমৰাংছ', মাজুলী, ডিফুত হ'ব জৰীপ



নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ লোকসেৱা ভৱনত অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধিকৰণ (AAI)ৰ মাজত এক গুৰুত্বপূৰ্ণ বুজাবুজি চুক্তি (MoU) স্বাক্ষৰ অনুষ্ঠিত হৈছে। এই চুক্তিৰ জৰিয়তে ৰাজ্যখনত নতুনকৈ পাঁচটা গ্ৰীণফিল্ড বিমানবন্দৰ ❑ ৭ পৃষ্ঠাত


■ জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ ন্যায়ৰ বাবে দ্ৰুত বিচাৰৰ দাবী ■

## অসুৰ-দানৱবোৰ এতিয়া বধ হ'ব লাগে ঃ গৰিমা শইকীয়া গাৰ্গ



নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ফেব্ৰুৱাৰী ঃ অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাঁচ-ছয় মাহ পাৰ হোৱাৰ পিছতো ন্যায়ৰ অপেক্ষাত থকা পৰিয়াল আৰু লাখ লাখ অনুৰাগীৰ মাজত আশাৰ ৰশ্মি দেখা দিছে। অসম চৰকাৰে জুবিন গাৰ্গৰ হত্যাৰ গোচৰটো ❑ ৭ পৃষ্ঠাত

## গিৱন অভয়াৰণ্যত ৰে'লৰ খুন্দাত আহত দুটা বিৰল টৌপিমূৰীয়া বান্দৰ



অসম বাৰ্তা, মৰিয়নী, ২৭ ফেব্ৰুৱাৰী ঃ যোৰহাট জিলাৰ এক মাত্ৰ বন্য প্ৰাণী অভয়াৰণ্য জৈৱ-বৈচিত্ৰ্যৰ প্ৰাণকেন্দ্ৰ হোলোঙাপাৰ গিবন অভয়াৰণ্যত আজি পুনৰ ❑ ৭ পৃষ্ঠাত

আজাৰাৰ ঘটনাত মুখ্যমন্ত্ৰীৰ তীক্ষ্ণ প্ৰতিক্ৰিয়া

## বিজেপিৰ নিৰ্বাচনী তিনিটা গীত মুকলি



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ ফেব্ৰুৱাৰী ঃ অসম বিধানসভা নিৰ্বাচনৰ সময় যিমানেই ওচৰ চাপি আহিছে, শাসকীয় দল বিজেপিয়ে গীত-মাতৰ মাধ্যমত জনতাৰ মন জয় কৰাৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। শুকুৰবাৰে দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ❑ ৭ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

মানৱসেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা চিকিৎসক গৰাকীৰ মৃত্যুত পুৰণিগুদামত গভীৰ শোকৰ ছাঁ

# পুৰণিগুদামৰ মানৱ দৰদী চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতিৰ মৃত্যু



**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ ফেব্ৰুৱাৰী ঃ** মানৱ দৰদী জ্যেষ্ঠ চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতি আৰু নাই। নগাঁও জিলাৰ পুৰণিগুদামৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতিৰ আজি বিয়লি প্ৰায় ২-৩০ বজাত মৃত্যু হয়। যোৱা নিশা অকস্মাৎ অসুস্থ হৈ পৰা চিকিৎসকগৰাকীক ততাতৈয়াকৈ নগাঁও গোঁহাই নাৰ্চিং হোমত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে যদিও চিকিৎসালয়লৈ নি থকাৰ অৱস্থাতে তেওঁৰ মৃত্যু হয়। বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ সমাজ জীৱনৰ লগত অতি নিবিড়ভাৱে জড়িত অৱসৰপ্ৰাপ্ত চিকিৎসকগৰাকীয়ে মৃত্যুৰ আগমুহূৰ্তলৈকে নিজৰ চিকিৎসাসেৱা পুৰণিগুদাম বৰুৱাচুকৰ নিজা বাসগৃহতে আগবঢ়াই আহিছিল। এজন সতীৰ্থৰ সহযোগত দৰিদ্ৰ জনসাধাৰণকে ধৰি সকলো লোকৰে অতি সুন্দৰভাৱে চিকিৎসা আগবঢ়াই অহা মানৱ দৰদী চিকিৎসকগৰাকী আছিল পুৰণিগুদাম অঞ্চলৰ চিকিৎসাৰ দিশত অভিভাৱক স্বৰূপ। বিপদৰ সময়ত আৰ্তজনক চিকিৎসাৰ সু-পৰামৰ্শ দি উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা এই মানৱ দৰদী তথা সমাজকৰ্মী চিকিৎসক গৰাকীৰ মৃত্যুত শোকত ভাগি পৰিছে বৃহত্তৰ পুৰণিগুদামৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ। ১৯৪২ চনত ডিব্ৰুগড় জিলাৰ গ্ৰেহেম বজাৰত জন্মলাভ কৰি ডিব্ৰুগড়তে শিক্ষা জীৱনৰ সামৰণি মাৰি ১৯৬৮ চনত ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰি মানৱসেৱাৰ মনোভাৱ লৈ আৰম্ভ কৰিছিল চিকিৎসক জীৱনৰ যাত্ৰা। শোণিতপুৰৰ জিলাত প্ৰথমতে চৰকাৰী চিকিৎসক হিচাপে যোগদান কৰি পিছলৈ নগাঁও জিলাৰ ৰূপহী, চামগুৰি, কামপুৰ, পুৰণিগুদামত চৰকাৰী চিকিৎসক হিচাপে মানৱ সেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা চিকিৎসকজন ২০০২ চনত কাৰ্বিআংলং জিলাৰ ডিফুৰ পৰা উপ-মহকুমা চিকিৎসা বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰে। শোণিত কোঁৱৰ গজেন বৰুৱাৰ জীয়ৰীৰ লগত বিবাহপাশত আৱদ্ধ হোৱা বৰকাকতীৰ পত্নীৰ মৃত্যু হোৱাৰ লগতে দুজন পুত্ৰৰ এজনৰ মৃত্যু হৈছিল। বৰ্তমান এজন পুত্ৰ চাকৰি সূত্ৰে ডুবাইত কৰ্মৰত যদিও পুৰণিগুদামৰ ৰাইজৰ লগত একাত্ম হৈ কেতিয়াও অকলশৰীয়া অনুভৱ নকৰা এই গৰাকী মানৱ দৰদী চিকিৎসকে আজি ৮৫ বছৰ বয়সত মৃত্যুক সাৱতি ল'লে যদিও পুৰণিগুদামত তেওঁ এৰি গ'ল তেওঁ মানৱসেৱাৰ স্থলী। উকা হৈ গ'ল পুৰণিগুদামৰ জনজীৱনৰ এজন মহান চিকিৎসক। জীৱনৰ শেষ সময়ছোৱাত অকলশৰীয়া হৈ পৰিলেও চিকিৎসাসেৱাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ ৰাইজক সেৱা কৰা চিকিৎসকগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে। বিশেষকৈ পুৰণিগুদামবাসী ৰাইজ শোকত ম্ৰিয়মাণ হৈ পৰিছে। বৰ্তমান তেওঁৰ মৃতদেহ গুৱাহাটী নেমকেয়াৰ চিকিৎসালয়ত বিশেষভাৱে ৰখা হৈছে। পুত্ৰ, বোৱাৰী ডুবাইৰ পৰা কালিলৈ আহি পোৱাৰ পিছত কালিলৈ পুৰণিগুদামৰ ৰাইজ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত পুৰণিগুদামতে চিকিৎসকগৰাকীৰ শেষকৃত্য সম্পন্ন কৰিব। মানৱ দৰদী চিকিৎসকগৰাকীৰ মৃত্যুত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখা, পুৰণিগুদাম জ্যেষ্ঠ সাংবাদিক মঞ্চ, ইলোৰা বিজ্ঞান মঞ্চ পুৰণিগুদাম সমিতি, অৰ্নিবাণ গোষ্ঠী, অবিনশ্বৰ গোষ্ঠী, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, পুৰণিগুদাম শৰ্মা বুক এম্পৰিয়াম, পুৰণিগুদাম প্ৰেছ ক্লাবকে ধৰি বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ইফালে, আজি পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ কাৰ্যনিৰ্বাহক সভাত ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৌন প্ৰাৰ্থনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# ৩ মাৰ্চত ৮৪ বছৰত ভৰি দিব শিক্ষাবিদ, সাংবাদিক, সমাজকৰ্মী অৰ্জুন চন্দ্ৰ বৰুৱাই

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৭ ফেব্ৰুৱাৰী ঃ** সমাজপ্ৰিয় মানুহ তেওঁ। তেখেতক বাদ দি ডুমডুমাৰ নক্সাই আঁকিব নোৱাৰি। মানুহৰ বিপদ-আপদত সহায়ৰ হাত আগবঢ়োৱা অৰ্জুন চন্দ্ৰ বৰুৱাৰ মনত কাহানিও হিংসা, কপটতাভাৱে স্থান নাই নাপাই ছিল। জটিল সমস্যা সমাধানৰ ক্ষেত্ৰত তেওঁ সদায় আগত। কোনো কোনোৱে তেওঁক আকৌ মাটিৰ মণ্ডল বুলি জানে। কাৰণ মণ্ডলে সহজতে কৰিব নোৱাৰা কাম তেওঁ মুহূৰ্ততে কৰিব পাৰিছিল। মাটিৰ জোখ-মাখ তেওঁৰ নখ দৰ্পণত। জোখ-মাখৰ লগতে নক্সাও আঁকিব পাৰে তেখেতে। অৱশ্যে ইয়াৰ বিনিময়ত তেওঁ কাৰোৰ পৰা এপইচাও নলৈছিল, পাৰ্যমানে মানুহক সহায় কৰিছিল। কাৰণ তেওঁ সমাজপ্ৰিয় মানুহ। ডুমডুমাৰ সমাজ জীৱনৰ লগত তেওঁৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। ১৯৪৩ চনৰ ৩ মাৰ্চ তাৰিখে নলবাৰী জিলাৰ উপৰ বৰভাগ মৌজাৰ কোটালকুছি গাঁৱত জন্মগ্ৰহণ কৰা অৰ্জুন চন্দ্ৰ বৰুৱাই নিজ গাঁৱতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি কুমাৰকুছিত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত কাকপথাৰলৈ আহি ইয়াৰ পৰাই মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ১৯৬৪ চনত তেজীপথাৰ এম ভি স্কুলত বিনা বেতনে ১৮ মাহ শিক্ষকতা কৰা অৰ্জুন চন্দ্ৰ বৰুৱাই পিছলৈ কাকজান এম ই স্কুল, বৰালি এল পি স্কুল, কাকপথাৰ এল পি স্কুলত শিক্ষকতা কৰাৰ অন্তত ১৯৬৪ চনত স্থাপন হোৱা ডুমডুমা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত ১৯৬৬ চনৰ ১৬ জানুৱাৰীত কাৰ্যালয় সহায়কৰ পদত যোগদান কৰে। ১৯৬৭ চনৰ জুলাই মাহত ডুমডুমা মহাবিদ্যালয় স্থাপন হোৱাত প্ৰাৰম্ভিক বৰ্ষৰ নৈশ শাখাত নামভৰ্তি কৰি ১৯৭১-৭২ বৰ্ষত স্নাতক ডিগ্ৰী অৰ্জন কৰা অৰ্জুন চন্দ্ৰ বৰুৱাই উক্ত বৰ্ষতে কাৰ্যালয় সহায়ক পদৰ পৰা পদোন্নতিৰে সহকাৰী শিক্ষক পদত যোগদান কৰে। ২০০৭ চনৰ ৩১ মে' ত উক্ত বিদ্যালয়ৰ পৰা সহকাৰী শিক্ষক ৰূপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা অৰ্জুন চন্দ্ৰ বৰুৱাই ১৯৭১ চনৰ পৰাই সাংবাদিকতাও কৰি গৈছিল। চাইকেল চলাই ঘূৰি ফুৰা অৰ্জুন চন্দ্ৰ বৰুৱাই এগৰাকী সমাজৰ সদাজাগ্ৰত প্ৰহৰীৰূপে পাঁচ দশকঁকাল সাংবাদিকতা কৰিছিল। ডুমডুমা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক অৰ্জুন চন্দ্ৰ বৰুৱাই এমাহ মানৰ বাবে মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক (অংশকালীন) ৰ কামো কৰিছিল। তেখেতে ১৯৭১ চনৰ লোক পিয়লত জড়িত হৈ ৰাষ্ট্ৰপতিৰ পৰা ৰঞ্জৰ মেডেল লাভ কৰিছিল। ১৯৬২ চনৰে পৰাই অসম সাহিত্য সভাৰ সৈতে জড়িত অৰ্জুন চন্দ্ৰ বৰুৱা ডুমডুমা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষৰ লগতে প্ৰাক্তন সভাপতিৰ লগতে অসম সাহিত্য সভাৰ আজীৱন সদস্য। এসময়ৰ লখিমপুৰ জিলা সাংবাদিক সন্থাৰ সদস্য (১৯৭১) অৰ্জুন চন্দ্ৰ বৰুৱা ডুমডুমা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদকৰ লগতে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ অন্যতম প্ৰতিষ্ঠাপক আছিল। তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি অৰ্জুন চন্দ্ৰ বৰুৱা ডুমডুমাৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত, নিজেই এক অনুষ্ঠানস্বৰূপ। বাইচাইকেলখন লৈ সদায় হাঁহিমুখে ঘূৰি ফুৰা অৰ্জুন চন্দ্ৰ বৰুৱাই দিহা-পৰামৰ্শেৰে বহুতক উপকৃত কৰি অহাৰ উপৰি বিনামূলীয়াকৈ বহুতকে আবেদন পত্ৰ, প্ৰ-পত্ৰ আদি পূৰণ কৰি দি সামাজিক কৰ্মৰ এক উৎকৃষ্ট নিদৰ্শনো দাঙি ধৰিছে। কোনো মানুহকে তেওঁ বেয়া নাপাইছিল, হাই-জেং হ'লে সদায়ে মাত মাতিছিল, বিপদৰ সময়ত সাৰথি হৈ থিয় দিছিল। 'উত্তৰ-পূৰ্বাঞ্চল সংবাদ প্ৰেৰণা বঁটা'ৰে সন্মানিত হোৱা অৰ্জুন চন্দ্ৰ বৰুৱাই শিক্ষাৰ প্ৰসাৰৰ বাবে স্থানীয় কেইবাটাও শিক্ষানুষ্ঠান গঢ়াত বিশেষ অৰিহণা যোগাইছিল। অহা ৩ মাৰ্চত ৮৪ বছৰত ভৰি দিব লগীয়া অৰ্জুন চন্দ্ৰ বৰুৱাই এতিয়াও সুস্বাস্থ্যৰ অধিকাৰী হৈ আছে। এই বয়সতো সমাজৰ কামত সময় লাগি থকা শিক্ষাবিদ, সাংবাদিক, সমাজকৰ্মী অৰ্জুন চন্দ্ৰ বৰুৱাই এনেদৰে সুস্বাস্থ্যৰ অধিকাৰী হৈ থাকক, দীৰ্ঘায়ু হওক তাৰেই কামনা কৰিলোঁ।

# চামগুৰিৰ বৰঙাতলি হালোৱা গাঁৱত ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন বিধায়ক জিতু গোস্বামীৰ



**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সত্ৰ দৰ্শন আঁচনিৰ অধীনত লাভ কৰা ধনৰাশিৰে আজি নগাঁও জিলাৰ নৱগঠিত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বৰঙাতলি হালোৱাগাঁওস্থিত ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। আধাৰশিলা স্থাপনৰ উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাখনত বিধায়ক জিতু গোস্বামীয়ে নিজৰ ভাষণ প্ৰসঙ্গত আগন্তুক দিনত ৰাম মন্দিৰ নিমাৰ্ণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজন হোৱা অতিৰিক্ত ধনৰাশি দিয়া হ'ব বুলি ৰাইজক আশ্বাস প্ৰদান কৰে। আধাশিলা স্থাপনৰ উক্ত মাঙ্গলিক অনুষ্ঠানৰ পিছতে বিধায়ক গোস্বামীয়ে সংবাদ মাধ্যমৰ আগত কয় যে, বঢ়মপুৰ সমষ্টিত পাঁচ শতাধিক মন্দিৰ, নামঘৰ নিৰ্মাণৰ বাবে অনুদান পাইছে আৰু ইয়াৰ স্থানীয় ৰাইজে নিৰ্মাণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা ৰাম মন্দিৰৰ বাবেও ডেৰ লাখ টকা পাইছে আৰু পৰৱৰ্তী সময়ত আৰু ডেৰ লাখ টকা পাব। বাবু আঁচনি অসমৰ যুৱক সকলৰ কাৰণে ছাত্ৰসকলৰ কাৰণে অতিকৈ গুৰুত্বপূৰ্ণ আঁচনি। যি আঁচনিয়ে ছাত্ৰসকলক উপকৃত কৰিব। তেওঁ অসমত পইচাৰ অভাৱত সন্তানক পঢ়ুৱাবলৈ কষ্ট হোৱা পিতৃ-মাতৃ নাথাকিব বুলি কয়। মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই বিনামূলীয়া শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে ন-ৰূপ দি যথেষ্টখিনি উপকাৰ কৰা বুলি উল্লেখ কৰি আমেৰিকাৰ শিক্ষা ব্যৱস্থাৰ দৰে অসমৰ শিক্ষা ব্যৱস্থা একে হ'ব বুলি কয়। বিজেপিৰ প্ৰাক্তন জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোঁহাইয়ে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী ৰূপে অৱতীৰ্ণ হৈ জিতু গোস্বামীক প্ৰত্যাহ্বান জনাব পাৰিব নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত কয় যে, ৰাজেন গোঁহাইয়ে নিজৰ পুত্ৰকে বিজেপি দলৰ পৰা আনিব পৰা নাই। নিজৰ ঘৰখনত, নিজৰ পুত্ৰক সৈমান কৰিব নোৱাৰিলে তেনেস্থলত বিবেক আৰু অনুভূতি থকা বঢ়মপুৰ সমষ্টিৰ পঢ়াশুনা কৰা শিক্ষিত মানুহখিনিক কি বুজাব। বঢ়মপুৰৰ ৰাইজ বাস্তৱত থাকে, উন্নয়নত থাকে কংগ্ৰেছৰ দপদপনি অৱস্থাটো বঢ়মপুৰ সমষ্টি কংগ্ৰেছে জয় কৰিব নোৱাৰিলে এতিয়া অজাপৰ প্ৰাৰ্থী দিলে কংগ্ৰেছ সমৰ্থকে নিশ্চয় বেয়া পাব আৰু বিচ্ছিন্ন হ'বই। অৱশ্যে জিতু গোস্বামীয়ে সংবাদ-মাধ্যমত দৃঢ়তাৰে কয় যে, কংগ্ৰেছত কোনো গৌৰৱী অসমীয়া নাথাকে। যিটো দলৰ প্ৰাক্তন সভাপতিয়ে কংগ্ৰেছ ত্যাগ কৰি গুচি আহিল কংগ্ৰেছ দলত এতিয়া মানুহেই নাই। এইটো দলৰ প্ৰতি ৰাইজৰ এতিয়া আৰু আস্থা নাই। অসমত কংগ্ৰেছ এতিয়া শূন্য। অহা ১ মাৰ্চত বঢ়মপুৰ সমষ্টিৰ পুৰণিগুদামলৈ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা আশীৰ্বাদ যাত্ৰা কৰি আহিব বুলি উল্লেখ কৰি কয় যে, বঢ়মপুৰ সমষ্টিৰ ৰাইজে মুখ্যমন্ত্ৰীজনক আশীৰ্বাদ দিবলৈ উত্ৰাৱল হৈ আছে সংবাদ-মাধ্যমৰ আগত বিধায়কগৰাকীয়ে উল্লেখ কৰে।

# নকছাৰিৰ দেৱেৰপৰ চাৰি আলিত সৌৰচালিত ষ্ট্ৰীত লাইট স্থাপন বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ

**অসম বাৰ্তা, নকছাৰি, ২৭ ফেব্ৰুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰি ৰাইজৰ এটা বহুদিনিয়া সমস্যা সমাধান কৰিলে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। কিছু দিন পূৰ্বে কথা দিছিল বিধায়ক গৰাকীয়ে আৰু সেই কথা পূৰণ কৰিলে বুধবাৰে। বুধবাৰে ২০২৫-২৬ বৰ্ষৰ বিধায়কৰএ লেকা উন্নয়ন পুজিৰ দ্বাৰা দেৱেৰাপাৰ চাৰিআলিত সৌৰ শক্তিৰ দ্বাৰা চালিত ষ্ট্ৰীট লাইটৰ শুভ উদ্বোধন কৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। দেৱেৰা পাৰ চাৰিআলিৰ পাঁচোটা পথতে স্থাপন কৰা হব এই ষ্ট্ৰিত লাইট সমূহ। অনুষ্ঠানৰ শুভ উদ্বোধন কৰি অতি সোনকালে টিয়ক বলমা পথটিও দুই লেনযুক্ত হ'ব লগতে বিশুদ্ধ খোৱা পানীৰ সমস্যাও অতি সোনকালেই সামাধান কৰিব বুলি কয় বিধায়ক গৰাকীয়ে। এই ষ্ট্ৰিত লাইটৰ শুভ উদ্বোধন অনুষ্ঠানত উপস্থিত আছিল নকছৰি উন্নয়ন সমিতিৰ বিষয় ববীয়া, ব্যৱসায়ী সন্থাৰ বিষয়ববীয়া, গাঁও পঞ্চায়তৰ প্ৰতিনিধি সকল নকছাৰি জিলা পৰিষদৰ সদস্য দ্বীপ চুৰি আৰু বহু স্থানীয় ব্যক্তি। মুখ্য মন্ত্ৰীৰ পৰা টিকেটৰ সেউজ সংকেত পাই পূৰ্বতকৈ অধিক সক্ৰিয় হৈ পৰা দেখা গৈছে ৰূপজ্যোতি কুৰ্মীক।

দুজন থিতাতে নিহত, এজন গুৰুতৰভাৱে আহত

# চামগুৰিৰ তেলিয়াগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৬ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন লোক থিতাতে নিহত হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, গুৱাহাটীৰ দিশৰ পৰা যোৰহাট অভিমুখে আহি থকা এ-এছ-০১-এফ-এছ-৫৬৭৬ নম্বৰৰ মাৰুতী ছুইফ্‌ট ডিজায়াৰ গাড়ীখনে আজি পুৱা প্ৰায় ৬-১৫ মান বজাত চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পথৰ নিয়ন্ত্ৰণ হেৰুৱাই ঘাইপথৰ ডিভাইদাৰত খুন্দা মাৰি পুনৰ উজনিৰ দিশৰ পৰা গুৱাহাটীৰ অভিমুখে আহি থকা এ-এছ- ২৭- চি- ৮৫১৫ নম্বৰৰ ট্ৰাকখনত প্ৰছণ্ড জোৰেৰে খুন্দা মাৰে ফলত ডিজায়াৰ গাড়ীখনৰ সন্মুখ ভাগ ভাঙি চুৰমাৰ হোৱাৰ লগতে নলবাৰীৰ ঘগ্ৰাপাৰ অঞ্চলৰ মানস কলিতা আৰু দ্বিপেন কলিতা নামৰ দুজন যুৱক থিতাতে নিহত হোৱাৰ লগতে সমীৰণ কলিতা নামৰ আন এজন যুৱক গুৰুতৰভাৱে আহত হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হোৱা সমীৰণ কলিতাক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে থিতাতে নিহত হোৱা যুৱক দুজনৰ মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# কেন্দ্ৰীয় চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰণালয় SAIৰ দ্বাৰা গুৱাহাটীত ফিট ইণ্ডিয়া কাৰ্নাইভেল




**অসম বাৰ্তা, বান্দৰদেৱা, ২৭ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ভাৰতবাসীক শাৰীৰিক আৰু মানসিকভাৱে সুস্থ ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰনালয় SAI ৰ দ্বাৰা চলোৱা প্ৰচেষ্টাৰ উদ্দেশ্যেৰে আয়োজিত এই উৎসৱ গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ খেল পথাৰত ২৬, ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। ইয়াত যোগাসন ভাৰতৰ হৈ অসমৰ যোগাসন খেলুৱৈ সকলে অংশগ্ৰহণ কৰিছে। সদৌ অসম যোগাসন ক্ৰীড়া সন্থাৰ কোষাধ্যক্ষ ৰিপুল কলিতা আৰু প্ৰশিক্ষক কৃষ্টি শইকীয়াই পৰিচালনা কৰা যোগাসন প্ৰদৰ্শনত বিভিন্ন ঠাইৰ পৰা খেলুৱৈ সকল আহিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত যোগাসন ভাৰতৰ দ্বাৰা SAI ৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰা হয়। অসমতো SAI ৰ উত্তৰ পূব শাখাৰ সৈতে সন্থাই সহযোগিতা আগবঢ়াই আহিছে। যোগাসনৰ উপৰিও অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো থলুৱা ক্ৰীড়াৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে আৰু স্থানীয় সম্প্ৰদায়সমূহৰ মাজত ই এক জনপ্ৰিয় বিষয় হৈ পৰিছে। পৰ্যটন উদ্যোগত ই প্ৰভাৱ বিস্তাৰ কৰিব পাৰে বুলি অনুমান কৰা হৈছে। যোগাসন ক্ৰীড়াৰ ৰাষ্ট্ৰীয় বঁটা বিজয়ী খেলুৱৈ শিতলা বৈশ্যৰ উপৰিও মিণ্টু ডেকা, ধ্ৰুপদ ভট্টাচাৰ্য, অংগৰাগ বৰদলৈ, ত্ৰিদিৱ বৰ্মন, দৃষ্ণা চন্দা, আৰ্শিয়া শিৰম, সাগৰ নেৱাৰ, যোগবিদ উমাকান্ত দাস, লাকি চক্ৰৱৰ্তী, বিউটী ডেকা, নিলীমা পাঠক, প্ৰতিভা বৰ্মন, মিনু লস্কৰ, বিভা ৰাণী গায়ন আৰু মনোজ ভূঞাই অংশগ্ৰহণ কৰে।

# সৃজনগ্ৰাম শিক্ষাখণ্ডত বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ মাজত সহায়ক সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, লেংটিছিঙা, ২৭ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ বিশেষ প্ৰয়োজন সম্পন্ন ১৭ জন শিশুৰ মাজত আজি আনুষ্ঠানিকভাৱে সহায়ক সামগ্ৰী বিতৰণ কৰে বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰে। সমগ্ৰ শিক্ষা অসমৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ চি ডাব্লীউ এচ এন বিভাগৰ উদ্যোগত শিক্ষাখণ্ডটোৰ বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ মাজত চি পি হুইল চিয়াৰ ৯ খন, ৰোলাটৰ ৫ খন, শ্ৰৱণ যন্ত্ৰ ১ টা, টি এল এম কিট ১টা আৰু হুইল চিয়াৰ ২খন বিতৰণ কৰা হয়। চি ডাব্লীউ এচ এন বিভাগৰ সমল ব্যক্তি ছফিউল ইছলামৰ পৰিচালনাত অনুষ্ঠিত হোৱা সহায়ক সামগ্ৰী বিতৰণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে অভয়াপুৰী দক্ষিণ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰ, সৃজনগ্ৰাম শিক্ষা খণ্ডৰ শিক্ষা বিষয়া নৱজিৎ বায়ন, সমল ব্যক্তি পাৰ্থ পাল আদি উপস্থিত থাকি অভিলাষি আঁচনিটোৰ জৰিয়তে যাতে শিশুৰ অভিভাৱকে বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ উপযুক্ত পৰিচৰ্যা কৰিব পাৰে তাৰ ওপৰত সাৰুৱা ভাষণ প্ৰদান কৰে আমন্ত্ৰিত অতিথিসকলে।

# সৰুপথাৰত ১,০৩১ গৰাকী হিতাধিকাৰীক ভূমিৰ পট্টা বিতৰণ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** মিছন বসুন্ধৰা ৩.০ৰ সফল ৰূপায়ণ সৰুপথাৰত। অসম চৰকাৰৰ অভিলাষী আঁচনি মিছন বসুন্ধৰা ৩.০ৰ অধীনত আজি সৰুপথাৰ সমজিলাত এক বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত সৰুপথাৰ সমজিলাৰ মুঠ ১০৩১ গৰাকী ব্যক্তিক ভূমিৰ অধিকাৰৰ বাবে পট্টা প্ৰদান কৰা হয়। এই হিতাধিকাৰীসকলৰ ভিতৰত ব্যক্তিগত লোকৰ লগতে বিভিন্ন সামাজিক প্ৰতিষ্ঠান, নামঘৰ, মন্দিৰ আৰু বিদ্যালয় আদিও অন্তৰ্ভুক্ত আছে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে খিলঞ্জীয়া লোকক ভূমিৰ আইনী অধিকাৰ সুনিশ্চিত কৰা হৈছে। ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন চৰকাৰখনে খিলঞ্জীয়া লোকক ভূমিৰ অধিকাৰ দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল, সেয়া মিছন বসুন্ধৰা ১, ২ আৰু ৩ৰ জৰিয়তে সফলভাৱে ৰূপায়িত হোৱা বুলি সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে মন্তব্য কৰিছে। অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ বাবেই আজি সহস্ৰাধিক লোকে নিজৰ ভূমিৰ ওপৰত স্থায়ী অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে বুলি বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰীৰ শলাগ লয়। সমান্তৰালকৈ এই প্ৰক্ৰিয়া ইমানতে অন্ত নপৰে, যিসকল খিলঞ্জীয়া লোকে বৰ্তমানো চৰকাৰী ভূমিত বা একচনীয়া পট্টাত বসবাস কৰি আছে, তেওঁলোকক পৰ্যায়ক্ৰমে ভূমিৰ পট্টা প্ৰদান কৰিবলৈ চৰকাৰী আঁচনি অব্যাহত থাকিব বুলিও বিধায়কগৰাকীয়ে মন্তব্য কৰে।

# নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰা হ'ব ৰহাৰ ঐতিহাসিক জোঙালবলহু আধুনিক পৰ্যটন ক্ষেত্ৰ

**অসম বাৰ্তা, ৰহা, ২৭ ফেব্ৰুৱাৰী ঃ** নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰা হ'ব ৰহাৰ ঐতিহাসিক জোঙালবলহু আধুনিক পৰ্যটন ক্ষেত্ৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহা ৪ মাৰ্চত শুভ উদ্বোধন কৰিব নৱ নিৰ্মিত জোঙালবলহু পৰ্যটন ক্ষেত্ৰখন। এই কথা সদৰি কৰিছে ৰহাৰ বিধায়ক শশীকান্ত দাসে। উল্লেখ্য যে ইতিহাস প্ৰসিদ্ধ বীৰ ৰজা জোঙালবলহুৰ ৰাজধানী তথা ঐতিহ্যপূৰ্ণ জোঙালবলহু গড়ক আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে ৯০ কোটি টকা আবণ্টন দিছিল। ইতিমধ্যে পৰ্যটন ক্ষেত্ৰৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু অহা ৪ মাৰ্চত মুখ্যমন্ত্ৰীয়ে পৰ্যটন কেন্দ্ৰটো ৰাইজৰ বাবে মুকলি কৰিব। উল্লেখ্য যে তিৱাসকলৰ পিতৃপুৰুষ বুলি গণ্য কৰা ৰজা জোঙালবলহুৰ সাত তৰপীয়া গড়ৰ এই ৰাজধানী ক্ষেত্ৰখন সংৰক্ষণ তথা পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিবলৈ তিৱা জাতীয় সংগঠনসমূহে চৰকাৰক দাবী জনাই আহিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিৱা সংগঠনসমূহৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ঐতিহ্যবহনকাৰী ক্ষেত্ৰখন আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৯০কোটি টকা আবণ্টন দিছিল। তাৰে ফলশ্ৰুতিত আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে জিলিকি উঠিছে ঐতিহাসিক জোঙালবলহু গড়। এই পৰ্যটন ক্ষেত্ৰত নিৰ্মাণ কৰা হৈছে তিৱাসকৰ ঐতিহ্যবহনকাৰী বিভিন্ন সম্পদ, কৃষ্টি-সংস্কৃিত তথা ভাস্কৰ্য। পৰ্যটন ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে তিৱাসকলৰ ডেকাচাং, বৰঘৰ, টঙীঘৰ আদি। লগতে আছে মিউজিয়াম, পুথিভঁৰাল, সভাগৃহ, অতিথিশালা, তিৱা জনগোষ্ঠীয় ভোজনালয়। উল্লেখ্য যে ত্ৰয়োদশ শতিকাৰ বীৰ ৰজা জোঙালবলহুৱে নিজ ৰাজ্যৰ ৰাজধানী সুৰক্ষিত কৰিবলৈ সাত তৰপীয়া গড় মাৰিছিল। পিচত কছাৰী ৰজাৰ আক্ৰমণত জোঙালবলহুৰ মৃত্যু হয় যদিও থাকি গ'ল তেওঁৰ কৃতিত্বৰ চানেকি। দেশৰ স্বাধীনতাৰ পিচত ১৯৫৪ চনত অসম চৰকাৰে এই বিশাল পুখুৰীবোৰক চৰকাৰী মীনপাম হিচাপে গঢ়ি তোলে। কিন্তু সংৰক্ষণৰ অভাৱত জোঙালবলহুৰ কৃতিচিহ্ন গড়বোৰ ধ্বংসৰ গৰাহত পৰিছিল আৰু জোঙালবলহুৰ স্মৃতিও নৱ প্ৰজন্মৰ মাজৰ পৰা ক্ৰমে হেৰাই যাব ধৰিছিল। তেনে সময়তে ৰাজ্য চৰকাৰে ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ঠাইখনক উজ্জীৱিত কৰাত বুৰঞ্জীপ্ৰসিদ্ধ বীৰ ৰজাগৰাকীৰ কৃতিত্বৰ চানেকিও জনমানসত পুনৰ সজীৱ হৈ উঠিব।

## 'সেৱা'ৰ হুইল চেয়াৰ প্ৰদান

**অসম বাৰ্তা, নিমাতীঘাট, ২৭ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ অন্যতম জনকল্যাণকামী অনুষ্ঠান সেৱাৰ তৰফৰ পৰা আজি যোৰহাট মিলন নগৰৰ এজন ৰোগাক্ৰান্ত ব্যক্তিক এখন হুইল চেয়াৰ প্ৰদান কৰে। উত্তৰ যোৰহাটৰ কমাৰমাটি গাঁৱৰ দিগন্ত কুমাৰ শইকীয়াই মাতৃ ভদ্ৰা শইকীয়াৰ স্মৃতিত হুইল চেয়াৰখন সেৱাক প্ৰদান কৰিছিল। সেৱাৰ হৈ হেমেন কুমাৰ শইকীয়া, জগন্নাথ অগ্নি বৰা, শ্ৰীমন্ত মাধৱ বৰুৱা, অভিজিত বৰুৱা, ৰুবুল কলিতাই উক্ত হুইল চেয়াৰখন আজি মিলন নগৰৰ ৰোগাক্ৰান ব্যক্তিৰ গৃহলৈ গৈ পৰিয়ালৰ হাতত আগ বঢ়ায়।

# বৰক্ষেত্ৰীৰ আম্ৰাট্টাৰীত দেৱদামোদৰৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ তিথি উদ্‌যাপন

## সমাজখন সুশৃংখলিত কৰি ৰাখিবলৈ আমি আধ্যাত্মিকভাৱে মহিয়ান হ'ব লাগিব ঃ নাৰায়ণ ডেকা

**অসম বাৰ্তা, দৌলাশাল, ২৭ ফেব্ৰুৱাৰী ঃ** মহাপুৰুষ দেৱদামোদৰৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ তিথি দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আম্ৰাট্টাৰী গাঁৱত উদযাপন কৰা হয়। বৰক্ষেত্ৰী দেৱদামোদৰ সত্ৰৰ উদ্যোগত আৰু আম্ৰাট্টাৰী-কমলপুৰ দেৱদামোদৰ শাখা সত্ৰৰ সহযোগত আম্ৰাট্টাৰী ৰাজহুৱা নামঘৰ প্ৰাংগণত কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা দেৱদামোদৰৰ ৫৩৮ সংখ্যক জন্মোৎসৱ উপলক্ষে আজি পুৱা হোমযজ্ঞ আৰু ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। পুৰোহিত গণেশ শৰ্মা আৰু পল্লৱ শৰ্মাৰ মন্ত্ৰোচ্চাৰণেৰে দুই শতাধিক ভকত বৈষ্ণৱৰ উপস্থিতিত হোমযজ্ঞ সম্পন্ন হয়। দিনৰ ১২.৩০ বজাৰ পৰা বৰক্ষেত্ৰী দেৱদামোদৰ সত্ৰৰ উপদেষ্টা নগেন মেধিৰ সভাপতিত্বত আম্ৰাট্টাৰী ৰংগমঞ্চত অনুষ্ঠিত হয় ধৰ্মালোচনা সভা। বৰক্ষেত্ৰী দেৱদামোদৰ সত্ৰৰ সাধাৰণ সম্পাদক ৰমণী নাথে আঁত ধৰা ধৰ্মালোচনা সভা আৰম্ভণিৰ পূৰ্বেই গুৰুবন্দনা পৰিৱেশন কৰা হয়। ধৰ্মালোচনা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি দেৱদামোদৰৰ জীৱন-দৰ্শন সম্পৰ্কত ভাষণ প্ৰদান কৰে সদৌ অসম দেৱদামোদৰ সংঘৰ প্ৰাক্তন সম্পাদক কনকেশ্বৰ গোস্বামীয়ে। গোস্বামীয়ে ভাষণ প্ৰসংগত দেৱদামোদৰৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যৰে অসমৰ প্ৰতিটো দামোদৰপন্থী পৰিয়ালক সদৌ অসম দেৱদামোদৰ সংঘই গীতাৱলী, প্ৰসংগমালা, গুৰুলীলা আৰু গুৰুজনাৰ ফটো প্ৰদান কৰিব বুলি ঘোষণা কৰে। সভাত মিনতি বৈশ্যই দামোদৰদেৱৰ গীত পৰিৱেশন কৰি সভাখন গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। নলবাৰীৰ সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ দ্বীপজ্যোতি বৰপূজাৰীয়ে সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসমৰ ৮০ শতাংশ মানুহেই দামোদৰীপন্থী যদিও গুৰুজনাৰ জীৱন আৰু দৰ্শন বহু মানুহেই নজনাত উদ্বেগ প্ৰকাশ কৰে। দ্বীপজ্যোতি বৰপূজাৰীয়ে ভাষণ প্ৰসংগত "কৰ্মৰ জৰিয়তে মানুহে ধৰ্ম লাভ কৰে বুলি মন্তব্য কৰি কয় যে "ধৰ্ম নকৰা মানুহৰ মাজত ভেদা-ভেদ বৃদ্ধি পায়। পিতৃ-মাতৃ আৰু গুৰু ভক্তিৰে আগুৱাই গ'লে জীৱন ধন্য হয় বুলিও মন্তব্য কৰে দ্বীপজ্যোতি বৰপূজাৰীয়ে। সভাত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ন ডেকাই ভাষণ প্ৰদান কৰি কয় যে- গুৰুজনাৰ আদৰ্শ, সৃষ্টিৰাজী আৰু দৰ্শন সম্পৰ্কত আমি অধ্যায়ন কৰি নতুন প্ৰজন্মক উদ্ভাসিত কৰিব লাগিব। সমাজখন সুশৃংখলিত কৰি ৰাখিবলৈ আমি আধ্যাত্মিকভাৱে মহীয়ান হ'ব লাগিব বুলিও কয় নাৰায়ন ডেকাই। সভাত সদৌ অসম দেৱদামোদৰ সংঘৰ সহযোগী প্ৰকাশন সচিব বাণীকান্ত মেধীয়ে ভাষণ প্ৰসংগত ল'ৰা- ছোৱালীক সৰু কালৰে পৰা শাস্ত্ৰ জ্ঞান দিব লাগে আৰু ধৰ্মত মনোনিৱেশ কৰাব লাগে বুলিও মন্তব্য কৰে। সভাত বৰক্ষেত্ৰী দেৱদামোদৰ সত্ৰৰ কাৰ্যকৰী সভাপতি বিপুল গোস্বামী, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, বৰক্ষেত্ৰী দেৱদামোদৰ সত্ৰৰ সহকাৰী সম্পাদক ক্ৰমে তৰণী বৰ্মন, সুবোধ ডেকাকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত সত্ৰৰ নিষ্ঠাবান কৰ্মীৰ প্ৰয়াত পত্নীসকলক বিশেষভাৱে সম্বৰ্ধনা জনায়। সভাপতিৰ ভাষণত নগেন মেধিয়ে পুনৰাই মানৱ জীৱন ল'বলৈ আমি ঈশ্বৰক সাধনা কৰিব লাগে বুলি মন্তব্য কৰে। ব্ৰজেন্দ্ৰনাথ শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতেই সভা সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি কালি পুৱা দেৱদামোদৰ সত্ৰৰ ধৰ্মধ্বজ্জা উত্তোলন কৰে সত্ৰৰ কাৰ্যকৰী সভাপতি বিপুল গোস্বামীয়ে। পুৱা ৯ বজাত গুৰুচৰিত লৈ গাঁওখনত উলিওৱা হয় ধৰ্মীয় শোভাযাত্ৰা। আবেলি ৪ বজাত দামোদৰীয়া দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে নলবাৰী সত্ৰৰ জ্যোস্নাৰাণী গোস্বামীয়ে। দিহানাম প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে বৰতলা গাঁৱৰ ক্ৰমে ৰিতুমণি ডেকা আৰু শংকৰদেৱ নামতি দলে। তৃতীয় পুৰস্কাৰ লাভ কৰে আম্ৰাট্টাৰী গাঁৱৰ নৰৰূপ নামতি দলে।

### স্থানীয় ৰাইজৰ পথ অৱৰোধ; অবৈধ বালি মহল বন্ধ কৰাৰ দাবী

# হাউলীৰ খন্দকাৰপাৰাত পথ দুৰ্ঘটনা

## অবৈধ মাটি কঢ়িওৱা টেক্টৰৰ খুন্দাত নিহত ছাত্ৰ

**সংবাদদাতা, হাউলী, ২৬ ফেব্ৰুৱাৰী ঃ** হাউলীৰ খন্দকাৰপাৰাত আজি এক পথ দুৰ্ঘটনাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বালি মহলৰ পৰা অবৈধভাৱে মাটি কঢ়িওৱা এখন টেক্টৰৰ খুন্দাত এজন ১২ বছৰীয়া ছাত্ৰৰ থিতাতে নিহত হয়। নিহত ছাত্ৰজন খণ্ডকাৰপাৰা হাইস্কুলৰ ছাত্ৰ আব্দুল আলিম। ছাত্ৰজনে স্কুললৈ গৈ থকা অৱস্থাত তীব্ৰবেগী এ এচ ১৫ এচি ৫০৩০ নম্বৰৰ চালান বিহীন মাটি ভৰ্তি টেক্টৰখনৰ খুন্দাত ছাত্ৰজন থিতাতে নিহত হয়। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছতেই অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। ছাত্ৰ জনৰ মৃতদেহ ৰাজপথতে ৰাখি বেকী নৈত গঢ়ি উঠা অবৈধ মহল সমূহ বন্ধ কৰাৰ দাবী জনায় সহাস্ৰাধিক লোকে প্ৰতিবাদ কৰে। ঘটনাৰ খবৰ লাভ কৰি হাউলী আৰক্ষীৰ লগতে জিলা শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে নিহত ছাত্ৰজনৰ নশ্বৰ দেহ বৰপেটা মেডিকেল কলেজলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্যযোগ্য যে হাউলীৰ অঞ্চলৰ বেঁকী নৈত বৈধ-অবৈধ ভাৱে গঢ়ি উঠা মহলৰ পৰা দিনে-নিশাই শ শ ডাম্পাৰ আৰু ট্ৰেক্টৰেৰে মাটি আৰু বালি চালান বিহীন ভাৱে কঢ়িয়াই আহিছে। যাৰ ফলত স্থানীয় ৰাইজৰ বাবে অনাগত দিনত ভয়ংকৰ পৰিৱেশ সৃষ্টি কৰাৰ সংকল্প কৰিছে। কিয়নো অনাগত দিনত বান পৰিস্থিতিয়ে স্থানীয় ৰাইজৰ ঘৰ-ভেটিত প্ৰভাৱ বিস্তাৰৰ সম্ভৱনাৰ সৃষ্টি কৰিছে। প্ৰকাশ্য যে বেঁকী নৈ গঢ়ি উঠা বৈধ- অবৈধ মহলত বন বিভাগৰ একাংশ চৰকাৰী বিষয়া আৰু কৰ্মচাৰীৰ মইমতালিৰ বাবে এচাম দুষ্ট চক্ৰই এই দুষ্কৰ্য চলাই যোৱাৰ অভিযোগ উত্থাপন হৈছে। ফলত ৰাজ্যত বনজসম্পদ অবাধে ধ্বংস হৈ গৈছে। তদুপৰি ৰাজ্য চৰকাৰে বহু কোটি টকাৰ ৰাজহ হেৰুৱাব লগা হৈছে। বিশেষকৈ এনেধৰণৰ দুষ্কৰ্য আৰু ছিণ্ডিকেটৰ বনাঞ্চলিক বিষয়াৰ অন্তৰ্গত এলেকাৰ বেঁকী নৈত মূল ঘাটি হৈছে। ৰাজ্য চৰকাৰক বৃহৎ ৰাজহৰ পৰা বঞ্চিত কৰি এচাম দুষ্ট চক্ৰই বৰপেটাৰোড বনাঞ্চলিক বিষয়াৰ অন্তৰ্গত এলেকাৰ বেঁকী নৈৰ গঢ়ি তোলা বৈধ আৰু অবৈধ মহলৰ পৰা দিনে নিশাই চালান বিহীন ভাৱে মাটি, বালি অবাধে বিক্ৰী কৰি গৈছে। বিশেষকৈ হাউলীৰ অঞ্চলৰ দেউলীপাৰা, খন্দকাৰপাৰা, কঠলীঝাৰ, জয়েন বাজাৰ, জয়পুৰৰ পৰা দৈনিক শ শ ডাম্পাৰ আৰু ট্ৰেক্টৰেৰে মাটি, বালি বিক্ৰী কৰি আহিছে। এই এলেকা সমূহ চোৰাৰ বাবে বন বিভাগৰ জয়পুৰ আৰু বৰপেটা খণ্ড বন বিভাগ আছে যদিও বিষয়া সমূহে গোপন অংকৰে বুজা বুজি হৈ দুষ্ট চক্ৰক এনে দুষ্কাৰ্য চলাই যোৱাত সহায় কৰি হৈছে। এইমহল সমূহৰ পৰা অবৈধ ভাৱে কঢ়িওৱা টেক্টৰে লোকনিৰ্মাণ বিভাগৰ পথৰ মাটি কাটিও পথ ধ্বংস কৰি পেলাইছে। এই অবৈধ কাৰ্য চলাই যোৱাৰ মাজতে আজি অবৈধভাৱে মাটি কঢ়িওৱা এখন তীব্ৰ বেগী ট্ৰেক্টৰে খন্দকাৰপাৰাত এজন স্কুলীয়া ছাত্ৰ খুন্দা মৰাৰ পাছতে এই সমগ্ৰ ঘটনা পোহৰলৈ আহিছে। তদুপৰি স্থানীয় ৰাইজে জিলা প্ৰশাসনক এই অবৈধ কাৰ্য সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ বাবে দাবী জনাইছে।

### যোগ্য কোনো খিলঞ্জীয়া পৰিয়াল ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত নহয় ঃ জিলা আয়ুক্ত

# মৰিগাঁৱত ৬০৬টা খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু অনুষ্ঠান-প্ৰতিষ্ঠানলৈ ভূমি পট্টা




**ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজি মৰিগাঁও জিলাৰো তিনিওটা বিধানসভা সমষ্টিৰ খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ সুৰক্ষিত ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে ডিজিটেল পট্টা, আবণ্টন/বন্দৱস্তিৰ পত্ৰ আৰু আবণ্টন/বন্দৱস্তিৰ প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ বিতৰণ কৰা হয়। জিলাখনত ব্যক্তি আৰু অনুষ্ঠান প্ৰতিষ্ঠানক আজি ৬০৬খন আবণ্টন/বন্দৱস্তিৰ প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ প্ৰদান কৰা হয়। ইয়াৰে খাছ মাটিত ২৫১খন আৰু অনুষ্ঠান প্ৰতিষ্ঠানক ৩৫৫খন পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হয়। মৰিগাঁও বিধানসভা সমষ্টিৰ বাবে মৰিগাঁও নগৰৰ সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ সভাকক্ষত অনুষ্ঠিত পট্টা প্ৰদানৰ অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তেৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ জিলা আয়ুক্তগৰাকীয়ে কয় যে চৰকাৰৰ এই পদক্ষেপে খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহৰ বাবে ভূমিৰ অধিকাৰ সুনিশ্চিত কৰিলে। তেওঁ কয় যে আজি পট্টা লাভ কৰা প্ৰতিটো পৰিয়ালৰ বাবে এটা ঐতিহাসিক দিন। যোগ্য কোনো খিলঞ্জীয়া পৰিয়াল ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত নহয় আৰু সেয়া সুনিশ্চিত কৰাৰ বাবে প্ৰশাসনে দিবা নৈশ প্ৰয়াস অব্যাহত ৰাখিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মাই কয় যে বসুন্ধৰা ১ আৰু বসুন্ধৰা ২.০ৰ সফল সমাপ্তিৰ পিছত চৰকাৰে ২০২৪ চনৰ অ'ৌবৰ মাহত বসুন্ধৰা ৩.০ আৰম্ভ কৰিছিল। তেওঁ মৰিগাঁও জিলাৰ পট্টা লাভ কৰা পৰিয়াল আৰু অনুষ্ঠান প্ৰতিষ্ঠানসমূহক নিৰ্ধাৰিত নিয়মসমূহ মানি চলি আগবাঢ়িবলৈ আহ্বান জনায়। তেওঁ কয় যে আজি মৰিগাঁও সমষ্টিৰ ৬৯ জন, জাগীৰোড সমষ্টিৰ ১৭৮জন আৰু লাহৰীঘাট সমষ্টিৰ ৪জন হিতাধিকাৰীয়ে খাছ মাটিৰ ডিজিটেল পট্টা লাভ কৰিছে। আনহাতে মৰিগাঁও সমষ্টিৰ ১২৬, জাগীৰোড সমষ্টিৰ ১৬৯ আৰু লাহৰীঘাট সমষ্টিৰ ৬০টা অনুষ্ঠান-প্ৰতিষ্ঠানে ডিজিটেল পট্টা লাভ কৰে। অনুষ্ঠানৰ অংশৰূপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰা ধেমাজি জিলাৰ দেউৰী বিলত অনুষ্ঠিত পট্টা বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসকল, জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকল আৰু পট্টা গ্ৰহণৰ বাবে অহা হিতাধিকাৰীসকল উপস্থিত আছিল।

### দুটা দিনত মঞ্চস্থ হ'ব কেইবাখনো নাট

# নগাঁৱৰ বেবেজীয়াত ৭-৮ মাৰ্চত ৰ'দঘাই বেবেজীয়াৰ নাট সমাৰোহ

**অসম বাৰ্তা, বেবেজীয়া, ২৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়াত আগন্তুক ৭ মাৰ্চৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ'ব ৰ'দঘাই নাট মহোৎসৱ। সপ্তম বাৰ্ষিক এই নাট সমাৰোহৰ অংশৰূপে ৰ'দৰ পোহৰতে মঞ্চস্থ হ'ব ছখনকৈ অপেছাদাৰী নাট। শব্দযন্ত্ৰ আৰু কৃত্ৰিম পোহৰ অবিহনে পথাৰৰ মাজৰ গছৰ তলত প্ৰাকৃতিক পৰিবেশত অনুষ্ঠিত হৈ অহা এই নাট সমাৰোহৰ প্ৰথমটো দিনৰ কাৰ্যসূচীৰ অনুসৰি ৭মাৰ্চৰ বিয়লি ১ বজাৰ পৰা চন্দ্ৰজ্যোতি সংঘৰ 'ৰং বেৰং', জ্যোতি ৰংগমঞ্চৰ 'অগ্ৰাহ্য' আৰু ঐকান্তিক সাংস্কৃতিক গোষ্ঠীয়ে 'কোন পথৰ পথিক' মঞ্চস্থ কৰিব। ইপিনে নাট মহোৎসৱৰ দ্বিতীয়টো দিনৰ কাৰ্যসূচী অনুসৰি ৮ মাৰ্চত তেজপুৰ বাণ থিয়েটাৰে 'টোটোন তামোলী', অৰিহণা নাট্য গোষ্ঠীয়ে 'বন-ফুল বকুল' আৰু ৰ'দঘাই বেবেজীয়াই 'দৰ্খাস্ত' নামৰ নাটক পৰিৱেশন কৰিব। মধ্য অসমৰ তিনি শতাধিক নাট্যকৰ্মীৰ সমাৱেশ হ'ব এই নাট মহোৎসৱত। যাৰবাবে এতিয়া প্ৰস্তুতি প্ৰায় আৰম্ভ কৰিছে আয়োজক সমিতিয়ে।

# মানৱ দৰদী চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতিৰ মৃত্যুত পুৰণিগুদামত গভীৰ শোক. অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ বিশিষ্ট সমাজকৰ্মী তথা মানৱ দৰদী চিকিৎসক ডাঃ ধীৰেন্দ্ৰ নাথ বৰকাকতিৰ যোৱা কালি মৃত্যু হোৱাৰ পাছত আজি বিয়লি তেওঁৰ নশ্বৰ দেহ পুৰণিগুদাম বৰুৱাচুকৰ নিজা বাসভৱন পোৱাৰ পিছত অগণণ লোকৰ সমাগম হয়। বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ সমাজ জীৱনৰ লগত অতি নিবিড়ভাৱে জড়িত অৱসৰপ্ৰাপ্ত চিকিৎসকগৰাকীয়ে মৃত্যুৰ আগমুহূৰ্তলৈকে নিজৰ চিকিৎসাসেৱা পুৰণিগুদাম বৰুৱাচুকৰ নিজা বাসগৃহতে আগবঢ়াই আহিছিল। দৰিদ্ৰ জনসাধাৰণকে ধৰি সকলো লোককে অতি সুন্দৰভাৱে চিকিৎসা আগবঢ়াই অহা মানৱ দৰদী চিকিৎসকগৰাকী আছিল পুৰণিগুদাম অঞ্চলৰ চিকিৎসাৰ ক্ষেত্ৰত আছিল অভিভাৱকস্বৰূপ। বিপদৰ সময়ত আৰ্তজনক চিকিৎসাৰ সু-পৰামৰ্শ দি উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰা এই মানৱ দৰদী তথা সমাজকৰ্মী চিকিৎসক গৰাকীৰ মৃত্যুত আজিও শোকাকুল হৈ আছে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজ। বিশিষ্ট চিকিৎসক গৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে আজি বৃহত্তৰ পুৰণিগুদামৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল উপস্থিত হয়হি। পুৰণিগুদামৰ জ্যেষ্ঠ নাগৰিক পুলিন হাজৰিকাই পৰিচালনা কৰা আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পুৰণিগুদাম বাপুজী ভৱন পুথিভঁৰাল, জ্যেষ্ঠ নাগৰিক সন্মিলন, পুৰণিগুদাম, অনিৰ্বাণ গোষ্ঠী, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখা, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, পুৰণিগুদাম প্ৰেছ ক্লাব, চলচলি সৰ্বজনীন দুৰ্গোৎসৱ উদযাপন সমিতি, চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজ, নগাঁৱৰ জ্যেষ্ঠ চিকিৎসক ডাঃ জয়ন্ত বৰুৱা, ডাঃ বিপুল বৰুৱা, চামগুৰি ৰাইজৰ হৈ ভাৰত দাসকে ধৰি বৰুৱাচুক গাঁৱৰ ৰাইজ-গোপিনীসকল উপস্থিত থাকি শেষ শ্ৰদ্ধা জনায়। ইফালে, বিশিষ্ট চিকিৎসক গৰাকীক দুৰ-দূৰণিৰ পৰা অহা পৰিয়ালৰ লোকৰ লগতে বৃহত্তৰ পুৰণিগুদামৰ ৰাইজে শেষ শ্ৰদ্ধাঞ্জলি জনায়। ইফালে, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে বিশিষ্ট চিকিৎসকজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পুৰণিগুদাম শৰ্মা বুক এম্প্ৰৰিয়াম, অবিনশ্বৰ গোষ্ঠী, ইলোৰা বিজ্ঞান মঞ্চ পুৰণিগুদাম সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতি, ব্ৰহ্মচাৰী সত্ৰ শিৱ মন্দিৰ পৰিচালনা সমিতি, পুৰণিগুদাম দুৰ্গোৎসৱ উৎসৱ উদযাপন সমিতি, চামগুৰি প্ৰেছ ক্লাৱকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আজি বিয়লি তেওঁৰ পুত্ৰ-বোৱাৰী ডুবাইৰ পৰা আহি পোৱাৰ পিছত পুৰণিগুদামৰ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# ডুমডুমাত যুৱ-ছাত্ৰ পৰিষদৰ জিলা ভিত্তিত দুদিনীয়া সাংগঠনিক কৰ্মশালা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৭ ফেব্ৰুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু ডুমডুমা আঞ্চলিক সমিতিৰ আতিথ্যত ইয়াৰ আজাদ ৰোডস্থিত অসমীয়া নাট্য মন্দিৰত কালিৰে পৰা অনুষ্ঠিত হোৱা জিলা ভিত্তিত সাংগঠনিক কৰ্মশালাৰ আজি সামৰণি পৰে। ২৬ ফেব্ৰুৱাৰীৰ পুৱা ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, সতীৰ্থ স্মৰণ আদি কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পিছতে দুপৰীয়া ২ বজাত অনুষ্ঠিত হয় সাংগঠনিক কৰ্মশালাখনি। তিনিচুকীয়া জিলা সাংগঠনিক উপ-সমিতিৰ সভাপতি জয়কান্ত চিৰিঙে পৰিচালনা কৰে সাংগঠনিক কৰ্মশালাখনিৰ আঁত ধৰে সাংগঠনিক উপ-সমিতিৰ সম্পাদক মনোজ তালুকদাৰে। কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মায়াৰাণী লাহন গগৈয়ে উদ্বোধন কৰা উক্ত কৰ্মশালাত নিৰ্দিষ্ট বক্তা হিচাপে কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, বিশিষ্ট অতিথি হিচাপে কেন্দ্ৰীয় সদস্য সোণমণি চলিহা, তিনিচুকীয়া জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি কাঞ্চন বৰা, সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। পৰিষদৰ উদ্দেশ্য, লক্ষ্য আৰু মূল দাবী - অসমত পূৰ্ণ-স্বায়ত্ব শাসন, দ্বি-নাগৰিকত্ব, ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তনৰ লগতে পৰিষদৰ অনুশাসন কেনেদৰে মানিব লাগে, যিকোনো ৰাজহুৱা সভা, অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানে অনুষ্ঠিত কৰাৰ সভাত সংগঠনটোৰ বক্তব্য কেনেদৰে প্ৰদান কৰিব লাগে আৰু পৰিষদৰ সম্বন্ধীয় বিভিন্ন দিশ সম্পৰ্কত আঞ্চলিক সমিতিৰ সভাপতি, সাধাৰণ সম্পাদকসকলৰ মাজত এক লিখিত পৰীক্ষা অনুষ্ঠিত হয়। দ্বিতীয় দিনা অৰ্থাৎ আজি পুৱাই ডুমডুমা চহৰত চাফাই অভিযান, স্বাস্থ্য সম্বন্ধীয় সজাগতা সভা আদি অনুষ্ঠিত হয়। দুপৰীয়া ২ বজাত দ্বিতীয়খন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ লগত সংগতি ৰাখি পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক সমিতিসমূহৰ মাজত বক্তৃতা প্ৰদান প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত প্ৰথম হয় কাকপথাৰ আঞ্চলিক সমিতিৰ সভাপতি ৰাষ্ট্ৰজিৎ মৰাণ, দ্বিতীয় স্থান যুটীয়াভাৱে লাভ কৰে শদিয়া আঞ্চলিক সমিতিৰ সভাপতি অপু বুঢ়াগোহাঁই আৰু ফিলবাৰী আঞ্চলিক সমিতিৰ সভাপতি সমৰজ্যোতি শইকীয়াই। তৃতীয় স্থান লাভ কৰে ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণে। আনহাতে লিখিত পৰীক্ষাত প্ৰথম স্থান লাভ কৰে কাকপথাৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক হীৰকজ্যোতি দহোটীয়াই, দ্বিতীয় স্থান লাভ কৰে মাকুম আঞ্চলিক সমিতিৰ সভাপতি ৰঞ্জিত ডেকাই আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে - জাতীয় মহিলা পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী মৃণালী নেওগ, ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক হিৰক মৰাণ, ডিগবৈ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিশাল দে' এ। আটাইকে কৰ্মশালাৰ অন্তত অনুষ্ঠিত হোৱা সভাত পুৰস্কাৰপ্ৰদান কৰা লগতে দুয়োটা দিনতে সাংগঠনিক কৰ্মশালাত অংশগ্ৰহণ কৰাসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়।

# ছমৰীয়াৰ ডেকাচাঙত ইফ্‌তাৰ পাৰ্টি সম্পন্ন

**অসম বাৰ্তা, সোণতলী, ২৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ডেকাচাঙত অধিবক্তা কোৰবান আলীয়ে দ্বিতীয়খন পৱিত্ৰ ইফ্‌তাৰ পাৰ্টিৰ আয়োজন কৰে। পৱিত্ৰ ৰমজান মাহ উপলক্ষে আৰু ৰোজাদাৰ ব্যক্তিসকলৰ আশিস বিচাৰি এই সমূহীয়া পৱিত্ৰ ইফ্‌তাৰ পাৰ্টিৰ আয়োজন কৰে। উল্লেখ্য, গৰৈমাৰীৰ পিছতে বৃহস্পতিবাৰে পুনৰ ডেকাচাং আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহস্ৰাধিক লোকৰ উপস্থিতিত এই দ্বিতীয়খন পৱিত্ৰ ইফ্‌তাৰ পাৰ্টিৰ সামৰণী পৰে। অধিবক্তা গৰাকীৰ প্ৰযোজনাত আয়োজিত এই অনুষ্ঠানত হাফিজ ছেফাত আলীয়ে বিশ্ব শান্তিৰ লগতে ছমৰীয়াৰ কংগ্ৰেছ টিকট প্ৰত্যাশী তথা অধিবক্তা কোৰবান আলীৰ মঙ্গল কামনাৰে আল্লাহৰ দৰবাৰত মোনাজাত কৰে। এই ইফ্‌তাৰ অনুষ্ঠানত গৰৈমাৰী ব্ল'ক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ছামছুল হক, বগুৰিগুৰী মণ্ডল কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি হাছেন আলী, ডেকাচাং হাই স্কুলৰ প্ৰধান শিক্ষক আমিনুল হক, বগুৰিগুৰী মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি আব্দুৰ ৰহিম, বগুৰিগুৰী আঞ্চলিক সদস্য হুছেইন আলী আৰু কিছুমত কাঠমী আঞ্চলিক সদস্য আব্দুছ ছাত্তাৰ প্ৰমুখ্যে ভালে সংখ্যক গণ্য-মান্য লোকসকল উপস্থিত থাকে। স্মৰ্তব্য, ২৭ নম্বৰ ছমৰীয়া বিধান সভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা অধিবক্তা কোৰবান আলীয়ে উপস্থিত থকা ৰোজাদাৰ ব্যক্তিৰে মত-বিনিময় কৰে।

### আদিবাসী শান্তি চুক্তিৰ নামত চৰকাৰে প্ৰতাৰণা কৰিলে ঃ ভাস্কৰ তাঁতী

# ঢেকীয়াজুলিৰ গড়পাৰাত প্ৰাক্তন বিৰ্ছা কামাণ্ডু- আলনা সদস্যৰ সংবাদমেল

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৭ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ গড়পাৰাত আজি প্ৰাক্তন বিৰ্ছা কামাণ্ডু আৰু প্ৰাক্তন আলনা সংগঠনৰ সদস্যসকলে এখন গুৰুত্বপূৰ্ণ সংবাদমেল অনুষ্ঠিত কৰে। প্ৰাক্তন আলনা নেতা ভাস্কৰ তাঁতীৰ নেতৃত্বত আয়োজিত এই সংবাদমেলত বিদ্ৰোহী সংগঠন দুটাৰ একাংশ প্ৰাক্তন সদস্য উপস্থিত থাকি কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ভাষাৰে ক্ষোভ প্ৰকাশ কৰে। সংবাদমেলত বক্তাসকলে কয় যে, অসমত বসবাস কৰা আদিবাসী লোকসকলৰ প্ৰাপ্য অধিকাৰ, সাংবিধানিক স্বীকৃতি আৰু সামাজিক-অৰ্থনৈতিক উন্নয়নৰ দাবীতেই বিৰ্ছা কামাণ্ডু আৰু আলনা নামৰ বিদ্ৰোহী সংগঠন দুটাৰ জন্ম হৈছিল। তেওঁলোকে অভিযোগ কৰে যে বহু বছৰ ধৰি আন্দোলন আৰু সংগ্ৰাম চলোৱাৰ পাছতো আদিবাসী লোকসকলৰ মৌলিক অধিকাৰ সম্পূৰ্ণৰূপে সুনিশ্চিত কৰা হোৱা নাই। উল্লেখ্য যে ২০২২ চনৰ ১৫ ছেপ্টেম্বৰত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আদিবাসী বিদ্ৰোহী সংগঠনসমূহৰ সৈতে এখন শান্তি চুক্তি স্বাক্ষৰ কৰিছিল। সেই অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত আছিল। এই আদিবাসী শান্তি চুক্তিৰ আধাৰত সংগঠনসমূহৰ সদস্যসকলে চৰকাৰৰ ওচৰত অস্ত্ৰ সম্বৰণ কৰি স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু আজি অনুষ্ঠিত সংবাদমেলত প্ৰাক্তন সদস্যসকলে অভিযোগ কৰে যে চুক্তিত সন্নিৱিষ্ট বিভিন্ন দফা-উপদফা আজিলৈকে সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰা হোৱা নাই। বিশেষকৈ সংস্থাপন, পুনৰ্বাসন, আৰ্থিক সহায় আৰু দক্ষতা উন্নয়ন ব্যৱস্থাৰ ক্ষেত্ৰত চৰকাৰে কোনো দৃশ্যমান আৰু স্থায়ী পদক্ষেপ গ্ৰহণ কৰা নাই বুলি তেওঁলোকে দাবী কৰে। তেওঁলোকে আৰু কয় যে অস্ত্ৰ সম্বৰণ কৰাৰ পিছত বহু প্ৰাক্তন সদস্য এতিয়াও বেকাৰত্ব, আৰ্থিক সংকট আৰু সামাজিক অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰি আছে। চৰকাৰে চুক্তিৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ ফলত প্ৰাক্তন সদস্যসকল হতাশ আৰু ক্ষুব্ধ হৈ পৰিছে বুলি তেওঁলোকে উল্লেখ কৰে। সংবাদমেলৰ জৰিয়তে প্ৰাক্তন সদস্যসকলে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক অবিলম্বে আদিবাসী শান্তি চুক্তিৰ সকলো দফা কাৰ্যকৰী কৰি সংস্থাপনৰ স্থায়ী ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। অন্যথা তেওঁলোকে গণতান্ত্ৰিক আৰু সাংবিধানিক পদ্ধতিত পুনৰ আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়নি দিয়ে। সামগ্ৰিকভাৱে এই সংবাদমেলত আদিবাসী সমাজৰ উন্নয়ন, অধিকাৰ সুৰক্ষা আৰু শান্তি চুক্তিৰ সম্পূৰ্ণ বাস্তৱায়নৰ দাবী পুনৰ জোৰদাৰভাৱে উত্থাপন কৰা হয়।

# বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ উদ্যোগত জিলাভিত্তিক সংসদ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৭ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ উদ্যোগত ২৬ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ নিৰ্দেশ মৰ্মে বিকশিত ভাৰত ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬ৰ জিলা পৰ্যায়ৰ অংশ হিচাপে বঙাইগাঁও জিলাৰ জিলাভিত্তিক সংসদ অনুষ্ঠিত হয়। এই সংসদৰ সমন্বয়কদ্বয় ড° নৱজিৎ মজুমদাৰ আৰু ধৰমসিং ইংতি কাঠাৰে জানিব দিয়া অনুসৰি দিনজোৰা কাৰ্য্যসূচীৰে এই সংসদ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° ৰাজেশ তিৱাৰী আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিক্ৰম ৰঞ্জন ৰয়ে আঁত ধৰা অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে অভয়াপুৰী সমজিলাৰ জিলা আয়ুক্ত শান্তা কাৰ্কী চেট্ৰীয়ে। তেখেতে বক্তব্যত যুৱ সংসদৰ গুৰুত্বৰ কথা অৱগত কৰে। অনুষ্ঠানটোত বন্তি প্ৰজ্বলনৰ পিছতেই উপস্থিত আটাইয়ে মিলি ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে। উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কলিতাই। ইয়াৰ পিছতেই যুৱ সংযোগ নামৰ এটি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্য্যসূচীত উপস্থিত থাকে ২০২৫ বৰ্ষত অসমক নেতৃত্ব দি ৰাষ্ট্ৰীয় পৰ্যায়ৰ যুৱ সংসদত অংশগ্ৰহণ কৰা বঙাইগাঁৱৰ কন্যা চন্দ্ৰমল্লিকা দাসে। যুৱসকলৰ আদৰ্শ স্বৰূপ এই যুৱ বক্তা গৰাকীয়ে সাম্প্ৰতিক সময়ত যুৱসমাজৰ কৰণীয় আৰু 'বন্দে ভাৰত' গীতটিৰ বিশেষত্বৰ বিষয়ে বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতেই অনুষ্ঠিত হয় দিনটোৰ মুখ্য কাৰ্যসূচী 'জিলা পৰ্যায়ৰ বিকশিত ভাৰত যুৱ সংসদ, ২০২৬'। এই সংসদৰ বিষয় আছিল "৫০ বছৰীয়া জৰুৰীকালীন পৰিস্থিতি: ভাৰতীয় গণতন্ত্ৰৰ বাবে এটা পাঠ।" My Bharat পৰ্টেলৰ জৰিয়তে বঙাইগাঁও জিলাৰ ১৮ৰ পৰা ২৫ বছৰ বয়সৰ ভিতৰত মুঠ ১৪৪ গৰাকীয়ে যুৱক-যুৱতীয়ে পঞ্জীয়ন কৰে যদিও এই সংসদত মুঠ ৪২ যুৱক-যুৱতীয়েহে অংশগ্ৰহণ কৰে। যুৱ পৰিক্ৰমা আৰু ক্ৰীয়া মন্ত্ৰণালয়ে বান্ধি দিয়া নিয়মৰ আধাৰত মুঠ পাঁচগৰাকী বিচাৰকে এই সংসদত বিচাৰ কাৰ্য্য সম্পন্ন কৰে। সৰ্বশেষত পাঁচগৰাকী প্ৰতিযোগীক তেওঁলোকৰ বক্তব্য প্ৰদানৰ ওপৰত ভিত্তি কৰি ৰাজ্যিক পৰ্য্যলৈ বাছনি কৰা হয়। তেওঁলোক হৈছে ক্ৰমে চন্দ্ৰমল্লিকা দাস, লিজা বৰ্মন, অনন্যা চন্দা, ডৰিছা পাঠক আৰু গৰিমা ৰয়। উল্লেখনীয় যে তেওঁলোকে ইয়াৰ পিছত অসম বিধান সভাৰ মজিয়াত গৈ ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদত অংশগ্ৰহণ কৰাৰ সুযোগ পাব। এই অনুষ্ঠানৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে উত্তৰ পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সঞ্চালক ডি. কাৰ্তিকে আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সঞ্চালকলয়ৰ যুৱ বিষয়া নকুল দেউৰী উপস্থিত থাকে। তেওঁলোকে উপস্থিত সকলো প্ৰতিযোগীক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতেই শীৰ্ষ পাঁচগৰাকীক মানপত্ৰ প্ৰদানৰ লগতে বঁটা প্ৰদান কৰা হয়। শেষত ড° ৰাজেশ তিৱাৰীৰ শলাগৰ শৰাই অনুষ্ঠানৰ জৰিয়তে এই জিলা পৰ্যায়ৰ যুৱ সংসদৰ সামৰণি পৰে।

# কৃত্ৰিম বুদ্ধিমত্তা আৰু মানৱ সমাজৰ ভৱিষ্যত



**ব**ৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব অগ্ৰগতিয়ে যিটো পৰ্য্যায় পাইছে গৈ সেই বিষয়ে কাকো বহলাই কোৱাৰ দৰকাৰ নাথাকে। বৰ্তমানৰ যুগটো হৈছে বিজ্ঞানৰ যুগ। আজি মানৱ সভ্যতাই এনেকুৱা এটা পৰ্য্যায়ত উপনীত হৈছে যে, য'ত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অবিহনে মানুহ জীৱন নিৰ্বাহিত কৰাটো প্ৰায় কঠিন হৈ পৰিছে। ৰাতিপুৱা বিছনাৰ পৰা উঠি ৰাতি শুৱাৰ আগমুহূৰ্তলৈকে আমি প্ৰত্যেকজনে বিজ্ঞানৰ ন ন আৱিষ্কৃত বস্তুত ডুব গৈ থাকো। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ তেনে এক অভিনৱ আৱিষ্কাৰ হ'ল কৃত্ৰিম বুদ্ধিমত্তা বা আৰটিফিচিয়েল ইণ্টিলিজেন যাক আমি সকলোৱে ৰবট বুলি জানো। এই ৰবটে সম্প্ৰতি সময়ত সকলো দিশতে সলকণি সৃষ্টি কৰিছে। ৰবটে কৰিব নোৱাৰা কাম এতিয়া লৈকে ওলোৱা নাই। এই ৰবটে যিকোনো কামেই কৰিবলৈ সক্ষম হয়। ৰবটে মানৱ সমাজত আমূল পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে যদিও এয়ে মানুহৰ কৰ্মহীনতা কৰি তোলে। এশজনৰ মানুহৰ কাম ৰবটে অকলে কৰিব পাৰে। আৰটিফিচিয়েল ইণ্টিলিজেন হৈছে কম্পিউটাৰ প্ৰগ্ৰামৰ দ্বাৰা পৰিচালিত এটা মানৱ বিহীন যন্ত্ৰ। এয়েই কম্পিউটাৰ বিজ্ঞানৰ এটা শাখা, য'ত মানুহৰ বুদ্ধিমত্তা আৰু চিন্তা শক্তিক কম্পিউটাৰৰ সহায়ত অনাকৃত কৰাৰ চেষ্টা কৰা হয়।

কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আহি আছোঁ। আমি সদায় হাতত লৈ ফুৰা ম'বাইল ফোনত থকা গুগল এচিছ্‌ণ্টে, কৰ্তনা, চিৰি আদি আমি দৈনিক ব্যৱহাৰ কৰোঁ। বিত্তীয় প্ৰতিষ্ঠান, শিক্ষা প্ৰতিষ্ঠান, চৰকাৰৰ দ্বাৰা পৰিচালিত বিভিন্ন বিভাগৰ বিভিন্ন সেৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ বহুলভাৱে বৃদ্ধি পাইছে। গুগলে নিৰ্মাণ কৰা স্বয়ংচালিত গাড়ী বোৰৰ মাজতো থাকে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তি। চিকিৎসা সেৱা সমূহত জটিল অস্ত্ৰোপ্ৰচাৰৰ বাবে এই কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। আমি ফেচবুক, ইষ্টাগ্ৰাম আদিত যিকোনো ফটো আপলোড দিলে লগে-লগে কোনো এজন ব্যক্তিক টেক কৰিবলৈ সংকেত দিয়ে। বতৰৰ আগজাননী দিয়াকে আদি কৰি কৃত্ৰিম বুদ্ধিমত্তাই নিজৰ পৰিসৰ বৃদ্ধি কৰি লৈছে। এক কথাত ক'বলৈ গ'লে বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাই সৰ্বেসৰ্বা। কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ জীৱন ধাৰণৰ প্ৰক্ৰিয়াক সহজ কৰি তুলিছে ঠিকে কিন্তু এয়েই মানৱ সমাজৰ ভৱিষ্যত ধ্বংস কৰি পেলাব যে নোৱাৰিব তাৰ কোনো নিশ্চয়তা নাই। ডাঙৰ ডাঙৰ উদ্যোগ সমূহত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত কৰা ৰবটৰে কাম কৰা হয়। যাৰ ফলত

**বেণুৰাম ৰাভা**

উদ্যোগ সমূহত কাম কৰা বনুৱাৰ প্ৰয়োজন কমি আহিছে। যিয়ে অদূৰ ভৱিষ্যতে নিবনুৱা সমস্যাৰো অধিক ভয়াবহ হোৱাৰ সম্ভাৱনা আছে।

শেহতীয়াকৈ, আমাৰ ভাৰতত যোৱা ফেব্ৰুৱাৰী মাহৰ ১৬তাৰিখৰ পৰা ২০ তাৰিখলৈকে কৃত্ৰিম বুদ্ধিমত্তাৰ সন্মিলনখন নতুন দিল্লীৰ ভাৰত মণ্ডপ তথা প্ৰগতি মৈদামত সফলভাৱে অনুষ্ঠিত হৈ যায়। এই কৃত্ৰিম বুদ্ধিমত্তাৰ সন্মিলনখনত বিশ্বৰ কেইগৰাকী শীৰ্ষ নেতা উপস্থিত আছিল। এই সন্মিলনখনৰ মূলমন্ত্ৰ আছিল From vision to action, india leading the AI impact movement। ছৌদি আৰবে হৈছে বিশ্বৰ প্ৰথমখন দেশ, যিয়ে মানৱ সদৃশ ৰবটটোক নাগৰিকত্ব প্ৰদান কৰিছে আৰু এই নাগৰিকত্ব লাভ ৰবটটোৰ নাম ৰখা হৈছিল ছফিয়া। ছফিয়াই মানুহৰ লগত যিকোনো কথা বতৰা পাতিব পাৰে। কথা বতৰাৰ মাজেৰে ছফিয়াই মানুহৰ ভাৱ ভংগিমা বুজি উঠিব পাৰে। মানুহৰ নিচিনাই ছফিয়াই ইজনে আনজনৰ সৈতে মনৰ ভাৱ আদান প্ৰদান কৰিব পাৰে। হাঁহি ধেমালি, খঙ, অভিযোগ, অভিমান সকলো কৰিব পৰাৰ ক্ষমতা ছফিয়াৰ লগত আছে। আজিৰ তাৰিখত বিজ্ঞানে কৰিব নোৱাৰা কাম নাই, মানৱ সমাজৰ সকলো ধৰণৰ প্ৰক্ৰিয়া কলাপ বিজ্ঞানৰ আৱিষ্কৃত বস্তুৰে মানুহক ভৰাই তুলিছে। ৰাতিপুৱা বিছনাৰ পৰা উঠি কলগেট ব্ৰাছ লোৱাৰ পৰা আৰম্ভ কৰি ৰাতি শুৱাৰ আগমুহূৰ্তলৈকে আমি বিজ্ঞানৰ আৱিষ্কৃত বস্তুৰ মাজত ডুবি থাকো।

গতিকে, অনাগত ভৱিষ্যত কৃত্ৰিম বুদ্ধিমত্তাই যে মানৱ সভ্যতাৰ চিন্তাক ধ্বংস কৰি নেপেলাব তাৰ মানে নো কি আছে আজিৰ তাৰিখত। এশজনৰ কাম কৃত্ৰিম বুদ্ধিমত্তাৰ ৰবটে অকলে কৰিব পৰাৰ ক্ষমতা আছে ইয়াৰ ফলত বহু মানুহে কৰ্মহীনতাত ভুগিব লগীয়া হ'ব। ভৱিষ্যতে কিজানি মানুহৰ দ্বাৰা কৰোৱৰ কোনো কামেই নাথাকিব। চিকিৎসা সেৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, দেশৰ সামৰিক শক্তি বৃদ্ধিত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, ছবি বোলছবি নিৰ্মাণত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰে সকলোকে আচৰিত কৰি তুলিছে। মানুহে কৰিবলগীয়া কাম প্ৰায় বিলুপ্তিৰ পথত। অনাগত সময়ত মানৱ সভ্যতা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ মাজত যে যুঁজ নহ'ব তাৰ মানেনো কি আছে।

# কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ

## সম্ভাৱনা আৰু সতৰ্কতা

**মা**নৱ সভ্যতাৰ ইতিহাসত বিজ্ঞানে বাৰে বাৰে প্ৰমাণ কৰিছে যে জ্ঞানৰ কোনো সীমা নাই। চকাৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি পাৰমাণৱিক শক্তিলৈকে- প্ৰতিটো যুগান্তকাৰী আৱিষ্কাৰে মানুহৰ জীৱনক নতুন ৰূপ দিছে। ১৯২৮ চনত বিজ্ঞানী চি.ভি. ৰামনে 'ৰামন প্ৰভাৱ' আৱিষ্কাৰ কৰি ভাৰতক বিশ্বৰ বৈজ্ঞানিক মানচিত্ৰত স্থাপিত কৰিছিল। সেই গৌৰৱময় উত্তৰাধিকাৰ বহন কৰি আজি একবিংশ শতিকাত ভাৰত থিয় দিছে এক নতুন বৈজ্ঞানিক বিপ্লৱৰ দুৱাৰমুখত - আৰু সেই বিপ্লৱৰ নাম হৈছে কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইন্টেলিজেন্স (AI)।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ এই শুভ মুহূৰ্তত যেতিয়া আমি বৈজ্ঞানিক অগ্ৰগতিৰ মূল্যায়ন কৰোঁ, তেতিয়া AI-ৰ প্ৰসঙ্গ স্বাভাৱিকতে আগলৈ আহে। মাত্ৰ কেইবছৰমানৰ ভিতৰতে এই প্ৰযুক্তিয়ে চিকিৎসা, শিক্ষা, কৃষি, উদ্যোগ-জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে এক আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। ২০২৩ চনত ভাৰত চৰকাৰে ঘোষণা কৰা 'India AI Mission'ৰ অধীনত ১০, ৩০০ কোটি টকাৰ বিনিয়োগৰ পৰিকল্পনাই প্ৰমাণ কৰে যে AI এতিয়া কেৱল প্ৰযুক্তিৰ বিষয় নহয় - ই দেশৰ ভৱিষ্যতৰ অগ্ৰাধিকাৰ।

চিকিৎসা বিজ্ঞানত AI-ৰ অৱদান ইতিমধ্যে চকুত পৰিবলগীয়া। কৰ্কট ৰোগৰ প্ৰাৰম্ভিক পৰ্যায়ত নিৰ্ণয়, চকুৰ ৰোগ ধৰা পেলোৱা, এক্স-ৰে বিশ্লেষণ - এই ক্ষেত্ৰসমূহত AI-চালিত প্ৰযুক্তিয়ে চিকিৎসকতকৈও কিছু ক্ষেত্ৰত অধিক নিখুঁতভাৱে কাম কৰিব পাৰিছে বুলি গৱেষণাত প্ৰমাণিত হৈছে। শিক্ষাক্ষেত্ৰত AI-এ প্ৰতিজন শিক্ষাৰ্থীৰ সক্ষমতা অনুযায়ী ব্যক্তিগতকৃত পাঠদান পদ্ধতি প্ৰস্তুত কৰিব পাৰে, যিটো পৰম্পৰাগত শ্ৰেণীকোঠাত সম্ভৱ নহয়।

অসমৰ প্ৰেক্ষাপটত চালেও AIৰ সম্ভাৱনা অত্যন্ত উজ্জ্বল। প্ৰতি বছৰে বানপানীয়ে অসমৰ লক্ষাধিক মানুহৰ জীৱন বিপৰ্যস্ত কৰে। AI-চালিত আগতীয়া সতৰ্কতা প্ৰণালীয়ে উপগ্ৰহৰ তথ্য বিশ্লেষণ কৰি বানপানীৰ কেইদিনমান আগেয়েই সঠিক পূৰ্বাভাস

**মৌচুম কৌশিক**

দিব পাৰে। চাহ উদ্যোগত চাহ পাতৰ গুণগত মান নিৰ্ণয়, ৰোগ চিনাক্তকৰণ আৰু উৎপাদন বৃদ্ধিত AI-ৰ প্ৰয়োগ আৰম্ভ হৈছে। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া পৰ্যবেক্ষণ, গড় সংৰক্ষণত নিৰীক্ষণ ব্যৱস্থা আৰু দূৰৱৰ্তী পাহাৰীয়া অঞ্চলত টেলিমেডিচিনৰ জৰিয়তে স্বাস্থ্যসেৱা প্ৰদানতো AI এ গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। অসমীয়া ভাষাতো AI-ৰ প্ৰসাৰ ক্ৰমান্বয়ে বাঢ়িছে - অসমীয়া ভাষা প্ৰক্ৰিয়াকৰণৰ বাবে গৱেষণা চলি আছে, যিটো আমাৰ মাতৃভাষাৰ ডিজিটেল ভৱিষ্যতৰ বাবে এক আশাৰ বতৰা।

তথাপি এই প্ৰযুক্তিক লৈ নিশ্চিন্ত হৈ থকাৰ কাৰণ নাই। বিশ্বজুৰি AI-ৰ কাৰণে প্ৰায় ৩০ কোটি চাকৰি বিপন্ন হ'ব পাৰে বুলি আন্তৰ্জাতিক শ্ৰম সংস্থাই সতৰ্ক কৰিছে। ভুৱা বাতৰি আৰু 'ডিপফেক' ভিডিঅ'ৰ বিস্তাৰে গণতন্ত্ৰ আৰু সমাজৰ বাবে নতুন বিপদ মাতি আনিছে। ব্যক্তিগত তথ্যৰ সুৰক্ষাহীনতা আৰু AI-ৰ নৈতিক ব্যৱহাৰৰ প্ৰশ্নও ক্ৰমশ জটিল হৈ পৰিছে। AI এ কাম কৰিব পাৰে, সিদ্ধান্ত ল'ব পাৰে- কিন্তু মানৱীয় বিবেক, সংবেদনশীলতা আৰু নৈতিকতা কোনো যন্ত্ৰই প্ৰতিষ্ঠাপন কৰিব নোৱাৰে।

এই প্ৰেক্ষাপটত আমাৰ শিক্ষা ব্যৱস্থাকো নতুনকৈ সজাব লাগিব। কেৱল পাঠ্যপুথিৰ জ্ঞানেই যথেষ্ট নহয় - AI-ৰ যুগত সমালোচনামূলক চিন্তা, সৃজনশীলতা আৰু ডিজিটেল সাক্ষৰতা অপৰিহাৰ্য। অসমৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত কোডিং, ডেটা বিজ্ঞান আৰু AI-ৰ মূলনীতি শিক্ষাদানৰ ব্যৱস্থা হ'লে আমাৰ নতুন প্ৰজন্মই বিশ্বৰ সৈতে খোজ মিলাই চলিব পাৰিব।


এই বিজ্ঞান দিৱসত আমাৰ সংকল্প হওক - আমি AI-ক আমাৰ সেৱকৰূপে ব্যৱহাৰ কৰিম, কিন্তু ইয়াৰ নিয়ন্ত্ৰণ সদায় আমাৰ হাতত ৰাখিম। চি.ভি. ৰামনে যিদৰে কৌতূহল আৰু অধ্যৱসায়েৰে বিজ্ঞানক নতুন শিখৰলৈ লৈ গৈছিল, সেইদৰে অসমৰ নতুন প্ৰজন্মই যেন কেৱল এই প্ৰযুক্তিৰ ব্যৱহাৰকাৰী হৈ নাথাকে- ইয়াৰ উদ্ভাৱক আৰু স্ৰষ্টা হিচাপে বিশ্বমঞ্চত নিজৰ স্থান সুদৃঢ় কৰে।

বিজ্ঞানৰ সুৰ বুকুত লৈ, ভৱিষ্যতৰ সপোন চকুত লৈ- আগবাঢ়ক অসম, আগবাঢ়ক ভাৰত।

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য আৰু গুৰুত্ব

২৮ ফেব্ৰুৱাৰী দিনটো সমগ্ৰ ৰাজ্যতে (National Science Day) হিচাপে পালন কৰা হয়। মূলত: বিজ্ঞানৰ প্ৰসাৰতা, গুৰুত্ব আৰু জনপ্ৰিয়তা বৃদ্ধিৰ বাবেই এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত ভাৰতৰ এজন বিখ্যাত বিজ্ঞানী ' চন্দ্ৰ শেখৰ ভেংকট ৰমন, চমুকৈ চি.ভি. ৰমন দেৱৰ নাম বিশেষ ভাৱে জড়িত হৈ আছে। ১৮২৮ চনত ড° চি ভি ৰমনদেৱে 'ৰমন পৰিঘটনা' বা 'পোহৰৰ বিচ্ছুৰণ'( Raman Effect) আৱিষ্কাৰ কৰাৰ স্মৃতিত মানৱ কল্যাণৰ বাবে বৈজ্ঞানিক প্ৰচেষ্টা আৰু নতুন প্ৰযুক্তিৰ উন্নয়নৰ বাবে এই দিৱস পালন কৰা হয়। ১৯৮৭ চনৰ পৰা ভাৰত চৰকাৰৰ অনুমতি মৰ্মে সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপিত হৈ আহিছে।

সমাজৰ পৰা অন্ধ বিশ্বাস আঁতৰাই যুক্তিপূৰ্ণ বা বৈজ্ঞানিক চিন্তা-ধাৰা গঢ়ি তোলাৰ বাবে ৰাইজক উৎসাহিত কৰা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা জনপ্ৰিয় কৰি তোলা, মানৱ সমাজৰ প্ৰগতি আৰু কল্যাণৰ বাবে বিজ্ঞানৰ অৱদান প্ৰদৰ্শন কৰা, যুক্তিৰ প্ৰসাৰ আৰু উন্নয়নশীল ভাৰতৰ বাবে নতুন উদ্ভাৱনক উৎসাহিত কৰা, বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণা আৰু বিকাশৰ প্ৰসাৰতাৰ লগতে বিজ্ঞানৰ প্ৰতি সজাগতা আৰু আগ্ৰহ বৃদ্ধি কৰা, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু দেশীয় প্ৰযুক্তিৰ ওপৰত গুৰুত্ব দি 'বিকশিত ভাৰত' ৰ সপোন বাস্তৱায়িত কৰা, জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ সংৰক্ষণৰ বাবে বহনক্ষম সমাধান (Sustainable Solutions) অন্বেষণ কৰাৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰে। এই সমূহৰ উপৰিও এই দিৱসে নতুন প্ৰযুক্তিৰ বিকাশ, মানৱ কল্যাণ, ছাত্ৰ-ছাত্ৰী সকলক গৱেষণা তথা উদ্ভাৱনৰ বাবে অনুপ্ৰাণিত কৰে। প্ৰতি বছৰে এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত ভিত্তি কৰি এই দিৱস উদ্‌যাপন কৰা হয়, যাৰ উদ্দেশ্য হৈছে বিজ্ঞানৰ মাধ্যমেৰে দেশৰ



সামগ্ৰিক উন্নয়ন সাধন কৰা। এই দিৱসে যুৱ প্ৰজন্মক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱন(Innovation)ৰ প্ৰতি উৎসাহিত কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰে।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস কেৱল এটা দিৱস নহয়, ই ভাৰতৰ বৈজ্ঞানিক প্ৰগতি আৰু উদ্ভাৱনক স্মৰণ কৰা এক বিশেষ দিন। এই দিৱস উপলক্ষে বিভিন্ন বৈজ্ঞানিক প্ৰতিষ্ঠান, বিদ্যালয়, বিশ্ববিদ্যালয়ত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। য'ত বিজ্ঞান প্ৰদৰ্শনী, বক্তৃতা, কৰ্মশালা তথা বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। এই দিনটোৱে আমাক মনত পেলাই দিয়ে যে বিজ্ঞান কেৱল কিতাপৰ মাজত সীমাৱদ্ধ বিষয় নহয়, ই প্ৰতিটো মুহূৰ্তৰ জীৱনশৈলী উন্নত কৰাৰো চাবিকাঠি।

*নিবেদিতা হাজৰিকা*

*লেখিকাৰ ঠিকনা ঃ লখিমপুৰ*

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

## সমাজৰ প্ৰগতিত বিজ্ঞানৰ প্ৰভাৱ আৰু ইয়াৰ প্ৰত্যাহ্বান

**বি**জ্ঞান হৈছে মানুহৰ কৌতূহলী মনৰ ফচল। সেয়ে কোৱা হয় যে বিজ্ঞান কেৱল আৱিষ্কাৰ নহয়, ই হৈছে কৌতূহল আধাৰিত মানৱ মনত নিহিত এক সূক্ষ্ম কলা। আদিম যুগত মানুহে হাবিত বাস কৰোঁতে শিলৰ ঘৰ্ষণৰ যোগেদি জুই আৱিষ্কাৰ কৰাৰ পৰা আৰম্ভ কৰি আজিৰ কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিষ্কাৰলৈকে—এই সমগ্ৰ যাত্ৰা হৈছে বিজ্ঞানৰ অগ্ৰগতি। আজি মানুহে নিজকে জীৱ শ্ৰেষ্ঠ বুলি ক'ব পৰাৰ মূলতে হ'ল বিজ্ঞানৰ জ্ঞান আৰু আৱিষ্কাৰ। ভাৰত বৰ্ষই প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰী তাৰিখে 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' পালন কৰি আহিছে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

**প্ৰণৱ জ্যোতি বৰদলৈ**

হিচাপে এই দিনটো বাছি লোৱাৰ কাৰণ হৈছে ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে মহান ভাৰতীয় পদাৰ্থ বিজ্ঞানী ছাৰ চি. ভি. ৰমনে ৰমন প্ৰভাৱ বা 'ৰমন ইফেক্ট' আৱিষ্কাৰ কৰিছিল। যি আৱিষ্কাৰৰ জৰিয়তে তেওঁ প্ৰমাণ কৰি দেখাইছিল যে তৰল পদাৰ্থৰ মাজেৰে পোহৰ পাৰ হৈ যাওঁতে কেনেকৈ ইয়াৰ তৰংগ দৈৰ্ঘ্য্যৰ পৰিৱৰ্তন ঘটে। অৰ্থাৎ কোনো তৰল পদাৰ্থ বা স্ফটিকৰ মাজেদি একৰঙী (নিৰ্দিষ্ট কম্পনাংক) দৃশ্যমান পোহৰ পঠিয়ালে বিচ্ছুৰণৰ ফলত মূল পোহৰৰ উপৰিও অন্য ৰঙৰ (কম কম্পনাংকৰ) পোহৰো দেখা যায়। পদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰত আৰু ৰমন পৰিঘটনাৰ আৱিষ্কাৰত চি.ভি. ৰমনৰ অৱদানৰ বাবে তেওঁৰ প্ৰতি সন্মান জনাই তেওঁৰ কৰ্মৰাজিক স্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি যোগাযোগ পৰিষদে (এন.চি.এছ.টি.চি) ১৯৮৬ চনত ভাৰত চৰকাৰক প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰী দিনটো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে উদযাপন কৰিবলৈ এক প্ৰস্তাৱ দাঙি ধৰে। এই প্ৰস্তাৱটোত ভাৰত চৰকাৰে অনুমোদন জনায় আৰু ১৯৮৭ চনৰ পৰা এই দিনটো সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে উদ্‌যাপন কৰা হয়। এই দিনটোত বিজ্ঞানৰ ক্ষেত্ৰৰ সন্মুখীন হোৱা গুৰুত্বপূৰ্ণ বিষয়বোৰৰ বিষয়ে আলোচনা তথা নতুন বৈজ্ঞনিক আৱিষ্কাৰসমূহৰ বিষয়ে আলোচনা কৰা হয়। চি ভি ৰমনৰ এই যুগান্তকাৰী আৱিষ্কাৰৰ বাবে তেওঁক ১৯৩০ চনত পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা প্ৰদান কৰা হৈছিল। তেওঁ আছিল এই সন্মান লাভ কৰা প্ৰথম গৰাকী ভাৰতীয় তথা এছীয় ব্যক্তি। উল্লেখযোগ্য যে ১৯৫৪ চনত ৰমনক ভাৰত চৰকাৰে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ উদ্দেশ্য হৈছে বিজ্ঞানৰ ক্ষেত্ৰত গৱেষণা, ইয়াৰ প্ৰয়োগ আৰু বিকাশৰ প্ৰসাৰৰ লগতে বিজ্ঞানৰ প্ৰতি সাধাৰণ জনগণৰ সজাগতা আৰু আগ্ৰহ বৃদ্ধি কৰা। ১৯৯৯ চনৰ পৰা প্ৰতি বছৰে ভাৰত চৰকাৰে বিজ্ঞান দিৱসৰ বাবে এটা নিৰ্দিষ্ট বিষয়বস্তু নিৰ্ধাৰণ কৰি আহিছে। এই বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ বিষয়-বস্তু হৈছে "বিজ্ঞানত মহিলা ঃ বিকশিত ভাৰতৰ উদ্দীপক।"


বিজ্ঞান সাম্প্ৰতিক সময়ৰ মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। তদুপৰি বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ বাবে এক অত্যাৱশ্যকীয় অংগ। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আৰম্ভ কৰি শিক্ষা, স্বাস্থ্যলৈকে বৰ্তমান মানুহ বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল। দৈনন্দিন জীৱনত বিজ্ঞানে কঠিনতাই আঁতৰাই মানৱ জীৱনক সহজ কৰি তুলিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰৰ লগে লগে মানৱ জীৱনৰ বস্তুগত দিশ আৰু সামাজিক দিশতো অভূতপূৰ্ব পৰিৱৰ্তন সাধন হৈছে। বৰ্তমান বিজ্ঞানৰ যুগ, প্ৰত্যেক বস্তু বা ক্ৰিয়াৰ ইতিবাচক আৰু নেতিবাচক দুটা দিশ থকাৰ দৰে বিজ্ঞানৰ ক্ষেত্ৰতো ইতিবাচক আৰু নেতিবাচক এই দুটা দিশ দেখা যায়। দৈনন্দিন জীৱন ধাৰণ প্ৰণালীৰ ক্ষেত্ৰত বিজ্ঞানে সৰলতা আনি দিয়াৰ লগতে মানৱ সমাজৰ প্ৰতি ই ভাবুকিৰো সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে বিজ্ঞানৰ শেহতীয়া অৱদান কৃত্ৰিম বুদ্ধিমত্তাৰ কথাই ক'ব পাৰি। মানুহৰ দৰে চিন্তা কৰিব পৰা আৰু সিদ্ধান্ত ল'ব পৰা এই প্ৰযুক্তিৰ আৱিষ্কাৰে আমাৰ সমাজ ব্যৱস্থালৈ আমূল পৰিৱৰ্তন আনিছে। কৃত্ৰিম বুদ্ধিমত্তাই আমাৰ কাম-কাজৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে অসম্ভৱক সম্ভৱ কৰি তুলিছে। মানুহৰ বাবে দীৰ্ঘ সময় লগা কাম এটা কৃত্ৰিম বুদ্ধিমত্তাই মাত্ৰ ছেকেণ্ডৰ ভিতৰতে সম্পাদন কৰিব পাৰে। ঠিক একেদৰে চিকিৎসা বিজ্ঞান আৰু মহাকাশ বিজ্ঞানৰ ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰে মানৱ জীৱনৰ প্ৰতি সুখৰ বাৰ্তা কঢ়িয়াই আনিছে। উদাহৰণস্বৰূপে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি কৰ্কট ৰোগৰ দৰে মহামাৰী ৰোগ আগতীয়াকৈ চিনাক্তকৰণ কৰিব পৰাটো মানৱ সমাজৰ বাবে নিঃসন্দেহে এক আশীৰ্বাদস্বৰূপ।

অন্যহাতে, কৃত্ৰিম বুদ্ধিমত্তাই মানৱ জীৱনৰ প্ৰতি বহুতো প্ৰত্যাহ্বানো কঢ়িয়াই আনিছে। কাৰখানাৰ পৰা আৰম্ভ কৰি শিক্ষা, স্বাস্থ্য, প্ৰযুক্তি আদি সকলো ক্ষেত্ৰৰ কামত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ ফলত নিবনুৱা সমস্যা বৃদ্ধি হৈছে। একেদৰে অতিমাত্ৰা AI-ৰ ওপৰত নিৰ্ভৰ কৰাৰ ফলত মানুহৰ স্বাভাৱিক চিন্তা ক্ষমতা আৰু স্মৃতি শক্তি হ্ৰাস পাব পাৰে বুলি বিজ্ঞানীসকলে ইতিমধ্যে মন্তব্য কৰিছে। আকৌ AI-ৰ জৰিয়তে 'Deepfake' বা ভুৱা তথ্য প্ৰচাৰ কৰি কাৰোবাৰ মানহানি কৰা বা চাইবাৰ অপৰাধ কৰাটো বৰ্তমান অতি সহজ হৈ পৰিছে। অৱশ্যে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ, পৰিৱেশ প্ৰদূষণ আৰু প্ৰযুক্তিৰ অপব্যৱহাৰে মানৱ জাতিৰ বাবে ভাবুকিৰ সৃষ্টি কৰিছে যদিও এটা কথা সত্য যে বিজ্ঞান নিজে কেতিয়াও মানৱ সমাজৰ বাবে অভিশাপ নহয়। ইয়াৰ সু ব্যৱহাৰে ইয়াক আশীৰ্বাদ আৰু কু ব্যৱহাৰে ইয়াক অভিশাপলৈ ৰূপান্তৰিত কৰে।

বিজ্ঞান হৈছে এক প্ৰণালীবদ্ধ প্ৰক্ৰিয়া আৰু নিৰন্তৰ সাধনা। বিজ্ঞানে অমানিশা আঁতৰাই পোহৰ বিলায়। আমি প্ৰতি বছৰে উদযাপন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে হ'ব যেতিয়া দেশৰ প্ৰতিজন নাগৰিক যুক্তিনিষ্ঠ হ'ব, যেতিয়া বৈজ্ঞানিক মানসিকতাৰে মানৱীয় মূল্যবোধৰ জৰিয়তে সমাজ তথা দেশৰ হিতৰ হকে কাম কৰিব, যেতিয়া সমাজৰ পৰা কু সংস্কাৰ, অন্ধ বিশ্বাস আঁতৰিব, যেতিয়া চি. ভি. ৰমনৰ দৰে মহান বিজ্ঞানীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমাৰ দেশৰ উঠি অহা নৱ প্ৰজন্মই বিজ্ঞানক সাৰথি কৰি এক উন্নত আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ দিশে আগুৱাই যাব।

# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২৬ - প্ৰযুক্তি আৰু মানৱীয় প্ৰমূল্যৰ নৱ-বিচাৰ

**আ**জি ২৮ ফেব্ৰুৱাৰী। ফেব্ৰুৱাৰী মাহৰ এই বিশেষ দিনটো প্ৰতিজন ভাৰতীয়ৰ বাবে গৌৰৱৰ গাথা। ১৯২৮ চনত ছাৰ চি. ভি. ৰমনে তেওঁৰ যুগান্তকাৰী আৱিষ্কাৰ 'ৰমন ইফেক্ট'ৰ কথা ঘোষণা কৰিছিল। এজন ভাৰতীয় বিজ্ঞানীয়ে অতি সীমিত সম্পদৰ সহায়ত ফাদিল কৰা পোহৰৰ বিচ্ছুৰণৰ ৰহস্যই সমগ্ৰ বিশ্বৰ বিজ্ঞানৰ ধাৰা সলাই পেলাইছিল। এই আৱিষ্কাৰৰ বাবে তেওঁ ১৯৩০ চনত পদাৰ্থ বিজ্ঞানত নোবেল বঁটা লাভ কৰা প্ৰথমগৰাকী এছীয় ব্যক্তি হিচাপে পৰিগণিত হয়। কিন্তু ২০২৬ চনৰ এই মুহূৰ্তত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কেৱল এটা ঐতিহাসিক স্মৰণ বা আনুষ্ঠানিক উদযাপন হৈ থকা নাই; বৰঞ্চ ই আমাৰ দ্ৰুতবেগী ভৱিষ্যতৰ আইনাস্বৰূপ হৈ পৰিছে। আজিৰ বিজ্ঞান আমাৰ বাবে কেৱল পাঠ্যপুথিৰ সংজ্ঞা নহয়, ই আমাৰ জীৱনধাৰণৰ এক অবিচ্ছেদ্য অংশ।



প্ৰযুক্তিৰ এই অভূতপূৰ্ব উত্থানৰ যুগত বিজ্ঞান আমাৰ শোৱনীকোঠাৰ পৰা আৰম্ভ কৰি মহাকাশৰ অনন্ত নীলিমলৈকে বিয়পি পৰিছে। এইখিনিতে 'ৰমন ইফেক্ট'ৰ কথা দকৈ ভাবিলে ইয়াৰ ব্যৱহাৰিক প্ৰয়োগে আমাক আচৰিত কৰি তুলে। আজিৰ আধুনিক চিকিৎসা বিজ্ঞানত কৰ্কট ৰোগ ধৰা পেলোৱাৰ পৰা আৰম্ভ কৰি মহাকাশ গৱেষণা বা নেন'প্ৰযুক্তিৰ সূক্ষ্ম কাম-কাজবোৰলৈকে ৰমন ইফেক্টৰ অৱদান অপৰিসীম। আমাৰ সমাজত এতিয়াও বিজ্ঞানক বহু সময়ত কিতাপৰ কিছুমান জটিল গাণিতিক সূত্ৰ বুলি একাষৰীয়া কৰি থোৱা দেখা যায়। কিন্তু বিজ্ঞান হ'ল এক গভীৰ জীৱন দৰ্শন। প্ৰতিটো ঘটনাক সন্দেহৰ চকুৰে চাই তাৰ সত্যতা বিচাৰ কৰাৰ যি সাহস, সেয়াই প্ৰকৃত বিজ্ঞান। সাম্প্ৰতিক সময়ত আমাৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল ডিজিটেল যুগত বিয়পি পৰা ভুৱা তথ্য, অন্ধবিশ্বাস আৰু অপবিজ্ঞানৰ বিৰুদ্ধে থিয় দি এক সুস্থ, যুক্তিবাদী সমাজ গঢ়ি তোলা।

এইবছৰৰ বিজ্ঞান দিৱসৰ প্ৰাসংগিকতা অন্য সময়তকৈ যথেষ্ট বেছি। আমি বৰ্তমান এনে এক সন্ধিক্ষণত আছো য'ত জলবায়ু পৰিৱৰ্তনৰ ভয়াবহতা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ (AI) দৰে বিৰাট সম্ভাৱনা তথা শংকাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলগীয়া হৈছে। এফালে যিদৰে প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰে আমাৰ দৈনন্দিন কামবোৰ পলকতে কৰি দিছে, আনফালে আকৌ প্ৰকৃতিৰ ভাৰসাম্যহীনতাই আমাক এক অনিশ্চিত ভৱিষ্যতৰ ফালে ঠেলি দিছে। বিজ্ঞানৰ সাৰ্থকতা আকাশলংঘী অট্টালিকা বা ধ্বংসাত্মক পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণত নিহিত হৈ থকা নাই; ইয়াৰ প্ৰকৃত সফলতা নিহিত হৈ থাকে আগন্তুক প্ৰজন্মৰ বাবে এই ধৰণীখনক এক সুৰক্ষিত আৰু বাসোপযোগী হিচাপে গঢ়ি তোলাৰ বহনক্ষম প্ৰয়াসতহে। বৰ্তমানৰ যুৱ প্ৰজন্মই বিজ্ঞানক কেৱল এটা লোভনীয় কেৰিয়াৰ হিচাপে গ্ৰহণ নকৰি সমাজখনক পোহৰাই তুলিব পৰা এক উপাংগ হিচাপে গ্ৰহণ কৰা উচিত। বিশেষকৈ অসমৰ দৰে জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ঠাইত আমাৰ থলুৱা জ্ঞান আৰু পৰম্পৰাগত ঔষধিবোৰক কেনেকৈ আধুনিক পৰীক্ষাগাৰত প্ৰমাণিত কৰি বিশ্বৰ আগত তুলি ধৰিব পাৰি সেইটোহে আমাৰ লক্ষ্য হোৱা উচিত।

বিজ্ঞান কেতিয়াও এটা স্থিৰ বা সমাপ্ত হোৱা বিষয় নহয়। ই এক অবিৰত যাত্ৰা। যিটো তথ্য কালিৰ বাবে পৰম সত্য আছিল, সেয়া আজি অধিক উন্নত গৱেষণাৰ ফলত সলনি হ'ব পাৰে। আৰু এইটোৱেই হ'ল বিজ্ঞানৰ আটাইতকৈ ডাঙৰ সৌন্দৰ্য। আমি প্ৰায়ে লক্ষ্য কৰো যে আমাৰ শৈক্ষিক ব্যৱস্থাত ছাত্ৰ-

**স্বৰাজ ফুকন**

ছাত্ৰীসকলৰ মাজত বিজ্ঞানৰ প্ৰতি এটা অদ্ভুত ভীতি থাকে। এই মানসিক দেৱালখন ভাঙিবলৈ হ'লে বিজ্ঞানক শ্ৰেণীকোঠাৰ চাৰিবেৰৰ পৰা উলিয়াই আনি মুকলি আকাশৰ তললৈ লৈ যাব লাগিব। ল'ৰা-ছোৱালীবোৰক গছ এজোপাৰ পাতবোৰ কিয় সেউজীয়া বা বৰষুণৰ টোপালটো কিয় ঘূৰণীয়া, সেইবোৰ নিজ চকুৰে পৰীক্ষা কৰিবলৈ উৎসাহিত কৰিব লাগিব।

শেহতীয়াকৈ আমি দেখা পাইছো যে বিজ্ঞান আৰু মানৱীয়তাৰ মাজৰ দূৰত্ব লাহে লাহে কমি আহিছে। বিজ্ঞান অবিহনে মানৱীয় উৎকৰ্ষ সম্ভৱ নহয় আৰু মানৱীয়তা অবিহনে বিজ্ঞান ধ্বংসাত্মক শক্তিত পৰিণত হ'ব পাৰে! আমি যিমানেই আধুনিকতাৰ শিখৰত আৰোহণ নকৰো কিয় আমাৰ প্ৰতিটো পদক্ষেপ আৰু সিদ্ধান্তত বৈজ্ঞানিক মানসিকতা তথা যুক্তিৰ প্ৰতিফলন ঘটোৱাটো আমাৰ নৈতিক দায়িত্ব। অন্ধ অনুকৰণৰ পৰিবৰ্তে প্ৰতিটো বিষয় যুক্তিৰ তুলাচনীত জুখি চোৱাৰ মানসিকতা গঢ়ি তুলিব লাগিব। সমাজৰ দুখ-দুৰ্দশা লাঘৱ কৰাৰ ক্ষেত্ৰত বিজ্ঞানক এক নিৰ্ভৰযোগ্য সাৰথি হিচাপে গ্ৰহণ কৰি এক সুস্থ আৰু সবল ভৱিষ্যত নিৰ্মাণৰ বাবে আমি আজি সংকল্পবদ্ধ হোৱা উচিত।

*প্ৰৱক্তা, ডায়েট, ডিব্ৰুগড়*

*ফ'ন ঃ ৯৭০৭৬৩৬৭৩৫*

# বিজ্ঞান আৰু আধুনিক জীৱন

**বি**জ্ঞান হৈছে আধুনিক যুগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শক্তি। মানুহৰ জীৱনক সহজ, সুবিধাজনক আৰু উন্নত কৰি তুলিবলৈ বিজ্ঞানৰ অৱদান অপৰিসীম। প্ৰাচীন কালত মানুহে বহু কষ্টৰে জীৱন নিৰ্বাহ কৰিছিল, কিন্তু বিজ্ঞানৰ প্ৰযুক্তিৰ বিকাশৰ ফলত আজি মানুহে কম সময়তে অধিক কাম সম্পন্ন কৰিব পাৰিছে।

বিজ্ঞানৰ সহায়ত যোগাযোগ ব্যৱস্থা বহুত উন্নত হৈছে। মোবাইল ফোন, ইণ্টাৰনেট, কম্পিউটাৰ আদি আৱিষ্কাৰে পৃথিৱীখনক এখন সৰু গাঁৱলৈ ৰূপান্তৰ কৰিছে। এতিয়া মানুহে ঘৰত বহিয়েই পৃথিৱীৰ যিকোনো ঠাইৰ সৈতে যোগাযোগ কৰিব পাৰে। শিক্ষাক্ষেত্ৰতো বিজ্ঞানৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। অনলাইন শিক্ষা, ডিজিটেল লাইব্ৰেৰী আদি ব্যৱস্থাই শিক্ষাক অধিক সহজ আৰু লাভজনক কৰি তুলিছে।

চিকিৎসা ক্ষেত্ৰত বিজ্ঞানৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। নতুন নতুন ঔষধ, অপাৰেচন পদ্ধতি আৰু আধুনিক চিকিৎসা সঁজুলিৰ সহায়ত বহু জটিল ৰোগৰ চিকিৎসা সম্ভৱ হৈছে। আগতে যিবোৰ ৰোগত মানুহে জীৱন হেৰুৱাইছিল, এতিয়া সেইবোৰ ৰোগ সহজে আৰোগ্য কৰিব পৰা হৈছে।

কৃষি আৰু উদ্যোগ ক্ষেত্ৰতো বিজ্ঞানৰ প্ৰভাৱ গভীৰ। উন্নত বীজ, যন্ত্ৰপাতি আৰু বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰৰ ফলত খাদ্য উৎপাদন বৃদ্ধি পাইছে।



উদ্যোগ ক্ষেত্ৰত যান্ত্ৰিক উন্নতিয়ে উৎপাদন বৃদ্ধি কৰি অৰ্থনীতি শক্তিশালী কৰিছে।

তথাপিও বিজ্ঞানৰ কিছুমান নেতিবাচক প্ৰভাৱো আছে। পৰমাণু অস্ত্ৰ, পৰিৱেশ দূষণ, প্ৰযুক্তিৰ অপব্যৱহাৰ আদি মানুহৰ বাবে বিপদজনক হৈ উঠিছে। সেয়ে বিজ্ঞানক সদায় মানৱ কল্যাণৰ বাবে ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়।

শেষত ক'ব পাৰি যে বিজ্ঞান মানুহৰ উন্নতিৰ মূল চালিকাশক্তি। সঠিক ব্যৱহাৰৰ জৰিয়তে বিজ্ঞানেই মানৱ সমাজক এখন সুন্দৰ আৰু উন্নত ভৱিষ্যতৰ দিশে আগবঢ়াই নিব পাৰে।

*দৰ্শিতা নেওগ*

*লেখিকাৰ ঠিকনা ঃ যোৰহাট, অসম*

❑ ৬০ গৰাকী যুৱক-যুৱতীয়ে প্ৰশিক্ষণৰ শেষত লাভ কৰিলে প্ৰমাণ পত্ৰ ❑

# মাজুলীত সামৰণি পৰিল পাইপলাইন টু পছিবিলিটীজৰ

## শীৰ্ষ দহে লাভ কৰিলে সংস্থাপন




**অসম বাৰ্তা, উজনী মাজুলী, ২৭ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ শক্তি খণ্ডৰ মাজুলীত সামৰণি পৰিল পাইপলাইন দ্ৰুতগতিত বিস্তাৰ লাভ কৰা চিটা গেছ ডিষ্টিবিউচন খণ্ডত যুৱক-যুৱতীৰ বাবে বৃহৎ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। সংকুচিত প্ৰাকৃতিক গেছ আৰু পাইপেৰে যোগান ধৰা প্ৰাকৃতিক গেছ ব্যৱস্থাৰ জৰিয়তে পৰিবহণ, গৃহস্থালি, বাণিজ্যিক আৰু ঔদ্যোগিক ক্ষেত্ৰত স্বচ্ছ শক্তিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ২০২৫ চনৰ আগষ্টলৈকে পেট্ৰোলিয়াম এণ্ড নেচাৰেল গেছ ৰেগুলেটৰী বৰ্ডৰ তথ্য অনুসৰি, দেশজুৰি ৩৪খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৭৮৪খন জিলাত চিজিডি নেটৱৰ্ক বিস্তৃত হৈছে। ২০৩৪ চনৰ ভিতৰত ১২.৬৩ কোটি পি এন জি সংযোগ, ১৮, ৩৩৬টা চি এন জি ষ্টেচন আৰু ৫.৪৬ লাখ ইঞ্চি-কিলোমিটাৰ পাইপলাইন স্থাপনৰ লক্ষ্যলৈছে খণ্ডটোৱে। ইতিমধ্যে প্ৰায় সমগ্ৰ দেশক সামৰি ৩০৭টা ভৌগোলিক এলেকা অনুমোদন লাভ কৰিছে। এই ক্ৰমবৰ্দ্ধমান সম্ভাৱনাক লক্ষ্য কৰি মাজুলীত সফলভাৱে সামৰণি পৰিল 'প্ৰফেচনেল স্কীল এণ্ড কেপাচিটী ড ভেলপমেণ্ট ইন প্লাম্বিং ট্ৰেড' কাৰ্যসূচীৰ। 'পাইপলাইন টু পছিবিলিটীজ' নামেৰেও জনাজাত এই কাৰ্যসূচী হৈছে নুমলীগড় শোধনাগাৰ (এন আৰ এল)ৰ কৰ্পৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অন্তৰ্গত এটা কাৰ্যসূচী। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু কাৰ্য ৰূপায়ণ কৰে মিডিয়া মেনেজমেণ্ট গ্ৰুপ ফৰ লিটাৰ্চী এণ্ড ডেভেলপমেণ্ট (এম এম জি এল ডি)-এ ( এম এম জি এল ডি-এ আই আই টি মাজুলী আৰু ছ'চিয়েল ইক'নমিক এণ্ড ভাৰ্চেটাইল ৱেলফেয়াৰ এছ'চিয়েচন (এছ ই ডি ডব্লিউ)ৰ সহযোগত এই কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰে। ছমহীয়া পাইলট প্ৰকল্প হিচাপে এই কাৰ্যসূচীৰ ৰূপৰেখা যুগুত কৰা হৈছিল। ইয়াৰ মূল লক্ষ্য আছিল অসমৰ বিভিন্ন প্ৰান্তৰ যুৱ প্ৰজন্মক গেছ প্লাম্বিঙৰ কৌশলগত দিশত প্ৰশিক্ষণেৰে নিপুণ কৰি তোলা। শ্ৰেণীকোঠাৰ শিক্ষাৰ লগতে ব্যৱহাৰিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। ঔদ্যোগিত ক্ষেত্ৰৰ চাহিদা অনুসৰি নিয়োগৰ সুবিধা প্ৰদানৰ ব্যৱস্থাও আছিল এই কাৰ্যসূচীত। অসমৰ ৯খন জিলাৰ ৬০ৰো অধিক প্ৰশিক্ষাৰ্থীয়ে এই কাৰ্যসূচীৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰে। দুটা গোটত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়াৰ পাছত মাজুলীত এই কাৰ্যসূচীৰ সামৰণি পৰে। পাইপলাইন টু পছিবিলিটীজ এম এম জি এল ডি এছৰ ই এটা উল্লেখনীয় কাৰ্যসূচী, যাৰ জৰিয়তে উত্তৰ-পূবৰ মানৱ সম্পদ বিকাশৰ বৃহত্তৰ লক্ষ্যক সফল কৰাৰ প্ৰচেষ্টা চলোৱা হয়। এই কাৰ্যসূচীৰ জৰিয়তে কুশলী যুৱক-যুৱতী আৰু চাকৰিপ্ৰত্যাশীৰ মাজৰ ব্যৱধান হ্ৰাস কৰাৰ বাবে শ্ৰেণীকোঠাৰ শিক্ষাৰ লগতে প্ৰকৃত অপাৰেচনেল পৰিৱেশত তত্ত্বাৱধানৰ অধীনত উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। এই কাৰ্যসূচীৰ সফল সমাপ্তি সম্পৰ্কত মত পোষণ কৰি এম এম জি এল ডিৰ সচিবপ্ৰধান অতুল দেৱ শৰ্মাই কয়, "মোৰ দৃঢ় বিশ্বাস যে পাইপলাইন টু পছিবিলিটীজৰ দৰে কাৰ্যসূচীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ মানৱ সম্পদ বিকাশত অৰ্থপূৰ্ণ অৰিহণা আগবঢ়াবলৈ সক্ষম হ'ব। এই কাৰ্যসূচীয়ে এটা আত্মবিশ্বাসী, ঔদ্যোগিক কাম-কাজৰ বাবে সাজু কৰ্মী দল সৃষ্টিৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ আৰু ইয়াৰ জৰিয়তে উত্তৰ-পূবৰ যুৱ প্ৰজন্মই সুগম জীৱন ধাৰণৰ সুবিধাও লাভ কৰিব। ইফালে এম এল জি এ ডিৰ প্ৰকল্প সঞ্চালক ড° মৌচুমী শৰ্মাই এই সম্পৰ্কত কয় যে এই কাৰ্যসূচীয়ে আমাৰ যুৱ প্ৰজন্মৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ লগতে ঔদ্যোগিক ক্ষেত্ৰত শক্তিশালী শ্ৰম বাহিনী সৃষ্টিত অৰিহণা যোগাব। উল্লেখ্য যে ২০২৫ চনৰ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ ফেব্ৰুৱাৰীলৈ চলা এই ছমহীয়া আৱাসিক প্ৰশিক্ষণত অসমৰ বিভিন্ন জিলাৰ ৬০ৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। তাত্ত্বিক পাঠ্যৰ লগতে গেছ প্লাম্বিঙৰ ব্যৱহাৰিক প্ৰশিক্ষণ আৰু আছাম গেছ কোম্পানীৰ অধীনত তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰছটা অপাৰেচনেল গ্ৰিডত অন- দ্য-জব ট্ৰেইনিং প্ৰদান কৰা হয়। এই পৰ্যায়ভিত্তিক প্ৰশিক্ষণে শ্ৰেণীকোঠাৰ জ্ঞানক পেচাগত কৰ্মক্ষেত্ৰৰ সৈতে সংযোগ স্থাপন কৰে। প্ৰমাণপত্ৰ বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পি এন জি আৰ বিৰ অধ্যক্ষ ড° অনিল কুমাৰ জৈন। তেওঁ কয় যে আগন্তুক দিনত চিজিডি খণ্ডত প্ৰশিক্ষিত প্লাম্বাৰৰ চাহিদা বহুগুণে বৃদ্ধি পাব আৰু এই আঁচনিয়ে অংশগ্ৰহণকাৰী যুৱক-যুৱতীৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। অনুষ্ঠানত নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ বিত্ত সঞ্চালক সচিদানন্দ মহাৰাণা, অসম গেছ কোম্পানী লিমিটেডৰ ব্যৱস্থাপনা সঞ্চালক গোকুল স্বৰ্গীয়াৰী, মাজুলীৰ বিধায়ক ভুৱন গাম, ড° নিৰোদ বৰুৱা সহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গোকুল স্বৰ্গীয়াৰীয়ে প্ৰশিক্ষণ সমাপ্ত কৰা সকলো প্ৰশিক্ষাৰ্থীক প্লাম্বিং টুলকিট প্ৰদান কৰাৰ লগতে কোম্পানীৰ প্ৰয়োজন অনুসৰি কৰ্মসুযোগ দিয়াৰ কথাও ঘোষণা কৰে। এম এম জি এল ডিৰ সচিব-সাধাৰণ অতুল দেৱ শৰ্মাই এন আৰ এলৰ সহায় আৰু সকলো অংশীদাৰৰ সহযোগিতাৰ প্ৰশংসা কৰি প্ৰশিক্ষিত মানৱ সম্পদক উদ্যোগ খণ্ডত কৰ্মসংস্থাপন দিয়াৰ আহ্বান জনায়। প্ৰকল্প সঞ্চালক ড° মৌচুমী শৰ্মাই আঁচনিখনৰ সফল ৰূপায়ণ আৰু শিক্ষাৰ্থীসকলৰ উৎকৃষ্ট প্ৰদৰ্শনত গৌৰৱ প্ৰকাশ কৰে।

# নাজিৰা বিধানসভা সমষ্টিত ভূমি পট্টা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত



**অসমবাৰ্তা, নাজিৰা, ২৭ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি নাজিৰা বিধানসভা সমষ্টিতো অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অন্তৰ্গত মিছন বসুন্ধৰা ৩.০ৰ অধীনত খিলঞ্জীয়া ভূমিহীন পৰিয়ালক ভূমি পট্টা আৰু স্বমিত্ব আঁচনিৰ অধীনত উপাসনাস্থলী, শিক্ষানুষ্ঠান আদিৰ ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ডিজিটেল পট্টা, আবণ্টন, বন্দৱস্তিৰ পত্ৰ আৰু আবণ্টন প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ বিতৰণ কৰা হয়। নাজিৰা এম.চি ক্লাবৰ প্ৰাংগণত, সমজিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা আজিৰ এই পট্টা বিতৰণ কাৰ্য্যসূচীত মুখ্য অতিথি ৰূপে উপস্থিত থাকে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই। সভাৰ আৰম্ভণিতে ধেমাজিৰ দেউৰী বিলত অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আয়োজন কৰা কেন্দ্ৰীয় পট্টা বিতৰণ কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ৬৯২ ভূমিহীন পৰিয়াল তথা সামাজিক প্ৰতিষ্ঠানক ভূমি পট্টা প্ৰদান কৰা হয়। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে নাজিৰা সমজিলাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, নাজিৰা আৰু আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ক্ৰমে চন্দনা বৰুৱা আৰু অৰূপ বিক্ৰমিয়া, নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্তদ্বয় অৰুণাভ সোণোৱাল আৰু পৰ্চিয়া খনিকৰ লগতে নাজিৰা, শিমলুগুৰি আৰু আমগুৰি পৌৰসভাৰ পৌৰপতি ক্ৰমে বৰ্ণালী চেতিয়া, কবিতা মেচ আৰু অনামিকা নেওগ বৈশ্য। তদুপৰি নাজিৰা, আমগুৰি, আঠখেল আৰু চুকাফা জিলা পৰিষদৰ সদস্যা মামু পাটৰ, জিনিটা চাহু, মৌচুমী গগৈ আৰু ৰুবী সন্দিকৈ, নিৰ্বাচিত হিতাধিকাৰী সকল, বিভিন্ন বিভাগ বিষয়া কৰ্মচাৰী সকল, স্থানীয় ৰাইজ, সংবাদকৰ্মী সকল তথা অন্যান্য বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

# যোৰহাটত 'মোচন'ৰ পৰিৱেশ-অনুকূল সমাধানমূলক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী

**অসম বাৰ্তা, আমগুৰি, ২৭ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ৰ আৰ্থিক সহযোগত আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্ত্বাৱধানত যোৰহাট জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন মোচনে ২৫ ফেব্ৰুৱাৰীত যোৰহাটৰ গড়মূৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত "পৰিৱেশ-অনুকূল সমাধানমূলক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী"ৰ আয়োজন কৰে। এই প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীত যোৰহাট জিলাৰ প্ৰায় ৪০খন উচ্চ আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ৮০জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত প্ৰদৰ্শনীখন উদ্বোধন কৰে বিদ্যালয়খনৰ অধ্যক্ষা মালবিকা পূজাৰীয়ে। উদ্বোধনী ভাষণত তেওঁ প্ৰকৃতিৰ সৈতে বন্ধুত্বপূৰ্ণ জীৱনধাৰা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত কেনেদৰে পৰিৱেশ সংৰক্ষণ সম্ভৱ, সেই বিষয়ে বক্তব্য আগবঢ়ায়। সভাত উপস্থিত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কবিতা ফুকন বুঢ়াগোঁহাইয়ে পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি উপযোগী বস্তু নিৰ্মাণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল চিন্তাধাৰা কেনেকৈ বিকশিত কৰিব পাৰি, সেই বিষয়ে আলোকপাত কৰে। উল্লেখযোগ্য যে এই বাৰৰ প্ৰতিযোগিতাৰ মূল বিষয় আছিল পেলনীয়া সামগ্ৰীৰ পৰা ব্যৱহাৰযোগ্য বস্তু নিৰ্মাণ। প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীয়ে নানান অভিনৱ আৰু পৰিৱেশ-অনুকূল মডেল প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে সৰোজিনী দেৱী উচ্চ বালিকা বিদ্যালয়ৰ ইক ক্লাবে। প্ৰতিযোগিতাৰ অন্তত পুৰস্কাৰ বিতৰণী সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত দলসমূহক বিশেষ বঁটা প্ৰদান কৰা হয় আৰু সকলো অংশগ্ৰহণকাৰীক প্ৰশংসাপত্ৰ প্ৰদান কৰা হয়। লগতে পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় শিক্ষা সামগ্ৰীও বিতৰণ কৰা হয়। সভাত "মোচন"ৰ ৰাকেশ লাল মহন্তই অনুষ্ঠানটোৰ সকলো দিশ উল্লেখ কৰি বক্তব্য আগবঢ়ায়।

# শিক্ষক বেতন সুৰক্ষাসহ নিয়মীয়াকৰণ দাবীত ডিব্ৰুগড়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত সভা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড়ত সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন হৈ যায়। ডিব্ৰুগড়ৰ লাহোৱাল ব্লক সমিতিৰ আতিথ্যত "সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজ", ডিব্ৰুগড় জিলা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা ডিব্ৰুগড় সদৰস্থিত "সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি লক্ষিপ্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত এটি সমবেত সংগীত পৰিৱেশনৰে শুভাৰম্ভ হোৱা সভাখনিত সংগঠনৰ বৰ্তমানৰ সাংগঠনিক স্থিতি, সমস্যাসমূহ আৰু আগন্তুক কৰ্মপৰিকল্পনা সন্দৰ্ভত বিশদভাৱে অৱগত কৰি উদ্দেশ্যে ব্যাখ্যা আগবঢায় জিলা সমিতিৰ সম্পাদক দ্বীপজ্যোতি লাহনে। জিলা সমিতিৰ উপ সভাপতি ভৱেন খনিকৰে আঁত ধৰা সভাখনিত কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক চৈতন্য কোঁৱৰে সংগঠনৰ ঐক্য, শিক্ষকসকলৰ দৃঢ় সংকল্প আৰু স্থিতিৰ সম্পৰ্ক তথা সৰ্বশিক্ষাত কৰ্মৰত প্ৰতিজন শিক্ষকে বেতন সুৰক্ষাসহ নিয়মীয়াকৰণ পোৱাৰ দাবীৰে কেন্দ্ৰীয় সমিতিৰ দৃষ্টিভংগী ব্যাখা কৰে। সভাত বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক পাৰ্থ প্ৰতীম গগৈয়ে সৰ্বশিক্ষাত কৰ্মৰত শিক্ষকসকলৰ নাৰ্য প্ৰাপ্যসমূহৰ বৰ্তমানৰ স্থিতি আৰু সংশ্লিষ্ট প্ৰশাসনিক বিষয়সমূহৰ সন্দৰ্ভত বিশদভাৱে অৱগত কৰে আৰু বহুমূলীয়া বক্তব্য আগবঢ়ায়। সভাত জিলাখনৰ দুগৰাকী শিক্ষাগুৰুৰ সন্তানক তেওঁলোকৰ কৃতিত্বপূৰ্ণ সফলতাৰ বাবে জিলা সমিতিৰ তৰফৰ পৰা শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক চন্দ্ৰ নেওগ, কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদিকা সান্তনা বৰা, জিলা সমিতিৰ উপদেষ্টাক্ৰমে উমেশ মহন, ব্ৰহ্মানন্দ বৰুৱা আদিকে ধৰি জিলাখনৰ ছয়টা ব্লকৰ প্ৰায় পাঁচ শতাধিক শিক্ষক উপস্থিত থকা সভাখনিৰ অন্তত বৰ্তমানৰ সাংগঠনিক কাম-কাজৰ পৰ্যালোচনা কৰি বিনাচতে বেতন সুৰক্ষাসহ নিয়মীয়াকৰণ আৰু সৰ্বশিক্ষাত কৰ্মৰত প্ৰতিজন শিক্ষকৰ নাৰ্যপ্ৰাপ্যৰ ক্ষেত্ৰত আপোচবিহীন ভাৱে আগন্তুক কাৰ্যপন্থাৰ সন্দৰ্ভত বিভিন্ন প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উদ্যোক্তা জিলা সমিতিৰ তৰফৰ পৰা শলাগৰ শৰাই আগবঢ়োৱা হয় আৰু সভাপতিৰ মন্তব্যত সংগঠনৰ প্ৰাপ্য অধিকাৰ, বৰ্তমানৰ সাংগঠনিক স্থিতি, ভৱিষ্যৎ কাৰ্যপন্থা আৰু বিভিন্ন সমস্যা-সমাধান বিষয়ক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণত শিক্ষকসকলৰ অবিচ্ছিন্ন সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উপস্থিত শিক্ষাগুৰুসকলৰ সংগঠনৰ সৰ্বাংগীণ উন্নয়ন আৰু সদস্যসকলৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱাৰ বাবে আজিৰ সভাই প্ৰতিশ্ৰুতি ব্যক্ত কৰে।

# শিৱসাগৰত খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠানলৈ ডিজিটেল পট্টা, আবণ্টন, বন্দৱস্তিৰ পত্ৰ আৰু আবণ্টন প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ বিতৰণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাজ্যজুৰি আৰু সমষ্টিভিত্তিত খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠানসমূহৰ সুৰক্ষিত ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ দিশে ডিজিটেল পট্টা, আবণ্টন, বন্দৱস্তিৰ পত্ৰ আৰু আবণ্টন প্ৰস্তাৱ গ্ৰহণৰ পত্ৰ বিতৰণ অনুষ্ঠান আজি শিৱসাগৰ জিলাত বিধানসভা সমষ্টি ভিত্তিত বিতৰণ কৰাৰ কৰা হয়। শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে শিৱসাগৰ ষুৱদলত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ধেমাজিত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। জিলা আয়ুক্ত মৃদুল যাদৱে আজিৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আৰু বিশিষ্ট অতিথি হিচাপে বক্তব্য ৰাখে থাওৱা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে। আজিৰ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত



(ৰাজহ) লুকুমণি বড়া, সহকাৰী আয়ুক্ত চন্দনা জাহ্নবী, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নেকিব চাঈদ বৰুৱা, সহকাৰী আয়ুক্ত গণেশ চন্দ্ৰ বড়ো, শিৱসাগৰ পৌৰসভাৰ সভানেত্ৰী মৃণালী কোঁৱৰ প্ৰমুখ্যে আমন্ত্ৰিত বিশিষ্ট অতিথি, প্ৰশাসনিক আৰু বিভাগীয় বিষয়া-কৰ্মচাৰী তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

লাহৰীঘাটবাসীয়ে বিচাৰিছে নতুন মুখৰ সন্ধান

# বিধায়ক আছিফ নাজাৰৰ বিৰুদ্ধে প্ৰতিষ্ঠান বিৰোধী ঢৌ

**অসম বাৰ্তা, লাহৰীঘাট, ২৭ ফেব্ৰুৱাৰী ঃ** সমাগত বিধান সভা নিৰ্বাচন। ৰাজ্যৰ প্ৰতিটো সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে মধ্য অসমৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ দুৰ্গ বুলি খ্যাত পূৰ্বৰ ৮১ নং আৰু বৰ্তমানৰ ৫৩ নং বিধানসভা সমষ্টিও ব্যতিক্ৰম নহয়। লাহৰীঘাট সমষ্টিটো ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ লগতে এআইইউডিএফ দলেও নিজৰ ভেটি শক্তিশালী কৰি নিৰ্বাচনী বৈতৰণী পৰা হ'বলৈ ব্যাপক তৎপৰতা দেখুওৱা পৰিলক্ষিত হৈছে। বিগত ৪৭ বছৰ ধৰি প্ৰয়াত প্ৰাক্তন প্ৰতাপী মন্ত্ৰী ডাঃ নজৰুল ইছলামৰ লগতে তেখেতৰ পৰিয়ালৰ হাতত থকা সমষ্টিটোত আগন্তুক নিৰ্বাচনত স্থানীয় ৰাইজে বিচাৰিছে নতুন মুখ। আগন্তুক বিধান সভা নিৰ্বাচনত ভাৰতী জাতীয় কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থীত্ব বিচাৰি ইতিমধ্যে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনত আবেদন দাখিল কৰিছে প্ৰয়াত প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলাম পুত্ৰ তথা বৰ্তমানৰ বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ইমদাদ হুছেইন, বিশিষ্ট চিকিৎসক তথা প্ৰদেশ কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ সাধাৰণ সম্পাদক ডাঃ ফৰিদুল হুছেইনৰ লগতে মৈৰাবাৰী অঞ্চলৰ বিশিষ্ট সাংবাদিক নেকিবুৰ ৰহমান হাজৰিকাই। এই চাৰি গৰাকী প্ৰাৰ্থীত্বৰ দাবীদাৰ ভিতৰত সমষ্টিটোৰ চোকে কোনে ব্যাপক চৰ্চা চলিছে বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইনৰ নাম। সমষ্টিটোৰ যুৱ সমাজৰ পৰা আৰম্ভ কৰি সকলো পৰ্য্যায়ৰ ভোটাৰৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে বিশিষ্ট চিকিৎসক গৰাকীয়ে। সকলোৰে এক মুখে বিচাৰিছে ডাঃ ফৰিদুল হুছেইনক বিধায়ক হিচাবে। বিগত ৪৭টা বছৰ ধৰি একেটা পৰিয়ালৰ হাতত থকা হেতুকে সমষ্টিটোৰ আজিলৈ কোনো সমস্যা সমাধান নহ'ল। সমষ্টিটোত নাই ভাল ৰাস্তা-ঘাট, নাই কোনো উন্নত মানৰ চিকিৎসা ব্যৱস্থা, আজিলৈ সমষ্টিত স্থাপন নহ'ল কলা-বাণিজ্য আৰু বিজ্ঞান শাখাৰ কোনো এখন কলেজ। ৪৭ বছৰীয়া পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ উপহাৰ স্বৰূপে সমষ্টিবাসীয়ে লাভ কৰিছেব্ৰহ্মপুত্ৰৰ খহনীয়া। খহনীয়াত ভেটি-মাটি হেৰুৱাইছে হেজাৰ হেজাৰ পৰিয়ালে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কৱলত পৰি সৰ্বস্বান্ত হৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত জীয়াই থকাৰ তাড়নাত অস্থায়ীভাৱে বসবাস কৰি আছে অজস্ৰ পৰিয়ালে। কিছু লোক কোনোবা মথাউৰিৰ কাষতে অতি কষ্টৰে জীৱন-যাপন কৰিব লগা হৈছে। ইপিনে সমষ্টিটোৰ সমস্যা এশ এবুৰি। আজিলৈ সমাধান নহ'ল সমস্যা সমূহ। নিৰ্বাচন আহে আৰু যায়, মন্ত্ৰী-বিধায়ক হয় ঠিকেই, কিন্তু সমস্যা সমাধানৰ চিন্তা নকৰিলে কোনো মন্ত্ৰী-বিধায়কে। উল্লেখ্য যে, সমষ্টিটোৰ পৰা প্ৰয়াত প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলামৰ জেষ্ঠ্য ভাতৃ প্ৰয়াত আবুল কাশ্বেমে ১৭ বছৰ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছিল। পৰবৰ্তী সময়ত ১৯৯৬ চনৰ বিধান সভা নিৰ্বাচনত প্ৰয়াত প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলামে কংগ্ৰেছৰ প্ৰাৰ্থীত্ব লাভ কৰি নিৰ্বাচিত হৈ প্ৰথমবাৰ বাবে বিধায়ক হয়। ইয়াৰ পিছত একেৰাহে ২০১৬ চনৰ বিধান সভা নিৰ্বাচনলৈ কংগ্ৰেছৰ পৰা প্ৰাৰ্থীত্ব লাভ কৰি পাঁচবাৰকৈ নিৰ্বাচিত হৈ ২০২১ চনলৈ বিধায়ক হিচাবে সমষ্টিটোত প্ৰতিনিধিত্ব কৰে। তেখেতৰ পাঁচবাৰৰ বিধায়কৰ কাৰ্যকালৰ তিনিবাৰ কেবিনেট পৰ্যায়ৰ মন্ত্ৰিত্বও লাভ কৰিছিল। তেখেতে অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগ দপ্তৰৰ লগতে সংখ্যালঘু বিভাগ, হজ আদি দপ্তৰৰ উপৰিও কিছুদিনৰ কাৰণে স্বাস্থ্য বিভাগৰ মন্ত্ৰিত্বও লাভ কৰিছিল। ২০২১ ৰ নিৰ্বাচনত তেখেতৰ স্বাস্থ্যজনিত কাৰণত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে তেখেতৰ পুত্ৰ ডাঃ আচিফ মহম্মদ নাজাৰক প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ কৰাই আৰু তেখেতৰ অনুৰোধত ৰাইজে পুত্ৰ ডাঃ আচিফ মহম্মদ নাজাৰক বিধায়ক হিচাপে নিৰ্বাচিত কৰে। বৰ্তমান লাহৰীঘাট সমষ্টিত বিধায়ক আছিফ নাজাৰে প্ৰতিনিধিত্ব কৰি আছে। কিন্তু সমষ্টিবাসীৰ আক্ষেপ! বিগত ৪৭ বছৰ ধৰি একেটা পৰিয়ালে প্ৰতিনিধিত্ব কৰি আছে যদিও সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত তেখেত সকলে যিমান চেষ্টা কৰিব লাগিছিল, সেয়া দেখিবলৈ পোৱা নাই সমষ্টিবাসীয়ে। সমষ্টিবাসীৰ অভিযোগ - তেওঁলোকৰ পৰিয়ালে কেৱল নিজৰ স্বাৰ্থৰ বাবেই ইমান দিন জন-প্ৰতিনিধি হ'ল কিন্তু সমষ্টিৰ সমস্যা সমূহৰ সমাধানৰ চিন্তা নকৰিলে। ৪৭ বছৰে শাসনৰ নামত কেৱল নিজে পাহাৰ সম ধন ঘটিলে, ডাঙৰ ডাঙৰ অট্টালিকা সাজিলে, বিলাসী জীৱন যাপন কৰিলে কিন্তু সমষ্টিবাসী বাবে এখন ভাল কলেজ, উন্নত চিকিৎসালয় বা ভাল ৰাস্তা-ঘাট নবনালে। উল্লেখ্য যে, লাহৰীঘাটৰ পৰা মৰিগাঁও সদৰ সংযোগী ৰাস্তাৰ অৱস্থা আজিৰ দিনতো অতি জৰাজীৰ্ণ। ৩০ মিনিটৰ বাট যাবলৈ লাগে ১ ৰ পৰা ২ ঘণ্টা। সেয়ে সমষ্টিবাসীয়ে আগন্তুক বিধানসভা নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ পৰা বিচাৰিছে নতুন প্ৰাৰ্থী। পৰিয়াল কেন্দ্ৰিক শাসনৰ পৰা এইবাৰ সমষ্টিবাসীয়ে বিচাৰিছে পৰিত্ৰাণ। সমষ্টিটোৰ সৰ্বত্ৰে বিধায়ক আছিফ নাজাৰৰ বিৰুদ্ধে সৰৱ হৈছে সাধাৰণ ভোটাৰ ৰাইজ। বিধায়ক আছিফ নাজাৰৰ বিৰুদ্ধে উত্থাপিত হৈছে প্ৰতিষ্ঠান বিৰোধী ঢৌ। সমান্তৰালভাৱে দিনক দিনে জনপ্ৰিয়তা বৃদ্ধি পাইছে সমষ্টিটোৰ নতুন মুখ বিশিষ্ট শল্য চিকিৎসক ডাঃ ফৰিদুল হুছেইনৰ। সমষ্টিটোৰ প্ৰতিটো অঞ্চলৰ ৰাইজৰ লগতে কংগ্ৰেছৰ বহু নবীন-প্ৰবীণ নেতা-কৰ্মীয়ে বিছাৰিছে বিশিষ্ট চিকিৎসক গৰাকীক। উল্লেখ্য যে, বিগত পঞ্চায়ত নিৰ্বাচনত সমষ্টিটোৰ মুঠি চাৰি জিলা পৰিষদৰ পৰা নিৰ্বাচিত তিনি জিলা পৰিষদৰ সদস্যৰ লগতে অতি কম ভোটৰ ব্যৱধান পৰাজয় হোৱা জিলা পৰিষদৰ প্ৰাৰ্থীয়েও বিধায়ক ডাঃ আচিফ মঃ নাজাৰৰ সংগ এৰি বিকল্প প্ৰাৰ্থী বিচাৰি ডাঃ ফৰিদুল হুছেইনৰ সমৰ্থনত ওলাই আহিছে। বিগত পঞ্চায়ত নিৰ্বাচন বিধায়ক আছিফ নাজাৰে কংগ্ৰেছ দলৰ জিলা পৰিষদৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰৰ বিপৰীতে পৰাজয় কৰাবলৈ ধনবল-বাহুবল প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন হৈছিল। লগতে বিধায়কজনে সমষ্টিটোৰ বহু প্ৰবীণ নেতা-কৰ্মীক সন্মান আৰু গুৰুত্ব নিদিয়াৰ অভিযোগ সৰ্বজন বিদিত। বিধায়ক গৰাকীৰ এনে বহু কাৰ্য-কলাপত বহু কংগ্ৰেছী নেতা-কৰ্মীয়ে তেওঁৰ সংগ এৰি নতুন প্ৰাৰ্থীত্ব প্ৰত্যাশী ডাঃ ফৰিদুল হুছেইনক সমৰ্থন জনাইছে। উল্লেখ্য যে, মধ্য অসমৰ কংগ্ৰেছৰ দূৰ্গ বুলি খ্যাত লাহৰীঘাট বিধান সভা সমষ্টিত ২০২১ ৰ নিৰ্বাচনত বিধায়ক আছিফ মহম্মদ নাজাৰে প্ৰতিদ্বন্দ্বিতা নিৰ্দলীয় প্ৰাৰ্থী ছিদ্দিক আহমেদৰ লগত মাত্ৰ ২০২৮টা ভোটাৰ ব্যৱধান জয় লাভ কৰিছিল। ইপিনে বিধায়ক গৰাকীৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন কৰি সমষ্টিটোৰ জিলা পৰিষদ সদস্যৰ লগতে বহু নেতা-কৰ্মীয়ে তেওঁৰ সংগ এৰাৰ লগতে সমষ্টি পুনঃনিৰ্ধাৰণত নতুনকৈ ৬খন গাঁও পঞ্চায়ত সংযোগ হোৱাত বিধায়ক আছিফ নাজাৰে কংগ্ৰেছ দূৰ্গ বুলি খ্যাত লাহৰীঘাট সমষ্টি ধৰি ৰখাটো অসম্ভৱ হ'ব বুলি অনুমান কৰিব পাৰি। আনহাতে সমষ্টিটোৰ গৰিষ্ঠ সংখ্যক ৰাইজে আগন্তুক নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ পৰা অৱসান বিচাৰি বিকল্প নতুন মুখৰ সন্ধান বিচৰাটোও ৰাজনৈতিক মহলত ব্যাপক তাৎপৰ্য বহন কৰিছে।

## কীৰ্তন ঘোষা কেৱল ধৰ্মগ্ৰন্থই নহয়, জাতীয় গ্ৰন্থও

# টংলাত সাধু সেৱক সন্মিলনী অসমৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ফেব্ৰুৱাৰী ঃ** কীৰ্তন ঘোষা কেৱল এখন ধৰ্মগ্ৰন্থই নহয়, ই এখন জাতীয় গ্ৰন্থও। কীৰ্তন ঘোষাৰ মহত্ত্ব সম্পৰ্কে ব্যাখ্যা কৰিবলৈ গৈ এইদৰে কয় কচুবাৰী হাইস্কুলৰ শিক্ষক গণেশ ৰাভা বৈষ্ণৱীয়ে। সাধু সেৱক সন্মিলনী অসমৰ ৭৪ সংখ্যক আৰু মাতৃ সাধু সেৱিকা সন্মিলন অসমৰ ৩য় বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত ৰাভাই আৰু কয় ঃ ঈৰ্ষা, অহংকাৰ, অভিমান থাকিলে ঈশ্বৰৰ সান্নিধ্য পোৱা নাযায়, ঈশ্বৰৰ ওচৰ চাপিব নোৱাৰি। যোৱা ২১ আৰু ২২ ফেব্ৰুৱাৰী তাৰিখে ওদালগুৰি জিলাৰ টংলাৰ পূব প্ৰান্তৰ পুৰন্দিয়া আঞ্চলিক শিৱ মন্দিৰ প্ৰাংগনত সাধু সেৱক সন্মিলনী অসমৰ সভাপতি আচাৰ্য কমলা বড়া বৈষ্ণৱৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশনৰ মুকলি সভা উদ্বোধন কৰে অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাসে। কৰেন বৈষ্ণৱ আৰু সংগীসকলে পৰিৱেশন কৰা কীৰ্তনেৰে আৰম্ভ হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনীৰ সম্পাদক শৰণাচাৰ্য গোবিন্দ শৰণীয়া বৈষ্ণৱে। সভাত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঐশ্বৰীয় বিশ্ববিদ্যালয়ৰ মাতা মাধৱী দেৱী আৰু আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে। সভাত সন্মিলনীৰ উপ-সভাপতিদ্বয় অজিত ৰাভা আৰু খৰ্গেন হীৰা, বিটিচিৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, সন্মিলনীৰ মাতৃ গোটৰ সভানেত্ৰী সোণেশ্বৰী নাথ আৰু সম্পাদিকা আৰাধিকা দেৱী, টংলা মহাবিদ্যালয়ৰ অধ্যাপক ড° সোমেশ্বৰ বড়ো, বনগাঁও ভিচিদিচিৰ চেয়াৰমেন হৰেশ্বৰ ডেকা, ওদালগুৰি জিলা সাধু সেৱক সন্মিলনীৰ সভাপতি ভৰত কলিতা, সম্পাদক অপূৰ্ব বড়া, বাতিৰাম বৈষ্ণৱ আদি বিশিষ্ট ব্যক্তি উপস্থিত আছিল। আদৰণী ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি ধন চন্দ্ৰ ডেকাই। মুকলি সভাত নাগাৰা নামৰ পাঠক শশীপ্ৰভা বনিয়া আৰু চাৰু চহৰীয়াক অভ্যৰ্থনা সমিতিয়ে সম্বৰ্ধনা জনায়। সন্মিলনীয়ে কামৰূপৰ সূৰ্য দাস বৈষ্ণৱ আৰু নগেন ডেকা বৈষ্ণৱক আচাৰ্য উপাধি আৰু ওদালগুৰিৰ যুগল কিশোৰ আৰু মৰিগাঁৱৰ বিদ্যাধৰ বৈষ্ণৱক বৈষ্ণৱ উপাধি প্ৰদান কৰে। সভাৰ মাজতে দুটি ভক্তিমূলক গীত পৰিৱেশন কৰে পুৰন্দিয়া প্ৰাথমিক বিদ্যালয় আৰু গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। পুৱা কুলেন ডেকাই বন্তি প্ৰজ্বলন কৰাৰ পিছতে মূল ধৰ্মধ্বজা উত্তোলন কৰে সন্মিলনীৰ সভাপতি কমলা বড়া বৈষ্ণৱে। লগে লগে আন ৭৩খন ধ্বজা বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা উত্তোলন কৰা হয়। শোণিতপুৰ, মৰিগাঁও, হাইলাকান্দি, কামৰূপ (গ্ৰাম্য), নলবাৰী, তামোলপুৰ, দৰং, ওদালগুৰি, বাক্সা মুঠ ন-খন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই অধিৱেশনৰ প্ৰথম দিনা ২১ ফেব্ৰুৱাৰীৰ পুৱা শিৱমন্দিৰ পৰিচালনা সমিতিৰ পূজাৰী দুৰ্গা বৈষ্ণৱে বন্তি প্ৰজ্বলন কৰে। গাঁওবুঢ়া পঞ্চানন ডেকা, তপন বৰুৱা, যুগল কিশোৰ, পীতাম্বৰ ডেকা, দিনেশ্বৰী বড়াই বৃক্ষৰোপণ কৰাৰ পিছত মুখ্যদ্বাৰ উন্মোচন কৰে ৰুদ্ৰাক্ষী বনিয়াই। যোগেশ্বৰ ৰাভাই গীতা পাঠ কৰাৰ পিছত আয়তীৰ নাম-প্ৰসংগ হয়। সন্ধিয়া প্ৰতিনিধি শিবিৰ মুকলি কৰে কামৰূপ জিলা সাধু সেৱক সন্মিলনীৰ সভাপতি পদ্ম কলিতাই। উদ্বোধন কৰে দৰং জিলা সাধু সেৱক সন্মিলনীৰ প্ৰেমানন্দ বড়াই। ধৰ্মীয় আলোচনা চক্ৰত অংশগ্ৰহণ কৰে সন্মিলনীৰ সহঃসম্পাদক কুশল বৈষ্ণৱ আৰু মাতৃ সন্মিলনীৰ সম্পাদিকা আৰাধিকা দেৱীয়ে।

# বিকশিত ভাৰতৰ সপোন আৰু থলুৱা

# বিকশিত ভাৰতৰ সপোন আৰু থলুৱা

তথ্য-প্ৰযুক্তি, চিকিৎসা বিজ্ঞানৰ পৰা কৃত্ৰিম বুদ্ধিমত্তালৈকে— প্ৰত্যেক ক্ষেত্ৰতে ভাৰতীয় বিজ্ঞানী আৰু প্ৰযুক্তিবিদ সকলৰ অৱদানে বিশ্বমঞ্চত দেশখনৰ মৰ্যাদা বৃদ্ধি কৰিছে। দেশৰ ভৌগোলিক সীমা অতিক্ৰম কৰি ভাৰতীয় মেধাৰ জয়গান আজি বিশ্বৰ চুকে-কোণে অনুৰণিত হৈছে। আমাৰ দেশ ভাৰতবৰ্ষত এই যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণ হিচাপে আজি ২৮ ফেব্ৰুৱাৰী তাৰিখে সমগ্ৰ দেশজুৰি 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' পালন কৰা হ'ব। এই বিশেষ দিনটোৱে দেশৰ ভৱিষ্যত প্ৰজন্মৰ মনত যুক্তিবাদী চিন্তা আৰু অন্বেষণৰ বীজ সিঁচি দিবলৈ নিশ্চিতভাৱে সক্ষম হ'ব। চলিত বৰ্ষৰ বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু— 'বিকশিত ভাৰতৰ বাবে থলুৱা প্ৰযুক্তি'— এই ধাৰণাটোৱে এক গভীৰ তাৎপৰ্য বহন কৰিছে। ই স্পষ্ট কৰিছে যে- ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন পূৰ্ণ বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে আমি আন দেশৰ প্ৰযুক্তিৰ মুখাপেক্ষী হৈ থকাতকৈ নিজৰ থলুৱা জ্ঞান আৰু সম্পদৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়াটো অতি প্ৰয়োজনীয়।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস প্ৰতি বছৰে ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে সমগ্ৰ ভাৰতত উদ্‌যাপন কৰা হয়। এই দিনটো প্ৰখ্যাত ভাৰতীয় পদাৰ্থবিজ্ঞানী চি ভি ৰমনৰ দ্বাৰা আৱিষ্কৃত 'ৰমন পৰিঘটনা'ক স্মৰণ কৰি পালন কৰা হয়। ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীত বিশ্ববিখ্যাত ভাৰতীয় পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনে তেওঁৰ যুগান্তকাৰী আৱিষ্কাৰ 'ৰমন পৰিঘটনা' (Raman Effect) ঘোষণা কৰিছিল। তেওঁ দেখুৱাই দিছিল যে- পোহৰৰ এটা অংশ যেতিয়া কোনো এটা তৰল বা গেছীয় মাধ্যমৰ মাজেৰে পাৰ হৈ যায়, তেতিয়া পোহৰৰ কিছু অংশ সিঁচৰিত হয় আৰু ইয়াৰ ফলত পোহৰৰ তৰংগ দৈৰ্ঘ্য তথা কম্পনাংকৰ পৰিৱৰ্তন ঘটে। এই অসাধাৰণ অৱদানৰ বাবে তেওঁ ১৯৩০ চনত পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা লাভ কৰে আৰু বিজ্ঞানৰ ক্ষেত্ৰত ন'বেল লাভ কৰা প্ৰথম এছীয়ান হিচাপে বিশ্বমঞ্চত ভাৰতৰ গৌৰৱ বৃদ্ধি কৰে।

১৯৮৬ চনত ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা যোগাযোগ পৰিষদ ( National Council for Science and Technology Communication-NCSTC)-এ ভাৰত চৰকাৰৰ ওচৰত ২৮ ফেব্ৰুৱাৰীক ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। চৰকাৰে এই প্ৰস্তাৱ অনুমোদন কৰাৰ পিছত ১৯৮৭ চনৰ ২৮ ফেব্ৰুৱাৰীত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। তেতিয়াৰ পৰা প্ৰতিবছৰে দেশজুৰি বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু বিভিন্ন শৈক্ষিক, বৈজ্ঞানিক, কাৰিকৰী, চিকিৎসা আৰু গৱেষণা প্ৰতিষ্ঠান সমূহত এই দিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। প্ৰতি বছৰেই ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা যোগাযোগ পৰিষদে (NCSTC) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা জনপ্ৰিয়কৰণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ব্যক্তি বা প্ৰতিষ্ঠানক 'ৰাষ্ট্ৰীয় বিজ্ঞান জনপ্ৰিয়কৰণ বঁটা' প্ৰদান কৰি সন্মান জনায়।

এই দিৱসৰ মুখ্য উদ্দেশ্য হৈছে সমাজত বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা, বিজ্ঞানৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা আৰু গৱেষণামূলক চিন্তাধাৰাক উৎসাহিত কৰা। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসে ভাৰতৰ প্ৰতিগৰাকী বিজ্ঞানীৰ অৱদানক ৰাজহুৱাভাৱে সন্মান জনোৱাৰ এক মহৎ মঞ্চ প্ৰদান কৰে। লগতে এই দিৱসে যুৱ প্ৰজন্মক বিজ্ঞান, গণিত আৰু গভীৰ গৱেষণাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিবলৈ বিশেষভাৱে সহায় কৰে। ই সমাজত বৈজ্ঞানিক আৰু সমালোচনামূলক চিন্তাধাৰাৰ বিকাশ ঘটাই অন্ধবিশ্বাসৰ পৰিৱৰ্তে যুক্তি আৰু প্ৰমাণৰ আধাৰত সত্যক গ্ৰহণ কৰিবলৈ শিক্ষা দিয়ে। এই দিনটো চৰকাৰী বন্ধ হিচাপে পালন কৰা নহয়। তাৰ বিপৰীতে দেশৰ প্ৰতিখন বিদ্যালয়, মহাবিদ্যালয় আৰু উচ্চ শিক্ষানুষ্ঠানত ইয়াক এক গুৰুত্বপূৰ্ণ শিক্ষামূলক আৰু সাংস্কৃতিক দিৱস হিচাপে নানা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়।

বৰ্তমান সময়ত 'থলুৱা প্ৰযুক্তি'ৰ ধাৰণাটোৱে ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ সপোনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। অতীতত ভাৰতে বহু গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ বাবে বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল যদিও বৰ্তমানৰ 'বিকশিত ভাৰত'ৰ লক্ষ্যই আমাক শিকাইছে যে প্ৰকৃত শক্তি নিহিত থাকে নিজৰ উদ্ভাৱনী ক্ষমতাৰ মাজত। থলুৱা প্ৰযুক্তি কেৱল আৰ্থিক লাভালাভৰ বাবেই নহয়, ই দেশৰ নিৰাপত্তা আৰু সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰো এক আমোঘ অস্ত্ৰ। যেতিয়া এটা প্ৰযুক্তি নিজৰ দেশৰ মাটি আৰু জলবায়ুৰ সৈতে সংগতি ৰাখি গঢ়ি উঠে, তেতিয়া ই মেধা শক্তিৰ বহিঃগমন ৰোধ কৰাৰ লগতে নিযুক্তিৰো বিপুল সম্ভাৱনা মুকলি কৰে। থলুৱা প্ৰযুক্তিৰ অৰ্থ হ'ল— আমাৰ দেশৰ মাটি, পানী আৰু জলবায়ুৰ সৈতে সংগতি ৰাখি আমাৰ বিজ্ঞানীসকলে দেশৰ সম্পদ ব্যৱহাৰ কৰি সমাধান উলিওৱা। ই কেৱল আৰ্থিক দিশৰ পৰাই লাভজনক নহয়, বৰঞ্চ ই দেশৰ নিৰাপত্তা আৰু সাৰ্বভৌমত্বকো সুৰক্ষিত কৰে। যেতিয়া এটা প্ৰযুক্তি নিজ দেশত গঢ়ি উঠে, তেতিয়া ই দেশৰ হাজাৰ হাজাৰ যুৱক-যুৱতীক নিয়োগৰ সুযোগ দিয়ে আৰু মেধা শক্তিৰ বহিঃগমন ৰোধ কৰাত সহায় কৰে।

মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো) আজি সমগ্ৰ বিশ্বৰ বাবে এক বিস্ময়। ভাৰতৰ এই যাত্ৰা আৰম্ভ হৈছিল অতি সাধাৰণ ভাৱে, য'ত ৰকেটৰ অংশ চাইকেলেৰে কঢ়িয়াই নিয়া হৈছিল। কিন্তু আজি ভাৰতে নিজৰ থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি চন্দ্ৰৰ দক্ষিণ মেৰুত ত্ৰিৰংগা উৰুৱাবলৈ সক্ষম হৈছে। চন্দ্ৰযান-৩ৰ সফলতা আছিল সম্পূৰ্ণৰূপে থলুৱা প্ৰযুক্তিৰ জয়গান। ইয়াৰ উপৰি সূৰ্যৰ ওপৰত গৱেষণা কৰিবলৈ প্ৰেৰণ কৰা 'আদিত্য-এল ১' আৰু মংগলযান অভিযানে প্ৰমাণ কৰি দিছে যে- ভাৰতীয় মেধা কোনো গুণেই কম নহয়। আটাইতকৈ আশাব্যঞ্জক কথাটো হ'ল, ভাৰতে অতি কম খৰচত মহাকাশ অভিযান চলাই বিশ্বৰ উন্নত দেশসমূহকো চেৰ পেলাইছে। আজি আমেৰিকা বা ইউৰোপৰ দৰে উন্নত দেশ সমূহেও নিজৰ উপগ্ৰহ নিক্ষেপৰ বাবে ভাৰতৰ ওপৰত আস্থা প্ৰকাশ কৰে। এই স্বাৱলম্বীতা কেৱল বিজ্ঞানৰ জয় নহয়, ই 'বিকশিত ভাৰত'ৰ আত্মবিশ্বাসৰো প্ৰতীক।

চিকিৎসা বিজ্ঞান আৰু দৰৱ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ অৱদান আজি অনস্বীকাৰ্য। ভাৰতক 'বিশ্বৰ ফাৰ্মাচী' ( Pharmacy of the World ) বুলি কোৱা হয় কাৰণ বিশ্বৰ বৃহৎ সংখ্যক প্ৰতিষেধক আৰু দৰৱ ভাৰততে প্ৰস্তুত হয়। ক'ভিড-১৯ মহামাৰীৰ সময়ত যেতিয়া সমগ্ৰ বিশ্ব স্তব্ধ হৈ পৰিছিল, তেতিয়া ভাৰতে নিজৰ থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি 'কোভাক্সিন'ৰ দৰে ফলপ্ৰসূ প্ৰতিষেধক উদ্ভাৱন কৰিছিল। এই সফলতাই দেখুৱাই দিলে যে- সংকটৰ সময়ত ভাৰতে কাৰো সহায় নোলোৱাকৈ নিজৰ নাগৰিকক সুৰক্ষিত কৰিব পাৰে। কেৱল প্ৰতিষেধকেই নহয়, কেন্সাৰ বা হৃদৰোগৰ দৰে দুৰাৰোগ্য ব্যাধিৰ বাবেও কম খৰচত কাৰ্যকৰী দৰৱ আৰু আধুনিক চিকিৎসা সঁজুলি ভাৰততে নিৰ্মাণ কৰা হৈছে। এই থলুৱা প্ৰযুক্তিয়ে দেশৰ স্বাস্থ্য ব্যৱস্থাক অধিক সুলভ আৰু জনমুখী কৰি তুলিছে।

ভাৰতৰ দৰে কৃষি নিৰ্ভৰশীল দেশ এখনৰ বাবে কৃষি প্ৰযুক্তিত স্বাৱলম্বী হোৱাটো অতি জৰুৰী। আগৰ দিনত খেতিয়ক সকলে সম্পূৰ্ণৰূপে প্ৰকৃতি আৰু পুৰণি পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। কিন্তু বৰ্তমান থলুৱা কৃষি যন্ত্ৰপাতিৰ ব্যৱহাৰে এক বিপ্লৱৰ সূচনা কৰিছে। সৌৰ শক্তি চালিত পাম্প, জিপিএছ যুক্ত ট্ৰেক্টৰ আৰু শস্যৰ স্থিতি নিৰীক্ষণ কৰিব পৰা থলুৱা ড্ৰোণ প্ৰযুক্তিয়ে কৃষি কাৰ্যক আধুনিক ৰূপ দিছে। তদুপৰি, জৈৱ প্ৰযুক্তি ব্যৱহাৰ কৰি জলবায়ুৰ পৰিৱৰ্তন সহ্য কৰিব পৰা আৰু অধিক উৎপাদনশীল বীজ আমাৰ দেশৰ বিজ্ঞানী সকলে উদ্ভাৱন কৰিছে। ই কেৱল খেতিয়কৰ আয় বৃদ্ধি কৰাই নহয়, বৰঞ্চ দেশৰ বিশাল জনসংখ্যাৰ বাবে খাদ্য সুৰক্ষাও সুনিশ্চিত কৰিছে। কৃষি খণ্ডত থলুৱা প্ৰযুক্তিৰ প্ৰয়োগে গাঁৱৰ অৰ্থনীতি সবল কৰাৰ লগতে 'বিকশিত ভাৰত'ৰ ভেটি মজবুত কৰিছে।

দেশৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত থলুৱা প্ৰযুক্তিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। পূৰ্বে ভাৰতে বৃহৎ পৰিমাণৰ যুদ্ধাস্ত্ৰ বিদেশৰ পৰা ক্ৰয় কৰিছিল, যিয়ে দেশৰ অৰ্থনীতিত বোজা সৃষ্টি কৰিছিল। কিন্তু এতিয়া 'মেক ইন ইণ্ডিয়া' আঁচনিৰ অধীনত ভাৰতে নিজাকৈ 'তেজছ'ৰ দৰে যুঁজাৰু বিমান, 'অগ্নি' আৰু 'পৃথিৱী'ৰ দৰে শক্তিশালী মিছাইল আৰু 'আই এন এছ বিক্ৰান্ত'ৰ দৰে বিশাল যুদ্ধ জাহাজ নিৰ্মাণ কৰিছে। এইবোৰে ভাৰতৰ প্ৰতিৰক্ষা শক্তিক বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ কৰি তুলিছে। আনহাতে, ডিজিটেল জগতত ভাৰতৰ 'ইউ-পি-আই' (UPI) ব্যৱস্থা আজি বিশ্বৰ বাবে এক আদৰ্শ। সম্পূৰ্ণ থলুৱা পদ্ধতিৰে গঢ়ি তোলা এই লেনদেন ব্যৱস্থাই গাঁৱৰ সৰু দোকানীজনৰ পৰা চহৰৰ ডাঙৰ 'মল'লৈকে সকলোকে একেটা সূতাৰে বান্ধি পেলাইছে। ইয়াৰ দ্বাৰা অৰ্থনৈতিক স্বচ্ছতা বৃদ্ধি পাইছে আৰু দেশ ডিজিটেল সবলীকৰণৰ দিশত অগ্ৰসৰ হৈছে।

ইমানবোৰ সফলতাৰ পাছতো আমাৰ বাবে কিছুমান প্ৰত্যাহ্বান এতিয়াও ৰৈ গৈছে। থলুৱা প্ৰযুক্তিক অধিক জনপ্ৰিয় কৰিবলৈ হ'লে গৱেষণা আৰু উন্নয়ন খণ্ডত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ পুঁজি বিনিয়োগ আৰু অধিক বৃদ্ধি কৰিব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাত বিজ্ঞানক কেৱল কিতাপৰ পাঠ কৰি নাৰাখি ইয়াক পৰীক্ষাগাৰৰ পৰা পথাৰলৈ নিব লাগিব। সমাজত সমালোচনামূলক মনোভাৱ গঢ়ি তোলাৰ বাবে তৃণমূল পৰ্যায়ৰ উদ্ভাৱক সকলক চিনাক্ত কৰি তেওঁলোকক সঠিক মঞ্চ আৰু আৰ্থিক সহায় প্ৰদান কৰাটো অতি প্ৰয়োজন। আমাৰ দৰে ৰাজ্যত বানপানী বা খহনীয়াৰ দৰে চিৰস্থায়ী সমস্যাৰ সমাধানৰ বাবেও থলুৱা উদ্ভাৱনী চিন্তাৰ প্ৰয়োগ কৰাটো জৰুৰী। ইয়াৰ উপৰি, কৃত্ৰিম বুদ্ধিমত্তা আৰু নবীকৰণযোগ্য শক্তিৰ দৰে নতুন ক্ষেত্ৰ সমূহতো আমি থলুৱাভাৱে আগুৱাই যাব লাগিব। সমাজৰ প্ৰতিটো স্তৰত বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰ ঘটিলেহে থলুৱা উদ্ভাৱনে এক সামাজিক আন্দোলনৰ ৰূপ ল'ব পাৰিব।

পৰিশেষত কব পাৰি যে-প্ৰযুক্তি কেৱল এক যান্ত্ৰিক আহিলা নহয়, ই হ'ল জাতিৰ প্ৰাণশক্তি। থলুৱা প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা ভাৰত হ'ব এখন শক্তিশালী, স্বাৱলম্বী আৰু মৰ্যাদাপূৰ্ণ ৰাষ্ট্ৰ। 'বিকশিত ভাৰত'ৰ সপোন বাস্তৱায়িত কৰিবলৈ হ'লে আমি আমাৰ বিজ্ঞানী, অভিযন্তা আৰু উদ্ভাৱকসকলক উপযুক্ত পৰিৱেশ দিব লাগিব। আজিৰ এই বিজ্ঞান দিৱসত আমাৰ সংকল্প হোৱা উচিত যে- আমি কেৱল বিজ্ঞানৰ ব্যৱহাৰকাৰীয়েই নহয়, বিজ্ঞানৰ স্ৰষ্টা হোৱাটোহে আমাৰ লক্ষ্য। যি সময়ত ভাৰতবৰ্ষৰ প্ৰতিজন ভাৰতীয়ই থলুৱা প্ৰযুক্তিৰ সুফল লাভ কৰিব, তেতিয়াহে বিজ্ঞান দিৱস পালনৰ প্ৰকৃত সাৰ্থকতা জিলিকি উঠিব। বিজ্ঞানৰ জয়যাত্ৰাই ভাৰতক বিশ্বৰ দৰবাৰত এক উজ্জ্বল নক্ষত্ৰ হিচাপে জিলিকাই তোলক এয়াই আমাৰ কামনা।

স্বকীয়তা হেৰুৱাই পেলাইছিল, কিন্তু ৰমনে প্ৰমাণ কৰি দিছিল যে সীমিত সম্পদ আৰু প্ৰতিকূল পৰিৱেশৰ মাজতো মৌলিক চিন্তাৰ জৰিয়তে বিশ্ব জয় কৰিব পৰা যায়। তেওঁৰ বৌদ্ধিক যাত্ৰাৰ আটাইতকৈ আকৰ্ষণীয় দিশটো আছিল তেওঁৰ সৰলতা আৰু প্ৰকৃতিৰ প্ৰতি থকা অদম্য কৌতূহল। সৰুৰে পৰাই তেওঁ পদাৰ্থ বিজ্ঞানৰ জটিল সূত্ৰসমূহক নিজৰ চাৰিওফালৰ জগতখনৰ সৈতে মিলাই চাবলৈ ভাল পাইছিল। এজন চৰকাৰী বিষয়া হিচাপে জীৱনৰ কৰ্মময় যাত্ৰা আৰম্ভ কৰিলেও তেওঁৰ হৃদয়ে সদায় পদাৰ্থ বিজ্ঞানৰ পৰীক্ষাগাৰটোতহে শান্তি বিচাৰি পাইছিল। এই নিৰন্তৰ সাধনাই তেওঁক নোবেল বঁটাৰ দৰে সৰ্বোচ্চ সন্মানলৈ লৈ গৈছিল, যিটো আছিল সমগ্ৰ এছিয়া মহাদেশৰ বাবে এক ঐতিহাসিক ক্ষণ। ৰমনৰ জীৱন আছিল জ্ঞানৰ এক তপোৱন, য'ত তেওঁ পোহৰৰ প্ৰতিটো তৰংগ আৰু শব্দৰ প্ৰতিটো স্পন্দনৰ মাজত লুকাই থকা ৰহস্যবোৰক উন্মোচন কৰিবলৈ দিনে-নিশাই একাকাৰ কৰিছিল। তেওঁৰ এই কৰ্মৰাজি কেৱল তত্ত্বীয় পদাৰ্থ বিজ্ঞানতে আৱদ্ধ নাছিল, বৰঞ্চ ই আছিল ভাৰতীয় প্ৰজ্ঞাৰ এক নতুন দিগন্তৰ উন্মোচন।

ৰমনৰ বৈজ্ঞানিক গৱেষণাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মোৰটো আছিল ১৯২১ চনৰ তেওঁৰ ইউৰোপ ভ্ৰমণ। ভূমধ্য সাগৰৰ মাজেৰে জাহাজত গৈ থকাৰ সময়ত সাগৰৰ নীলা পানীৰ গভীৰতাই তেওঁৰ মনত এক গভীৰ প্ৰশ্নৰ সৃষ্টি কৰিছিল। সেই সময়ৰ প্ৰচলিত বৈজ্ঞানিক ধাৰণা অনুসৰি সাগৰৰ পানীৰ নীলা ৰঙৰ কাৰণ আছিল আকাশৰ নীলা ৰঙৰ প্ৰতিফলন। লৰ্ড ৰেলীৰ দৰে প্ৰখ্যাত বিজ্ঞানীয়ে আগবঢ়োৱা এই মতবাদক ৰমনে পোনচাটেই গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰিছিল। জাহাজৰ ডেকত থিয় হৈয়েই তেওঁ তেওঁৰ লগত থকা এটা সৰল সঁজুলিৰে সাগৰৰ পানীৰ পৰা নিৰ্গত হোৱা পোহৰক বিশে-ষণ কৰিবলৈ আৰম্ভ কৰিছিল আৰু দেখিছিল যে আকাশৰ পৰা অহা পোহৰক বাধা দিলেও সাগৰৰ পানীৰ নীলা ৰং একেই থাকে। ইয়াৰ পৰাই তেওঁ এই সিদ্ধান্তত উপনীত হৈছিল যে সাগৰৰ নীলা ৰঙৰ আঁৰত পানীৰ অণুৰ দ্বাৰা পোহৰৰ এক বিশেষ বিচ্ছুৰণ প্ৰক্ৰিয়া লুকাই থাকে। এই উপলব্ধিয়ে পোহৰৰ বিচ্ছুৰণ সম্পৰ্কীয় তেওঁৰ পৰৱৰ্তী এক দশকৰ গৱেষণাৰ মূল আধাৰ আছিল। তেওঁ বুজি পাইছিল যে পোহৰ যেতিয়া কোনো স্বচ্ছ পদাৰ্থৰ মাজেৰে গতি কৰে, তেতিয়া পদাৰ্থটোৰ অণুসমূহৰ সৈতে পোহৰৰ কণাৰ এক পাৰস্পৰিক ক্ৰিয়া ঘটে, যিয়ে পোহৰৰ স্বভাৱ আৰু দিশ সলনি কৰি দিব পাৰে। এই মৌলিক সত্যটো আৱিষ্কাৰ কৰাৰ বাবে তেওঁ কোনো বিশাল পৰীক্ষাগাৰৰ বাবে ৰৈ থকা নাছিল, বৰঞ্চ প্ৰকৃতিৰ বিশালতাক তেওঁ নিজৰ গৱেষণাৰ ক্ষেত্ৰ কৰি লৈছিল।

পদাৰ্থ বিজ্ঞানৰ জগতত 'ৰমন প্ৰভাৱ' বুলি পৰিচিত তেওঁৰ সেই যুগান্তকাৰী আৱিষ্কাৰটোৱে পোহৰ আৰু পদাৰ্থৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। ১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁ ঘোষণা কৰিছিল যে যেতিয়া এটা নিৰ্দিষ্ট ৰঙৰ পোহৰ কোনো তৰল বা গেছীয় পদাৰ্থৰ মাজেৰে পাৰ হৈ যায়, তেতিয়া বিচ্ছুৰিত পোহৰৰ বৰ্ণালীত কেৱল আপতিত পোহৰৰ ৰঙেই নাথাকে, বৰঞ্চ কিছুমান অতিৰিক্ত নতুন ৰেখাৰো আৱিৰ্ভাৱ ঘটে। এই নতুন ৰেখাবোৰৰ তৰংগ দৈৰ্ঘ্য মূল পোহৰতকৈ পৃথক হয়। এই পৰিঘটনাটোৱে প্ৰমাণ কৰিছিল যে পোহৰৰ ফ'টন কণাবোৰে যেতিয়া পদাৰ্থৰ অণুৰ সৈতে সংঘৰ্ষত লিপ্ত হয়, তেতিয়া তেওঁলোকৰ মাজত শক্তিৰ আদান-প্ৰদান ঘটে। ইয়াৰ ফলস্বৰূপে পোহৰৰ কণাৰ শক্তি হয় বৃদ্ধি পায় নতুবা হ্ৰাস পায়, যিয়ে পোহৰৰ ৰঙৰ পৰিৱৰ্তন ঘটায়। এই আৱিষ্কাৰটোৱে সেই সময়ৰ কোৱাণ্টাম বলবিজ্ঞানৰ সত্যতাক পুনৰবাৰ প্ৰমাণ কৰিছিল। পোহৰৰ এই শক্তিৰ পৰিৱৰ্তনে পদাৰ্থৰ আণৱিক গঠন আৰু তাৰ কম্পনৰ স্তৰসমূহৰ বিষয়ে অতি নিখুঁত তথ্য প্ৰদান কৰিবলৈ সক্ষম হৈছিল। ৰমনৰ এই আৱিষ্কাৰৰ আগতে কোনেও ভবা নাছিল যে অতি সাধাৰণ আলোকীয় সঁজুলি ব্যৱহাৰ কৰি পদাৰ্থৰ ভিতৰৰ অণু-পৰমাণুৰ গতিবিধি নিৰীক্ষণ কৰিব পৰা যাব। ই পদাৰ্থ বিজ্ঞানৰ এক অতি দুৰ্লভ আৰু শক্তিশালী পদ্ধতি হিচাপে থিয় দিছিল, যিয়ে পৰৱৰ্তী সময়ত বৰ্ণালী বিজ্ঞানৰ ক্ষেত্ৰত এক বৈপ-ৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল।

ৰমন প্ৰভাৱৰ ব্যৱহাৰিক গুৰুত্ব ইমানেই ব্যাপক যে বৰ্তমানৰ উন্নত প্ৰযুক্তিৰ যুগত ইয়াৰ অবিহনে বহুতো গৱেষণা সম্ভৱ নহ'লহেঁতেন। প্ৰতিটো পদাৰ্থৰ এক স্বকীয় ৰমন বৰ্ণালী থাকে, যিটো সেই পদাৰ্থটোৰ পৰিচয় বা পৰিচয় পত্ৰৰ দৰে কাম কৰে। ইয়াৰ দ্বাৰা অতি কম পৰিমাণৰ ৰাসায়নিক মিশ্ৰণৰ পৰাও যিকোনো পদাৰ্থক চিনাক্ত কৰিব পৰা যায়। ঔদ্যোগিক ক্ষেত্ৰত ঔষধৰ বিশুদ্ধতা নিৰূপণৰ পৰা আৰম্ভ কৰি খনিজ পদাৰ্থৰ সন্ধান কৰালৈকে ৰমন বৰ্ণালী বিজ্ঞানৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিছে। বিশেষকৈ মহাকাশ গৱেষণাৰ ক্ষেত্ৰত যিবোৰ গ্ৰহ বা উপগ্ৰহলৈ মানুহ যাব নোৱাৰে, সেইবোৰ ঠাইৰ মাটি আৰু বায়ুমণ্ডলৰ গঠন জানিবলৈ ৰমন প্ৰভাৱৰ ওপৰত আধাৰিত সঁজুলি প্ৰেৰণ কৰা হয়। আধুনিক চিকিৎসা বিজ্ঞানত কৰ্কট ৰোগৰ কোষসমূহক সুস্থ কোষৰ পৰা পৃথক কৰিবলৈ আৰু কোষৰ ভিতৰৰ জৈৱ-ৰাসায়নিক পৰিৱৰ্তনসমূহ নিৰীক্ষণ কৰিবলৈ এই পদ্ধতি ব্যৱহাৰ কৰা হয়। ৰমনে যি সময়ত এই কাম আৰম্ভ কৰিছিল, সেই সময়ত তেওঁ হয়তো ভবা নাছিল যে তেওঁৰ এই আৱিষ্কাৰে এদিন মানৱীয় সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ইমান ডাঙৰ ভূমিকা ল'ব। তেওঁৰ এই দৰ্শনে প্ৰমাণ কৰে যে বিজ্ঞানৰ যিকোনো মৌলিক গৱেষণাৰ লক্ষ্য সদায় মানৱ কল্যাণ আৰু বিশ্বৰ ৰহস্য উন্মোচন কৰাই হ'ব লাগে।

শব্দ বিজ্ঞান বা ধ্বনি বিজ্ঞানৰ ক্ষেত্ৰতো ৰমনৰ এক গভীৰ অনুৰাগ আৰু অপাৰ পাণ্ডিত্য আছিল। তেওঁ কেৱল পোহৰৰ গতিবিধিতে আৱদ্ধ নাথাকি সংগীতৰ সৈতে জড়িত পদাৰ্থ বিজ্ঞানৰ দিশবোৰৰ ওপৰতো যথেষ্ট কাম কৰিছিল। তেওঁ ভাৰতীয় পৰম্পৰাগত বাদ্যযন্ত্ৰসমূহৰ শব্দৰ গুণাগুণ আৰু সেইবোৰৰ গঠনৰ মাজত থকা গাণিতিক সম্পৰ্কক লৈ গৱেষণা চলাইছিল। বিশেষকৈ তবলা আৰু মৃদাংগমৰ দৰে বাদ্যযন্ত্ৰৰ ছালৰ উপৰিভাগত থকা ক'লা প্ৰলেপটোৰ কাৰ্যকাৰিতাৰ ওপৰত তেওঁ দিয়া ব্যাখ্যাই বিশ্বৰ শব্দ বিজ্ঞানীসকলক তবধ খুৱাইছিল। তেওঁ দেখুৱাই দিছিল যে এই বিশেষ প্ৰলেপটোৰ বাবেই ভাৰতীয় বাদ্যযন্ত্ৰসমূহৰ পৰা নিৰ্গত হোৱা শব্দৰ তৰংগবোৰ পাশ্চাত্যৰ ড্ৰাম বা আন বাদ্যযন্ত্ৰতকৈ অধিক সুমধুৰ আৰু তালবদ্ধ হয়। তেওঁৰ এই গৱেষণাই প্ৰমাণ কৰিছিল যে আমাৰ পুৰণি বাদ্যযন্ত্ৰ নিৰ্মাতাসকলে পদাৰ্থ বিজ্ঞানৰ গভীৰ জ্ঞান নথকাকৈও কেনেকৈ প্ৰায়োগিক দিশত নিখুঁত কৌশল অৱলম্বন কৰিছিল। ৰমনে বিশ্বাস কৰিছিল যে বিজ্ঞান আৰু কলাৰ মাজত কোনো প্ৰাচীৰ থাকিব নালাগে। তেওঁৰ বাবে বিজ্ঞান আছিল সত্যৰ সন্ধান আৰু কলা আছিল সেই সত্যৰ সৌন্দৰ্যময় প্ৰকাশ। সেয়েহে তেওঁ অতি সহজে পোহৰৰ বিচ্ছুৰণৰ পৰা সংগীতৰ তৰংগলৈ নিজৰ গৱেষণাৰ পৰিধি বিস্তাৰ কৰিব পাৰিছিল, যিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিয়ে।

ভাৰতীয় বিজ্ঞানক এক সুকীয়া পৰিচয় দিয়াৰ ক্ষেত্ৰত ৰমনৰ সাংগঠনিক অৱদানৰ কথাও বিশেষভাৱে উল্লেখ কৰিব লাগিব। তেওঁ কেৱল এজন নিৰ্জন গৱেষক নাছিল, বৰঞ্চ তেওঁ আছিল এজন দক্ষ প্ৰশাসক আৰু প্ৰতিষ্ঠান নিৰ্মাতা। কলিকতাৰ ইণ্ডিয়ান এছ'চিয়েশ্যন ফৰ দ্য কাল্টিভেশ্যন অৱ ছায়েন্সত তেওঁ কাম কৰি থকাৰ সময়তে সেই ঠাইখনক এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছিল। পৰৱৰ্তী পৰ্যায়ত বাংগালোৰৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সৰ সঞ্চালক হিচাপে তেওঁ ভাৰতীয় গৱেষণাৰ মানদণ্ডক বিশ্বৰ উন্নত দেশসমূহৰ সমকক্ষ কৰি তুলিছিল। তেওঁৰ আটাইতকৈ ডাঙৰ কৃতিত্ব আছিল নিজাকৈ স্থাপন কৰা ৰমন ৰিচাৰ্চ ইনষ্টিটিউট, য'ত তেওঁ নিজৰ স্বাধীন চিন্তাৰে শেষ নিশ্বাসলৈকে বিজ্ঞান চৰ্চা কৰিছিল। তেওঁৰ অধীনত শিক্ষা লাভ কৰা বহুতো ছাত্ৰই পৰৱৰ্তী সময়ত ভাৰতৰ বিভিন্ন শীৰ্ষ প্ৰতিষ্ঠানত নেতৃত্ব দিছিল। ৰমনে সদায় বিচাৰিছিল যে ভাৰতীয় বিজ্ঞানীসকলে নিজৰ ওপৰত বিশ্বাস ৰাখক আৰু বিদেশী সাহায্য অবিহনেও মৌলিক কাম কৰিবলৈ সাহস গোটাই লওক। তেওঁৰ এই আত্মনিৰ্ভৰশীল দৃষ্টিভংগীয়েই ভাৰতৰ আধুনিক বিজ্ঞানৰ ভেটি মজবুত কৰিছিল। তেওঁৰ ব্যক্তিত্বত থকা সেই দৰ্শন আৰু তেজস্বিতা আজিও ভাৰতীয় গৱেষকসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ আছে।

ৰমনৰ গোটেই জীৱন আছিল পদাৰ্থ বিজ্ঞানৰ সত্য আৰু প্ৰকৃতিৰ সৌন্দৰ্যৰ এক অপূৰ্ব সংমিশ্ৰণ। তেওঁ হীৰা আৰু বিভিন্ন মূল্যবান পাথৰৰ আলোকীয় ধৰ্মৰ ওপৰত কৰা কামবোৰেও তেওঁৰ সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতাৰ পৰিচয় দিয়ে। হীৰাৰ উজ্জ্বলতা আৰু তাৰ ভিতৰৰ পাৰমাণৱিক গাঁথনিৰ সম্পৰ্ক তেওঁ অতি সুন্দৰভাৱে বিশ্লেষণ কৰিছিল। তেওঁৰ মতে বিজ্ঞান কেৱল এক কঠিন বিষয় নহয়, বৰঞ্চ ই হৈছে জীৱন জীয়াই থকাৰ এক পদ্ধতি। তেওঁ সদায় ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ জ্ঞানতকৈ অধিক পৰ্যবেক্ষণৰ ওপৰত গুৰুত্ব দিবলৈ কৈছিল। তেওঁ বিশ্বাস কৰিছিল যে যদি কাৰোবাৰ মনত কৌতূহল আৰু ধৈৰ্য থাকে, তেন্তে প্ৰকৃতিৰ প্ৰতিটো বস্তুৱেই একো একোটা পদাৰ্থ বিজ্ঞানৰ সমস্যাৰ সমাধান দিব পাৰে। তেওঁৰ এই ইতিবাচক দৃষ্টিভংগীৰ বাবেই তেওঁ নিজৰ গৱেষণাত এনেকুৱা কিছুমান সাফল্য লাভ কৰিবলৈ সক্ষম হৈছিল যিবোৰ হয়তো তেওঁৰ সমসাময়িক আন বহুতো বিজ্ঞানীয়ে কল্পনাও কৰিব পৰা নাছিল। ৰমনৰ জীৱনৰ প্ৰতিটো ঘটনাই আমাক সোঁৱৰাই দিয়ে যে সাফল্যৰ বাবে কোনো চমু পথ নাই, কেৱল ক কঠোৰ পৰিশ্ৰম আৰু লক্ষ্যৰ প্ৰতি একনিষ্ঠতা থাকিলেহে বিশ্বৰ মানচিত্ৰত নিজৰ নাম উজ্জ্বল কৰিব পাৰি।

সাম্প্ৰতিক সময়ত যেতিয়া আমি পদাৰ্থ বিজ্ঞানৰ ন-ন আৱিষ্কাৰৰ কথা পাতিছোঁ, তেতিয়া ৰমনৰ সেই মৌলিক চিন্তাৰ গুৰুত্ব আৰু অধিক প্ৰাসংগিক হৈ পৰিছে। তেওঁ যি সময়ত নোবেল বঁটা লাভ কৰিছিল, সেই সময়ত ভাৰত আছিল পৰাধীন। এজন ভাৰতীয় বিজ্ঞানীয়ে বিশ্বৰ আটাইতকৈ সন্মানীয় মঞ্চত থিয় হৈ নিজৰ দেশৰ কথা কোৱাটো আছিল এক গৌৰৱৰ বিষয়। তেওঁৰ এই জয়ে ভাৰতীয়সকলৰ মনত আত্মবিশ্বাসৰ সঞ্চাৰ কৰিছিল আৰু প্ৰমাণ কৰি দিছিল যে বৌদ্ধিক সক্ষমতাৰ ক্ষেত্ৰত কোনো জাতিয়েই কাৰোতকৈ পিছপৰা নহয়। তেওঁৰ কামৰাজিয়ে ভাৰতত যি এক বৈজ্ঞানিক পৰিৱেশৰ সূচনা কৰিলে, তাৰ ফলতেই আজি ভাৰত মহাকাশ গৱেষণা আৰু নিউক্লীয় পদাৰ্থ বিজ্ঞানৰ দৰে জটিল ক্ষেত্ৰত অগ্ৰণী দেশ হিচাপে থিয় দিব পাৰিছে। ৰমনৰ দৰ্শন কেৱল বিজ্ঞানতে সীমাবদ্ধ নাছিল, বৰঞ্চ ই আছিল এক আধুনিক আৰু যুক্তিনিষ্ঠ ভাৰত গঢ়াৰ সপোন। তেওঁৰ স্মৃতিতেই প্ৰতি বছৰে ভাৰতত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়, যাতে নতুন প্ৰজন্মই তেওঁৰ পৰা শিক্ষা লৈ বিজ্ঞানৰ জগতখনত নতুন নতুন মাত্ৰা প্ৰদান কৰিব পাৰে।

সামৰণিত ক'বলৈ গ'লে, চাৰ চি ভি ৰমন আছিল ভাৰতীয় বিজ্ঞানৰ এজন মুকুটহীন সম্ৰাট। তেওঁৰ পদাৰ্থ বিজ্ঞানৰ গৱেষণাই কেৱল পোহৰৰ বিচ্ছুৰণৰ তত্ত্বই নহয়, বৰঞ্চ মানুহৰ চিন্তাধাৰাকো পোহৰাই তুলিছিল। তেওঁৰ জীৱন আছিল জ্ঞানৰ এক অনন্ত যাত্ৰা, য'ত তেওঁ প্ৰতিটো মূহুৰ্ততে নতুন কিবা এটা শিকাৰ আগ্ৰহ ৰাখিছিল। পদাৰ্থ বিজ্ঞানৰ জটিল কোঠাৰ পৰা আৰম্ভ কৰি সংগীতৰ সুৰীয়া তৰংগলৈকে তেওঁৰ যি বিয়পি থকা অৱদান, সেয়া সঁচাকৈয়ে অতুলনীয়। তেওঁ আমাক শিকাই গৈছে যে যিমান আধুনিক প্ৰযুক্তি নাহক কিয়, মৌলিক চিন্তা আৰু প্ৰকৃতিৰ সৈতে সংযোগ থাকিলেহে প্ৰকৃত আৱিষ্কাৰ সম্ভৱ। চাৰ চি ভি ৰমনৰ অবিস্মৰণীয় অৱদানসমূহৰ অবিহনে পদাৰ্থ বিজ্ঞানৰ ইতিহাস সদায় আধৰুৱা হৈ ৰ'ব। তেওঁৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধা হ'ব তেতিয়াহে যেতিয়া আমি তেওঁৰ দৰে যুক্তিনিষ্ঠ আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে জগতখনক চাবলৈ শিকিম। তেওঁৰ নাম আছিল পোহৰৰ দৰে, যিয়ে কেৱল ভাৰতক নহয়, সমগ্ৰ বিশ্বৰ জ্ঞানৰ আকাশক যুগ যুগ ধৰি পোহৰাই ৰাখিব।

## সপ্তম কাজিৰঙা জলচৰ

জলাশয়ত ১০৭টা ভিন্ন ভিন্ন প্ৰজাতিৰ ১, ০৫, ৫৪০টা জলচৰ পক্ষীৰ উপস্থিতি নথিভুক্ত কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক ডঃ সোণালী ঘোষে জনোৱা মতে, ৪ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈকে চলা এই সমন্বিত জৰীপত পূৰ্বাঞ্চল অসম বন্যপ্ৰাণী সংমণ্ডল, বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনৰ ১০টা ৰেঞ্জ সামৰি লোৱা হৈছিল। গণনাত হাঁহ, বালিমাহী, বগলী, জলচৰ পক্ষী আদি বিভিন্ন প্ৰজাতিৰ উপস্থিতি পৰিলক্ষিত হৈছে। বৈচিত্ৰ্য আৰু সংখ্যাৰ দিশৰ পৰা শীৰ্ষ পাঁচটা জলাশয় হ'ল—ৰৌমাৰী বিল (লাওখোৱা) (১৫, ৬৬১টা), ডগুৱা বিল (১৪,৪৬৯টা ), কটাখাল (৪,৯৭৯টা), সোহোলা কম্বাইণ্ড(৩,৬১২টা), খলিহামাৰী(৩,৪৬৩টা)। আনহাতে কাৰোইমাৰী-ভোইছামাৰী-প্ৰসাৰণত ৫৭টা আৰু ভেৰভেৰীত ৫৩টা প্ৰজাতিৰ উপস্থিতি লক্ষ্য কৰা গৈছে। গণনাত আগবাঢ়ি থকা উল্লেখযোগ্য প্ৰজাতিসমূহৰ ভিতৰত আছে— বাৰ হেডেড গুজ, নৰ্দান পিণ্টেল, লেছাৰ হুইচলিং হাঁহ। আটাইতকৈ আকৰ্ষণীয় খবৰ হৈছে— এইবাৰ প্ৰথমবাৰৰ বাবে স্মিউ (Smew) নামৰ এটা দুৰ্লভ জলচৰ পক্ষীৰ দৰ্শন হোৱা। এই দৰ্শনে গণনাক আৰু অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। ২০১৮-১৯ বৰ্ষৰ পৰা আৰম্ভ হোৱা এই বাৰ্ষিক গণনাত এইবাৰো নাগৰিক বিজ্ঞানৰ (citizen science) পদক্ষেপ গ্ৰহণ কৰা হৈছিল। নুমলীগড় শোধনাগাৰ লিমিটেড (এন আৰ এল)ৰ চি এছ আৰ সহায়ত পক্ষীবিদ, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ফটোগ্ৰাফাৰ আৰু স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰিছিল। মুঠ ১২০ জনতকৈ অধিক গণনাকাৰী আৰু ৫০জন স্বেচ্ছাসেৱক, কৰ্মচাৰী আৰু অনুৰাগীয়ে প্ৰামাণিক প্ৰট'কল অনুসৰি কাম কৰিছিল। ২২ ফেব্ৰুৱাৰী, ২০২৬ত বোকাখাতস্থিত জে ডি এছ জি কলেজত এই গণনাৰ আনুষ্ঠানিক ৰিপ'ৰ্ট প্ৰকাশ কৰা হয়। ড° নিলোৎপল মহন্ত, ড° স্মাৰজিৎ ওজা আৰু ড° বিশ্বজিৎ চকদাৰৰ নেতৃত্বত অসম ব'ৰ্ড মনিটৰিং নেটৱৰ্ক টীমৰ সহযোগত সংকলিত ৰিপ'ৰ্টখন কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, আই ইউ চি এন এছ এছ চিৰ অধ্যক্ষ বিবেক মেনন, আই এ এছ শিৱানী জেৰংগল আদি গণ্যমান্য ব্যক্তিৰ উপস্থিতিত মুকলি কৰা হয়। এই সফলতাক লৈ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে নিজৰ এক্স একাউণ্টত লিখিছে— "সপ্তম কাজিৰঙা জলচৰ পক্ষী গণনাক লৈ আমি উৎসাহিত। প্ৰথমবাৰৰ বাবে স্মিউ চৰাই দেখা পোৱাৰ লগতে ১, ০৫, ৫৪০টা পক্ষীৰ অভিলেখ ভংগ কৰা গণনাই সকলোকে আচৰিত কৰিছে। ই অসমৰ জলাশয়সমূহৰ জৈৱ বৈচিত্ৰ্যৰ বাবে অতি উৎসাহজনক।" কাজিৰঙাৰ ১১৯ বছৰীয়া সংৰক্ষণ ঐতিহ্য আৰু ইউনেস্কো বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতিৰ পটভূমিত এই গণনাৰ ফলাফলে অসমৰ জলজ আৰু স্থলজ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ সফলতাক পুনৰবাৰ প্ৰমাণ কৰিছে।

## জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অজাপৰ গণ সত্যাগ্ৰহ

দাবীত শুকুৰবাৰে গুৱাহাটীৰ চচলত অসম জাতীয় পৰিষদ (এ জে পি)ৰ উদ্যোগত গণ সত্যাগ্ৰহ অনুষ্ঠিত হয়। এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক সমৰ্থকে অংশগ্ৰহণ কৰি চৰকাৰ বিৰোধী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে হাতত ফ্লেগ, বেনাৰ আৰু ফেষ্টুন লৈ বিধানসভা নিৰ্বাচনৰ পূৰ্বে জুবিন গাৰ্গক ন্যায় দিয়াৰ দাবী জোৰদাৰভাৱে উত্থাপন কৰে। অসম জাতীয় পৰিষদৰ নেতৃত্বত আয়োজিত এই গণ সত্যাগ্ৰহত দলৰ নেতা-কৰ্মীসকলে চৰকাৰক অভিযোগ কৰে যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পিছতো ন্যায় প্ৰক্ৰিয়া দীঘলীয়া হৈ আছে। প্ৰতিবাদকাৰীসকলে ফাষ্ট ট্ৰেক আদালত গঠন কৰি দিনৰ পিছত দিন শুনানি চলোৱাৰ দাবী জনায় আৰু বিধানসভা নিৰ্বাচনৰ আগতে এই বিষয়ত সঠিক পদক্ষেপ ল'বলৈ চৰকাৰক আহ্বান জনায়। প্ৰতিবাদস্থলীত উপস্থিত হৈ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ ন্যায়ক লৈ ৰাজনীতি কৰিছে। নিৰ্বাচনী আচৰণ বিধিৰ মাত্ৰ ১৫-২০ দিন বাকী থকা অৱস্থাত কিয় ফাষ্ট ট্ৰেক আদালতৰ কথা ক'লে? আজিলৈকে জুবিন ক্ষেত্ৰ নিৰ্মাণৰ বাবে বিশেষ একো নকৰিলে মুখ্যমন্ত্ৰীয়ে।" লুৰীণজ্যোতিয়ে লগতে উল্লেখ কৰে যে, "তিনিমাহ সময় লাগিল ফাষ্ট ট্ৰেক আদালত গঠনৰ বাবে। নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিৰোধীয়ে বিষয়টো উত্থাপন কৰাৰ ভয়তহে চৰকাৰে এই ঘোষণা কৰিছে। জুবিন ক্ষেত্ৰত এতিয়া চৰকাৰী হৰ্ডিংছ লগাইছে কিয়? ২০২৬ত বিৰোধী চৰকাৰ গঠন হ'লে সমগ্ৰ বিশ্বৰ ভিতৰত জুবিন ক্ষেত্ৰক দেখনিয়াৰ কৰি গঢ়ি তুলিম।" বিৰোধী মিত্ৰতাৰ বিষয়ত লুৰীণজ্যোতি গগৈয়ে কয় যে, "বিৰোধী চৰকাৰ গঠন হ'লে জুবিন গাৰ্গক ন্যায় দিয়াটো নিশ্চিত। বিজেপিক উৎখাত কৰিবলৈ সকলো বিৰোধী দলে মিত্ৰতা কৰিব লাগিব। সকলো ৰাজনৈতিক দলক মিত্ৰতাৰ বাবে আহ্বান জনাইছোঁ। ৰাইজৰ দলৰ লগত মিত্ৰতা হ'ব বুলি আশাবাদী।" শদিয়া সমষ্টিত নিৰ্বাচন খেলাৰ সম্ভাৱনা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "মই সকলো সমষ্টিত খেলিবলৈ সাজু, কিন্তু দলে যি কয় আৰু ৰাইজে যি কয়।" জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে। চৰকাৰে ইতিমধ্যে ফাষ্ট ট্ৰেক আদালতৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ক অনুৰোধ জনোৱাৰ সিদ্ধান্ত লৈছে যদিও বিৰোধী দলে ইয়াক নিৰ্বাচনী ৰাজনীতিৰ অংশ বুলি অভিহিত কৰিছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত এই বিষয়ে ৰাইজৰ মাজত ব্যাপক আলোচনা হৈছে আৰু ন্যায়ৰ দাবীয়ে ৰাজনৈতিক দলসমূহৰ মাজত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এই সত্যাগ্ৰহই জুবিন গাৰ্গৰ অনুৰাগী আৰু অসমবাসীৰ মাজত ন্যায়ৰ আকাংক্ষাক আৰু সবল কৰি তুলিছে।

## মিছন বসুন্ধৰা ৩.০ৰ জৰিয়তে ১০ লাখ লোক

ভূমিপট্টা প্ৰদান কৰি উপকৃত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনাইছে। শুক্ৰবাৰে ধেমাজি জিলাৰ হাতীগড়ৰ দেউৰীবিলত অনুষ্ঠিত এক বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ৪৪, ৬৯৯ গৰাকী খিলঞ্জীয়া লোক আৰু বিভিন্ন ধৰ্মীয়-সামাজিক অনুষ্ঠান, শিক্ষানুষ্ঠান, ক্লাব, সংগীত বিদ্যালয় আদিক ভূমিপট্টা বিতৰণ কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে, মিছন বসুন্ধৰা ১.০, ২.০ আৰু ৩.০ৰ জৰিয়তে মুঠ ১০ লাখ পৰিয়ালক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰা সম্ভৱ হৈছে। আজিৰ দিনটোতেই ৰাজ্যজুৰি প্ৰায় ২ লাখ লোকে ভূমিপট্টা লাভ কৰিব। তেওঁ লগতে কয়, "অসম চৰকাৰৰ আটাইতকৈ সফল আঁচনিসমূহৰ ভিতৰত অন্যতম হৈছে মিছন বসুন্ধৰা। নন-কেডাষ্ট্ৰেল গাঁওসমূহক কেডাষ্ট্ৰেল গাঁৱলৈ ৰূপান্তৰিত কৰি ভূমিহীন লোকসকলক মাটিৰ পট্টা দিয়াৰ এই কাৰ্যসূচীয়ে ৰাজ্যৰ বহু পৰিয়ালৰ জীৱন সলনি কৰিছে।" মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে, অহা সময়ত 'মিছন বসুন্ধৰা ৪.০' আৰম্ভ কৰা হ'ব, যাৰ জৰিয়তে পূৰ্বৰ আঁচনিসমূহত বাদ পৰি যোৱা সকলো যোগ্য হিতাধিকাৰীক ভূমিপট্টা প্ৰদান কৰা হ'ব। একেদৰে অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ধেমাজি জিলাত দুটা গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয়ৰ শুভাৰম্ভ কৰে। ৪৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত পাঁচমহলীয়া সংহত জিলা আয়ুক্ত কাৰ্যালয় আৰু ৩.৬৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত ধেমাজি জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয় উদ্বোধন কৰে। এই কাৰ্যালয় দুটাই জিলাখনৰ প্ৰশাসনিক আৰু আৰক্ষী ব্যৱস্থাক অধিক সুসংগঠিত আৰু দ্ৰুতগতিশীল কৰি তুলিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, লোকসভা সাংসদ প্ৰদান বৰুৱা, স্থানীয় বিধায়ক ভুৱন পেগুকে ধৰি বিভিন্ন জ্যেষ্ঠ বিষয়া আৰু ৰাজনৈতিক নেতৃত্ব উপস্থিত থাকে। অগপ-বিজেপি মিত্ৰতাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে, মিত্ৰজোঁটত নিৰ্বাচন খেলা ভাল যদিও যিবোৰ আসনত দুয়োটা দলে এৰি দিব নোৱাৰে, তাত বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতাৰ জৰিয়তে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই কাৰ্যসূচীসমূহে অসম চৰকাৰৰ ভূমি সংস্কাৰ আৰু প্ৰশাসনিক উন্নয়নৰ প্ৰতিশ্ৰুতিক আকৌ এবাৰ প্ৰতিফলিত কৰিছে। মিছন বসুন্ধৰাৰ দ্বাৰা ৰাজ্যৰ লাখ লাখ লোকৰ জীৱনত স্থায়ী পৰিৱৰ্তন আহিছে বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে।

## ধুবুৰী, ডিব্ৰুগড়ত শুল্ক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এতিয়া ১১১টা ৰাষ্ট্ৰীয় জলপথলৈ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনাইছে। শুক্ৰবাৰে ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মন্ত্ৰী সোণোৱালে ধুবুৰী আৰু ডিব্ৰুগড়ত নিৰ্মিত শুল্ক আৰু অভিবাসন চৌহদ (Customs and Immigration Complexes)ৰ লগতে ডিব্ৰুগড়ত নিৰ্মিত হেৰিটেজ বিল্ডিং ভাৰ্চুৱেলী উদ্বোধন কৰে। একেদৰে ডিব্ৰুগড়ৰ বগীবিলত ৫১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত হৈ থকা অত্যাধুনিক অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বন্দৰৰ কামৰ অগ্ৰগতিৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি সৰ্বানন্দ সোণোৱালে কয় যে, পূৰ্বৰ চৰকাৰে জল পৰিবহণক অৱহেলা কৰিছিল। কংগ্ৰেছৰ সময়ত ব্ৰহ্মপুত্ৰত মাত্ৰ ৩টা ক্ৰুজ চলিছিল আৰু ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা আছিল মাত্ৰ ৫টা। কিন্তু মোদী চৰকাৰৰ উদ্যোগত এতিয়া ব্ৰহ্মপুত্ৰত ১৫টা ক্ৰুজ চলিছে আৰু ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ১১১লৈ বৃদ্ধি পাইছে। অসমৰ ২০টা নদীক ৰাষ্ট্ৰীয় জলপথ হিচাপে চিহ্নিত কৰা হৈছে। তেওঁ লগতে কয় যে, ডিব্ৰুগড় আৰু ধুবুৰীত নিৰ্মিত শুল্ক আৰু অভিবাসন চৌহদৰ জৰিয়তে জাহাজত আহৰণ কৰা সামগ্ৰীৰ পৰীক্ষণ আৰু পৰ্যটকসকলৰ চোৱা-চিতা কৰাৰ ব্যৱস্থা সুনিশ্চিত হ'ব। এই প্ৰকল্পসমূহে ব্ৰহ্মপুত্ৰৰ জৰিয়তে বাণিজ্যিক যোগাযোগ বৃদ্ধি কৰি উত্তৰ-পূৰ্বাঞ্চলক বাংলাদেশ আৰু অন্যান্য চুবুৰীয়া দেশৰ লগত সংযোগ কৰাত সহায় কৰিব। লগতে নদী পৰ্যটনৰ ক্ষেত্ৰতো অভূতপূৰ্ব সম্ভাৱনাৰ সৃষ্টি হ'ব। ভৱিষ্যতে ব্ৰহ্মপুত্ৰৰ বিভিন্ন প্ৰান্তত অত্যাধুনিক জাহাজ বন্দৰ নিৰ্মাণ কৰা হ'ব বুলিও মন্ত্ৰী সোণোৱালে ঘোষণা কৰে। অনুষ্ঠানত মন্ত্ৰী বিমল বড়া, যোগেন মহন্ত, প্ৰশান্ত ফুকন, ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ সুনীল পালীৱাল, সচিব বিজয় কুমাৰকে ধৰি বিভিন্ন বিধায়ক, বিষয়া আৰু স্থানীয় নেতৃত্ব উপস্থিত থাকে। এই প্ৰকল্পসমূহে অসমৰ জলপথ ভিত্তিক অৰ্থনীতি আৰু পৰ্যটনক নতুন দিশ দিব বুলি আশা কৰা হৈছে।

# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিতাবৰ আঞ্চলিক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ২৭ ফেব্ৰুৱাৰী ঃ** অসমৰ অৰ্থ সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ক্ষুদ্ৰ চাহ খেতিয়ে আজি গ্ৰাম্য অঞ্চলত বহুজনৰ কৰ্ম সংস্থাপনৰ পথ দি আহিছে। নিজৰ সীমিত মূলধনেৰে পতিত মাটিত সংগ্ৰাম কৰি নিয়োজিত হোৱাৰ লগতে নিবনুৱা সমস্যা সমাধানত সহায় কৰি আহিছে। এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ সুৰক্ষাৰ বাবে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই কাম কৰি আহিছে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা সমিতিৰ অন্তৰ্গত ফেচুবাল তিতাবৰ আঞ্চলিক সমিতিৰ পঞ্চম ত্ৰি-বাৰ্ষিক কাৰ্য্যালয়ৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভাখন আজি সমিতিৰ স্থায়ী কাৰ্যালয়ত দিনযোৱা কাৰ্যসূচীৰে সভাখনি অনুষ্ঠিত হয়। সন্থাৰ বৰ্তমান কৰ্ম খতিয়ান দাঙি ধৰাৰ লগতে অসমৰ সেউজ বিপ্লৱক আৰু অধিক বলিষ্ঠভাৱে আগবঢ়াই নিয়াৰ ভৱিষ্যত কৰ্মপন্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰত্যেক আঞ্চলিক সমিতিয়ে বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত কৰে। কাৰ্যসূচী অনুসৰি পুৱা ৯বজাত সমূহীয়া চাফাই, ৯.৩০বজাত গছপুলি ৰোপণ কাৰ্যসূচী আঞ্চলিক সমিতিৰ উপ সভাপতি বুদ্ধেশ্বৰ গগৈ, মিঠু গগৈ আৰু সোমেশ্বৰ কছাৰীয়ে সমাপন কৰে। ১০ বজাত সন্থাৰ পতাকা উত্তোলন কৰে আঞ্চলিক সমিতিৰ সভাপতি গণেশ শইকীয়াই। ১০.১৫ বজাত স্মৃতি তৰ্পণ অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে আঞ্চলিক সমিতিৰ আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি তথা যোৰহাট জিলা সদস্য উৎপল শইকীয়াই। ১০.৩০বজাৰ পৰা সদস্য সকলৰ পঞ্জীয়ন আৰম্ভণি কৰে। ১১বজাত আঞ্চলিক সমিতিৰ সভাপতি গণেশ শইকীয়াৰ সভাপতিত্বত সাধাৰণ সভাখনত শুভাৰম্ভ হয়। সম্পাদক লীলাময় শইকীয়াই উদ্দেশ্য ব্যাখ্যাত বৰ্ষটিত সমিতিখনৰ কৰ্ম খতিয়ান দাঙি ধৰা, ভৱিষ্যত কৰ্মপন্থা গ্ৰহণ কৰা আৰু খেতিয়ক সকলৰ বৰ্তমান হৈ থকা সমস্যা সমূহ আলোচনা কৰি পৰৱৰ্তী সময়ত সমাধান কৰিবলৈ আজি এই সভাখন অনুষ্ঠিত কৰা হৈছে বুলি মন্তব্য কৰে। সভাৰ উদ্বোধন কৰে জিলা সমিতিৰ সভাপতি জীৱন শইকীয়াই। উদ্বোধক জীৱন শইকীয়াই উপস্থিত সকলো ক্ষুদ্ৰ চাহ খেতিয়ক বন্ধু সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদকৰ লগতে যিসকল বিষয় ববীয়া বৈকুণ্ঠগামী হ'ল তেখেত সকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। বৰ্তমান ক্ষুদ্ৰ চাহ খেতিয়ক সকলে সন্মুখীন হোৱা সমস্যাৰ সমাধানৰ বাবে সমিতিৰ প্ৰত্যেকজন বিষয় ববীয়াক নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। কাৰ্যসূচীৰ অনুসৰি সমিতিৰ সম্পাদকে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে আৰু বিত্তীয় সম্পাদক বিজিত দাসে বিত্ত প্ৰতিবেদন পাঠ কৰে আৰু সভাৰ আলোচনা পাছত সৰ্বসন্মতি ক্ৰমে গৃহীত হয়। সভাত বিশিষ্ট অতিথি হিচাপে যোৰহাট জিলা সমিতিৰ সম্পাদক কৃষ্ণ প্ৰসাদ শৰ্মাই উপস্থিত সকলোৰে মঙ্গল কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে আৰু বহু পৰামৰ্শ আগবঢ়াই আগন্তুক দিনত উন্নত মানৰ কেঁচা চাহপাত উৎপাদন কৰি উচিত মূল্য গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় লগতে সমিতিয়ে জিলাখনৰ প্ৰত্যেকজন ক্ষুদ্ৰ চাহ খেতিয়কক সুৰক্ষিত কৰি ৰাখিবৰ বাবে কেনেধৰণৰ কাম কৰি আছে আৰু অনাগত দিনত কেনে ধৰণৰ কৰ্ম আঁচনি হাতত লোৱা হৈছে সভাত অৱগত কৰে আৰু আপোনালোকৰ সমস্যা সমূহ আজি আপোনালোকে অৱগত কৰিব আৰু আমিও সমাধানৰ চেষ্টা কৰিম বুলি কথা দিয়ে। সভাত উপস্থিত সকলোকে সঠিক দৰৱ, সঠিক সময়ত, সঠিক পৰিমাণত আৰু সঠিক পদ্ধতিৰে প্ৰয়োগ কৰি গুণগত মানৰ কেঁচা চাহপাত উৎপাদন কৰিব লাগিব তেতিয়া আমি নিজৰ উচিত মূল্য দাবী কৰি ল'ব পাৰিম বুলি মন্তব্য আগবঢ়ায়। প্ৰায় শতাধিক ক্ষুদ্ৰ চাহ খেতিয়ক উপস্থিত থকা সভাৰ পৰ্যবেক্ষকৰ দায়িত্বত উপস্থিত থাকে জিলা সমিতিৰ উপ সভাপতি দীপক বৰুৱা। তেখেতে সমিতিৰ কৰ্মীসকল ওপৰত বহু প্ৰয়োজনীয় উপদেশ আগবঢ়ায়। সভাত জিলা সমিতিৰ সহ সম্পাদক পল্লৱ লোচন চলিহা, জিলা সদস্য পূৰ্ণ শইকীয়া উপস্থিত থাকে।

## অসম চৰকাৰ আৰু বিমান

স্থাপনৰ প্ৰাক-সম্ভাৱনীয়তা জৰীপ আৰু অধ্যয়ন কৰা হ'ব। চুক্তি স্বাক্ষৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উপস্থিত থাকি এই পদক্ষেপক অসমৰ অৱকাঠামো বিকাশৰ এক মাইলৰ খুঁটি বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰসংগত কয় যে, চুক্তিখনৰ মূল লক্ষ্য হৈছে ৰাজ্যত নতুনকৈ পাঁচটা বিমানবন্দৰ নিৰ্মাণ কৰা। এই বিমানবন্দৰসমূহৰ স্থানসমূহৰ ভৌগোলিক অৱস্থান অতি বিশেষ আৰু পৰ্যটনৰ অপৰিসীম সম্ভাৱনাৰে ভৰপূৰ। দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা আৰু পৰ্যটন উন্নয়ন দুয়োটা দিশকে সামৰি লৈ এই পৰিকল্পনা গ্ৰহণ কৰা হৈছে। মাজুলী, ডিমা হাচাও (উমৰাংছু), মানস ৰাষ্ট্ৰীয় উদ্যান, ডিফু (দিমা হাচাও) আৰু চৰাইদেউৰ দৰে স্থানসমূহত এই বিমানবন্দৰসমূহ স্থাপনৰ প্ৰস্তাৱ আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ডিমা হাচাওৰ উমৰাংছু অঞ্চল শ্বিলঙৰ দৰেই সৌন্দৰ্য্যৰে ভৰপূৰ। সৰু বিমানৰ সহায়ত অসমৰ এটা প্ৰান্তৰ পৰা আন এটা প্ৰান্তলৈ সহজে যাতায়াতৰ ব্যৱস্থা কৰা হ'ব। এই বিমানবন্দৰসমূহে পৰ্যটক আৰু ব্যৱসায়ীসকলক বিশেষভাৱে আকৰ্ষণ কৰিব আৰু ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নত নতুন গতি প্ৰদান কৰিব। বৰ্তমানৰ অৱস্থাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে, গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বছৰি ৭০ লাখৰো অধিক যাত্ৰীৰ বিমান চলাচল হৈ আছে আৰু এয়াৰ ট্ৰেফিকৰ পৰিমাণ পূৰ্বৰ তুলনাত বহুগুণে বৃদ্ধি পাইছে। একেদৰে ডিব্ৰুগড় বিমানবন্দৰতো যাতায়াতৰ পৰিমাণ উল্লেখযোগ্যভাৱে বাঢ়িছে। শীঘ্ৰেই শিলচৰত নতুন বিমানবন্দৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই MoUৰ জৰিয়তে AAIয়ে বিমানবন্দৰসমূহৰ সম্ভাব্য ৰানৱে পৰিকল্পনা, নেভিগেচন ব্যৱস্থা, নিৰাপত্তাৰ প্ৰয়োজনীয়তা, পৰিৱেশগত প্ৰভাৱ আদি বিষয়সমূহৰ ওপৰত বিস্তৃত অধ্যয়ন কৰিব। যদি সমীক্ষাৰ ফলাফল ইতিবাচক হয়, তেন্তে আগন্তুক পাঁচ বছৰৰ ভিতৰত এই বিমানবন্দৰসমূহৰ নিৰ্মাণ কাম সম্পূৰ্ণ হ'ব পাৰে। এই পদক্ষেপে অসমক উত্তৰ-পূৰ্বাঞ্চলৰ এটা গুৰুত্বপূৰ্ণ বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব আৰু ৰাজ্যৰ দূৰৱৰ্তী অঞ্চলসমূহৰ সৈতে মূলধাৰাৰ সংযোগ স্থাপন কৰি পৰ্যটন, বাণিজ্য আৰু সামগ্ৰিক অৰ্থনৈতিক বিকাশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

## সুৰা কেলেংকাৰীৰ গোচৰত

পোৱাসকলৰ ভিতৰত তেলেংগানা জাগৰুথিৰ সভাপতি কে কবিতাও আছে। আদালতে কয় যে, কেজৰিৱালৰ বিৰুদ্ধে "কোনো স্পষ্ট প্ৰমাণ" নাই আৰু ছিছোদিয়াৰ বিৰুদ্ধে "প্ৰথম দৃষ্টিতে কোনো মামলা" গঢ়ি উঠা নাই। চিবিআইৰ তদন্তক আদালতে তীব্ৰ সমালোচনা কৰি কয় যে, ষড়যন্ত্ৰৰ অভিযোগ কেৱল অনুমানৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা হৈছে। এই ৰায়ৰ পিছতে কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, এয়া বিজেপিৰ "পূৰ্ব পৰিকল্পিত ৰণনীতি" আছিল। কংগ্ৰেছৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ মুৰব্বী পৱন খেড়াই Xত পোষ্ট কৰি বিজেপিক "মোট সলোৱা, ইচ্ছাধাৰী নাগ" বুলি আখ্যা দিয়ে। তেওঁ কয়, "বিজেপি কোনো ৰাজনৈতিক দল নহয়, ই এটা ইচ্ছাধাৰী নাগ যিয়ে যিকোনো লক্ষ্যৰ বাবে যিকোনো স্তৰলৈ নামিব পাৰে।" খেড়াই লগতে কয় যে, গুজৰাট, পঞ্জাৱ আৰু তামিলনাড়ুৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এএপি আৰু অন্য দলৰ বিৰুদ্ধে লোৱা কাৰ্যপন্থা এতিয়া সমাপ্ত হ'ব। "নিৰ্বাচন আহি আছে, সেয়ে পাণ্ডুলিপি আগতীয়াকৈ তৈয়াৰ কৰি ৰখা হৈছিল। কংগ্ৰেছ নেতাসকলৰ বিৰুদ্ধে গোচৰ তীব্ৰ হ'ব, আৰু এএপিৰ সুবিধাজনক সহযোগিতাৰ বিৰুদ্ধে মনে মনে সমাপ্ত হ'ব" — তেওঁ যোগ কৰে। খেড়াই বিজেপিক অভিযোগ কৰি কয় যে, দলটোৱে প্ৰতিশোধৰ ৰাজনীতি চলাই এজেঞ্চীসমূহক নিৰ্বাচনী হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰে। দিল্লীৰ ২০২১-২২ চনৰ এ'ইজ পলিচিৰ জৰিয়তে কথিত দুৰ্নীতিৰ অভিযোগত চিবিআই আৰু ইডিয়ে গোচৰ ৰুজু কৰিছিল। এই গোচৰত কেজৰিৱাল আৰু ছিছোদিয়াক জেললৈ যাবলগীয়া হৈছিল। ৰায়ৰ পিছত কেজৰিৱালে আৱেগপ্ৰৱণ হৈ কয় যে, এয়া "সত্যৰ জয়" আৰু বিজেপিয়ে "ৰাজনৈতিক ষড়যন্ত্ৰ" চলাইছিল। এই ঘটনাই ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক বিভিন্ন ৰাজ্যৰ নিৰ্বাচনৰ প্ৰেক্ষাপটত। কংগ্ৰেছে ইয়াক বিজেপিৰ "প্ৰতিশোধমূলক শাসন"ৰ উদাহৰণ হিচাপে উত্থাপন কৰিছে। চিবিআয়ে এই ৰায়ৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত আপীল কৰাৰ সিদ্ধান্ত লৈছে। এই বাতৰিয়ে ৰাজনৈতিক দলসমূহৰ মাজত নতুন বিতৰ্কৰ সূত্ৰপাত কৰিছে, আৰু নিৰ্বাচনী প্ৰচাৰত ইয়াৰ প্ৰভাৱ পৰিব বুলি ধাৰণা কৰা হৈছে।

## গিব্বন অভয়াৰণ্যত ৰে'লৰ

এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। অভয়াৰণ্যখনৰ মাজেৰে পাৰ হৈ যোৱা এখন তীব্ৰবেগী যাত্ৰীবাহী ৰেলৰ খুন্দাত দুটাকৈ বিৰল প্ৰজাতিৰ টোপিমুৰীয়া বান্দৰ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। এই ঘটনাই বন বিভাগ আৰু ৰে'ল কৰ্তৃপক্ষৰ দায়িত্বহীনতাৰ লগতে চৰকাৰী পশু চিকিৎসা বিভাগৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। জানিব পৰা মতে, আজি দুপৰীয়া অভয়াৰণ্যখনৰ মাজেৰে পাৰ হৈ যোৱা যাত্ৰীবাহী এখন ৰে'লে নিয়ম উলংঘা কৰি তীব্ৰ গতিত যোৱাৰ বাবেই বান্দৰ দুটা দুৰ্ঘটনাৰ বলি হয়। উল্লেখ্য যে, বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে অভয়াৰণ্যখনৰ ভিতৰত ৰেলৰ সৰ্বাধিক গতিবেগ ঘণ্টাত ৩০ কিলোমিটাৰ নিৰ্ধাৰণ কৰা হৈছে যদিও ৰেল চালকসকলে প্ৰায়েই এই নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই অহাৰ অভিযোগ উত্থাপন হৈছে। আনফালে দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে বন বিভাগৰ কৰ্মচাৰী আৰু স্থানীয়লোকে মুমূৰ্ষু বান্দৰ দুটাক উদ্ধাৰ কৰি ন-কচাৰীস্থিত পশু চিকিৎসালয়লৈ লৈ যায়। কিন্তু আশ্চৰ্যজনকভাৱে চিকিৎসালয়খনত আঘাতপ্ৰাপ্ত বান্দৰ দুটাৰ ক্ষতস্থান চিলাবলৈ প্ৰয়োজনীয় ছাৰ্জিকেল সূতা (Surgical Thread) উপলব্ধ নাছিল। এই অত্যাৱশ্যকীয় সামগ্ৰীবিধৰ অভাৱৰ বাবে যথেষ্ট সময় ধৰি চিকিৎসা সেৱাত বিলম্ব ঘটে, যাৰ ফলত বান্দৰ দুটাৰ অৱস্থা অধিক সংকটজনক হৈ পৰে। বিশ্বপ্ৰসিদ্ধ হলৌ গিবনৰ একমাত্ৰ আশ্ৰয়স্থলী হিচাপে পৰিচিত এই বনাঞ্চলখনত পূৰ্বেও ৰে'লৰ খুন্দাত হাতীৰ পৰা আৰম্ভ কৰি বিভিন্ন বিৰল প্ৰজাতিৰ বন্যপ্ৰাণীৰ মৃত্যু হৈছে। স্থানীয় সচেতন ৰাইজ আৰু দল-সংগঠনে বাৰে বাৰে ৰে'লৰ গতি নিয়ন্ত্ৰণ আৰু সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰিবলৈ দাবী জনাই আহিছে যদিও ৰে'ল কৰ্তৃপক্ষ আৰু বন বিভাগৰ ৰহস্যজনক মৌনতাই এতিয়া গিবন অভয়াৰণ্যৰ অস্তিত্বৰ প্ৰতিয়েই চৰম ভাবুকি কঢ়িয়াই আনিছে।

# ডবকাত ১৮৭টা পৰিয়াল অনুষ্ঠান-প্ৰতিষ্ঠানক ভূমি পট্টা বিতৰণ

**অসম বাৰ্তা, মোৰাঝাৰ, ২৭ ফেব্ৰুৱাৰী ঃ** হোজাইৰ ডবকাত আজি আনুষ্ঠানিকভাৱে মাটিৰ পট্টা বিতৰণ কৰে হোজাই জিলা প্ৰশাসনে। মিচন বসুন্ধৰা ৩.০ৰ অধীনত বিন্নাকান্দি আৰু বড়মপুৰ সমষ্টিৰ ১৮৭টা পৰিয়াল তথা অনুষ্ঠান-প্ৰতিষ্ঠানক এই পট্টা প্ৰধান কৰা হয়। ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত আয়োজিত পট্টা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিজেপি নেতা সমাজসেৱক হবিব মহাম্মদ চৌধুৰীয়, হোজাইৰ জ্যেষ্ঠ অতিৰিক্ত আয়ুক্ত বনি ইনাম চাদব ডবকা ৰাজহ চক্ৰ বিষয়া স্নেহা ভৰালী সহ অগপৰ মহাম্মদ আলী। উল্লেখ্য যে বিভিন্ন কাৰণত স্বাধীনতাৰ পিছৰে পৰা ভূমিহীন হৈ আছিল এইসকল খিলঞ্জীয়া লোক। আনকি চৰকাৰী ভূমিত চলি আছিল চৰকাৰী কাৰ্যালয় শিক্ষানুষ্ঠান আদি। মাটিৰ পট্টা বিতৰণ অনুষ্ঠানত উপস্থিত থাকি বিজেপি নেতা হবিব মহাম্মদ চৌধুৰীয়ে চৰকাৰৰ পদক্ষেপক প্ৰসংসা কৰে। আগন্তুক দিনত চৰকাৰে প্ৰতিগৰাকী ভূমিহীন ভাৰতীয় লোকক ভূমিৰ অধিকাৰ নিশ্চিত কৰিব বুলি দাবী কৰে হবিব মহাম্মদ চৌধুৰীয়ে। উল্লেখ্য যে এইবাৰ বিধানসভা নিৰ্বাচনত বিন্নাকান্দিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব বিজেপিৰ হবিব মহাম্মদ চৌধুৰীয়ে। মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি পৰৱৰ্তী সময়ত বিন্নাকান্দিৰ ভূমিহীন ভাৰতীয় লোকক পট্টা দিয়াৰ ব্যৱস্থাৰ আশ্বাস দিয়ে হবিব চৌধুৰীয়ে।

# বিহালীত সদৌ অসম প্ৰগতিশীল নাৰী সন্থা আৰু চিপিআই এম এলৰ প্ৰতিবাদ ও গণ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, বিহালী, ২৭ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজকোষৰ ধনৰে প্ৰদান কৰা অৰুনোদয় আঁচনিৰ পৰা বঞ্চিত মহিলাক আঁচনি প্ৰদানৰ দাবীত আজি চিপিআই (এম-এল) আৰু প্ৰগতিশীল নাৰী সন্থাই বিহালী সমজিলা আয়ুক্ত কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰে। নিউ কেটেলা খেলপথাৰৰ পৰা বিভিন্ন শ্লোগানৰে পাঁচ শতাধিক মহিলাক লগত লৈ সমদল কৰি বিহালী সমজিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হয়। পিছত সমজিলা আয়ুক্তৰ জৰিয়তে বিশ্বনাথ জিলাৰ উপায়ুক্তলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। প্ৰতিবাদকাৰী সকলে দাবী জনায় যে, এই আচঁনিখনত এতিয়াও বহুতো পাবলগীয়া মহিলাই বাৰে-বাৰে আবেদন কৰিও বঞ্চিত হৈছে। বহুতো মহিলাৰ ৰেচনকাৰ্ড নাই বুলি চৰকাৰে জনাইছে যদিও ৰেচনকাৰ্ড থকা মহিলাও আঁচনিত অন্তৰ্ভুক্ত হোৱা নাই। সেয়ে স্মাৰক পত্ৰৰ জৰিয়তে বিশ্বনাথ জিলা আয়ুক্তক যোগ্য মহিলাক অতি শীঘ্ৰে ৰেচনকাৰ্ড প্ৰদান কৰাৰ দাবী জনোৱা হয়। দ্বিতীয়তে অৰুণোদয় ধন পাই অহা বহুতো মহিলাৰ নাম কৰ্তন কৰা হৈছে। সেই সকলৰ প্ৰায়ে বয়সস্থ মহিলা। অতি বেছি প্ৰয়োজনৰ সময়ত তেওঁলোকৰ আঁচনি কৰ্তন কৰা হৈছে। গতিকে তেওঁলোকক অতি শীঘ্ৰে আঁচনিত পুনৰ অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনোৱা হয়। তৃতীয়তে অৰুনোদই আচঁনিৰ হিতাধিকাৰী নিৰ্বাচনত শাসকীয় ৰাজনৈতিক দলৰ সদস্যৰে গঠিত সমিতি ভংগ কৰি পঞ্চায়ত সচিব আৰু খণ্ড উন্নয়ন বিষয়াক দায়িত্ব প্ৰদান কৰাৰ দাবী জনোৱা হয়। প্ৰতিবাদী কাৰ্যসূচীত চিপিআই (এম-এল) ৰ ৰাজ্যিক সম্পাদক বিবেক দাস, বিশ্বনাথ জিলাৰ সম্পাদক নাৰায়ণ পৌড়েল, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ সম্পাদিকা মৃনালী দেবী আৰু বহু নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## বিজেপিৰ নিৰ্বাচনী তিনিটা

তিনিটা নিৰ্বাচনী প্ৰচাৰমূলক গীত আনুষ্ঠানিকভাৱে মুকলি কৰে। এই গীতসমূহ দলৰ কাৰ্যকৰ্তা আৰু সমৰ্থকসকলে নিজৰ উদ্যোগত ৰচনা কৰি প্ৰস্তুত কৰিছে। অনুষ্ঠানটোত বিধানসভা নিৰ্বাচন পৰিচালনা সমিতিৰ আহ্বায়ক তথা লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, ৰাষ্ট্ৰীয় উপ-সভানেত্ৰী ৰেখা বৰ্মা আৰু সাংসদ বাসুৰী স্বৰাজকে ধৰি দলৰ বিভিন্ন স্তৰৰ নেতৃত্ব উপস্থিত থাকে। দলৰ সাধাৰণ সম্পাদক আৰু বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে এই গীতসমূহ সম্পূৰ্ণৰূপে দলৰ ভিতৰৰ পৰাই উৎপন্ন হৈছে। ইয়াৰে এটা গীতৰ কথা আৰু সুৰ ৰচনা কৰিছে কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্গেৰিটাই আৰু গায়ক ৰাকেশ ৰিয়াঙে গাইছে। আন এটা গীতৰ কথা ৰচনা কৰিছে বিদ্যাসাগৰ বৰাই আৰু গায়ক অৰণ্যম দৰৰাহে কণ্ঠ দিছে। আৰু কেইবাটাও গীত বিভিন্ন স্থানৰ কাৰ্যকৰ্তাসকলে এতিয়াও প্ৰস্তুত কৰি আছে। এই গীতসমূহ সামাজিক মাধ্যমত ব্যাপকভাৱে প্ৰচাৰ কৰাৰ লগতে নিৰ্বাচনী ৰেলী আৰু সভাতো ব্যৱহাৰ কৰা হ'ব বুলি তেওঁ জনায়। শনিবাৰৰ পৰা আৰম্ভ হ'বলগীয়া বিজেপিৰ 'জন আশীৰ্বাদ যাত্ৰা'ৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে এই যাত্ৰা অতি গুৰুত্বপূৰ্ণ হ'ব। ৰাজ্যৰ প্ৰতিটো প্ৰান্তলৈ গৈ জনতাৰ ওচৰত আশীৰ্বাদ বিচৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে অসমত বিজেপি চৰকাৰ গঠনৰ বাবে ৰাইজৰ সমৰ্থন বিচৰা হ'ব। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে আজাৰাৰ ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে আজাৰা তেওঁৰ নিজৰ সমষ্টি। ট্ৰাইবেল বেল্ট আৰু ব্লক অঞ্চলত কিছুমান লোকে অবৈধভাৱে বিপুল পৰিমাণৰ মাটি বেদখল কৰি ৰাখিছে। আইন অনুসৰি উচ্ছেদৰ জাননী জাৰি কৰা হৈছে আৰু জাননীৰ প্ৰত্যুত্তৰ দিয়াৰ যথেষ্ট সময়ো দিয়া হৈছে। কিন্তু জাননী দিবলৈ যোৱা প্ৰশাসনিক বিষয়া আৰু অসম আৰক্ষীৰ ওপৰতেই অচিনাকি লোকসকলে আক্ৰমণ চলাইছে। ডেৰ লাখ বিঘা মাটি বেদখলমুক্ত কৰাৰ পিছতো এই বেদখলকাৰীসকলে যুঁজ দিবলৈ সাজু হৈ আছে বুলি তেওঁ অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে এওঁলোক খিলঞ্জীয়া নহয়, সম্পূৰ্ণ অচিনাকি লোক। বিজেপি চৰকাৰ নাথাকিলে এওঁলোকে কাকো নামানিব বুলিও তেওঁ মন্তব্য কৰে। ইতিমধ্যে ঘটনাস্থলীত কঠোৰ একচন লোৱাৰ নিৰ্দেশ দিয়া হৈছে। প্ৰায় যোল্লজনক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তাত স্থায়ী পুলিচ শিবিৰ স্থাপন কৰা হ'ব। আইনী প্ৰক্ৰিয়াৰ মাজেৰে বেদখলকাৰীসকলক সম্পূৰ্ণৰূপে উচ্ছেদ কৰা হ'ব বুলি তেওঁ দৃঢ়তাৰে কয়। বিধায়কৰ ৰিপ'ৰ্ট কাৰ্ডৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰত্যেকটো সমষ্টিতে অভূতপূৰ্ব উন্নয়ন হৈছে। কোনো এটা সমষ্টিও নাই য'ত দুশ কিলোমিটাৰ পকী ৰাস্তা নিৰ্মাণ নহয় বা ত্ৰিশ-চল্লিশ হাজাৰ মহিলাই অৰুণোদয় সুবিধা নাপায়। গতিকে কাৰোবাক বেয়া বুলি কোৱাৰ প্ৰয়োজন নাই। কিন্তু কিছুমান সমষ্টিৰ সীমা পৰিৱৰ্তন হোৱাৰ বাবে এছটি-এছচি আসন সলনি হৈছে আৰু কিছু নতুন মুখ আহিব। বিজেপিত সিদ্ধান্তবোৰ পৰিয়ালৰ দৰেই লোৱা হয় বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠান আৰু মুখ্যমন্ত্ৰীৰ বক্তব্যৰ জৰিয়তে বিজেপিয়ে ২০২৬ৰ বিধানসভা নিৰ্বাচনত পুনৰ জয়লাভৰ বাবে সক্ৰিয় প্ৰচাৰৰ সূচনা কৰিছে। লগতে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ফাষ্ট ট্ৰেক আদালত গঠনৰ সিদ্ধান্ত লোৱাৰ কথাও কেবিনেটত অনুমোদন কৰিছে, যিয়ে নিৰ্বাচনী পৰিৱেশত অতিৰিক্ত প্ৰভাৱ পেলাব পাৰে।

## বি.আৰ.এন ইনফ্ৰাষ্ট্ৰাকচাৰ নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# মাজুলী-যোৰহাট সংযোগী দলঙৰ লগত সংলগ্ন ৰাষ্ট্ৰীয় ঘাই পথৰ কালভাৰ্ট নিৰ্মাণত গুৰুতৰ বিসংগতি



**অসম বাৰ্তা, উজনী মাজুলী, ২৭ ফেব্ৰুৱাৰী ঃ** মাজুলীক যোৰহাটৰ সৈতে সংযোগ কৰা নিৰ্মীয়মান যোৰহাট-মাজুলী সংযোগী দলঙ সংলগ্ন কৰি নিৰ্মাণ আৰম্ভ হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ এটা কালভাৰ্ট নিৰ্মাণক লৈ গুৰুতৰ বিসংগতিৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজ আৰু কৰ্মৰত শ্ৰমিকসকলে ঠিকাদাৰ প্ৰতিষ্ঠানৰ হেমাহিৰ ফলত নিৰ্মাণকাৰ্য ত্ৰুটিপূৰ্ণভাৱে আগবাঢ়ি অহা বুলি অভিযোগ কৰে। জানিব পৰা মতে, মাজুলীৰ পতিয়া গাঁৱৰ সন্মুখত নিৰ্মাণ কৰি থকা উক্ত কালভাৰ্টটোত প্ৰয়োজনীয় সামগ্ৰী সঠিক সময়ত যোগান নধৰাৰ অভিযোগ তুলি শ্ৰমিকসকলে কিছু সময়ৰ বাবে কাম বন্ধ কৰি দিয়ে। শ্ৰমিকসকলৰ দাবী অনুসৰি, নিৰ্মাণৰ মানদণ্ড অটুট ৰাখিবলৈ যি সামগ্ৰী আৰু প্ৰযুক্তিগত ব্যৱস্থা ল'ব লাগিছিল, সেয়া মানি চলা হোৱা নাছিল। ইয়াৰ উপৰিও, নিৰ্মাণ চলি থকাৰ মাজতেই কালভাৰ্টটোৰ এটা ৱাল ভিতৰলৈ সোমাই যোৱাৰ লগতে বিভিন্ন স্থানত ফাট মেলা পৰিলক্ষিত হৈছে বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। এই ঘটনাই নিৰ্মাণকাৰ্যৰ গুণগত মান সন্দৰ্ভত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখযোগ্য যে, চৰকাৰে ৰাজ্যজুৰি পথ-ঘাট আৰু দলঙৰ নিৰ্মাণৰ জৰিয়তে উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা চলাই আছে। এনে পৰিস্থিতিত মাজুলীৰ দৰে গুৰুত্বপূৰ্ণ অঞ্চলত চলি থকা এই ৰাষ্ট্ৰীয় ঘাই পথৰ কামত বিসংগতি দেখা পোৱাত ৰাইজৰ মাজত অসন্তোষৰ সৃষ্টি হৈছে। ইফালে এই সন্দৰ্ভত লোকনিৰ্মাণ ৰাষ্ট্ৰীয় ঘাইপথ যোৰহাট সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা দেৱপ্ৰদত্ত নাথৰ পৰা বিষয়টোৰ সন্দৰ্ভত জানিবলৈ বিচৰাত অভিযন্তা গৰাকীয়েও কেৱল দলং সংলগ্ন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে নিয়োজিত BRN INFRASTRUCTURE নামৰ নিৰ্মাণ প্ৰতিষ্ঠানটোৱে বিসংগতি পূৰ্ণ ভাৱে কাম কৰাৰ কথা স্বীকাৰ কৰে। উক্ত কালভাৰ্ট নিৰ্মাণত বাহ ব্যৱহাৰ কৰি নিৰ্মাণ কৰাৰ ফলতেই হানিকম ওলোৱা বুলি তেওঁ স্বীকাৰ কৰে। অভিযন্তা গৰাকীয়ে কামৰ দায়িত্বত বিভাগীয় ভাৱে নিয়োগ কৰা অথৰিটি ইঞ্জিনীয়াৰক বিষয়টো চাবৰ বাবে নিৰ্দেশ দিয়াৰ লগতে নিৰ্মাণ প্ৰতিষ্ঠানটোলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইফালে মাজুলীৰ জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকেও বিভাগক উক্ত আসোঁৱাহ দূৰ কৰিবলৈ প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ নিৰ্দেশ প্ৰদান কৰে। ইফালে স্থানীয় সচেতন মহলে উক্ত বিষয়টো সন্দৰ্ভত তাৎক্ষণিক তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্মাণকাৰ্য পুনৰ মানদণ্ড অনুসৰি সম্পন্ন কৰাৰ দাবী উত্থাপন কৰিছে।

## অসুৰ-দানৱবোৰ এতিয়া বধ

ফাষ্ট ট্ৰেক আদালতত দিনৰ পিছত দিন শুনানিৰ ব্যৱস্থা কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ক আনুষ্ঠানিকভাৱে অনুৰোধ জনোৱাৰ সিদ্ধান্ত লোৱাত গৰিমা শইকীয়া গাৰ্গে স্বাগত জনাইছে। তেওঁ এই সিদ্ধান্তক সঠিক দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে। গৰিমা শইকীয়া গাৰ্গে আৱেগপ্ৰৱণ হৈ কয়, "অসুৰ-দানৱবোৰ এতিয়া বধ হ'ব লাগে। জুবিন গাৰ্গক যদি সোনকালে আৰু সঠিক দিশত ন্যায় প্ৰদান কৰা নহয়, তেন্তে ন্যায় ব্যৱস্থাৰ ওপৰত আমাৰ ভৰসা ক'ত থাকিব? আমি বহুত ধৈৰ্য ধৰি সদায় ন্যায়ৰ ওপৰত আস্থা ৰাখি আগবাঢ়িছোঁ। সেই আস্থা কোটি কোটি জনতাৰ আস্থা। জুবিনক ন্যায় দিয়া দেখিলে আমি সকলোৱে এটা উত্তৰ পাম, এটা গতি পাম।" জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পাঁচ মাহৰো অধিক সময় পাৰ হৈ গৈছে। গৰিমাই উল্লেখ কৰে যে, "আমি বহুত দিন ধৰি একো উত্তৰ নাপাই আছোঁ। জুবিনৰ লগত কি হৈছিল সেইটো সোনকালে জানিব লাগিব। বিচাৰ হ'ব লাগিব।" চৰকাৰে ইতিমধ্যে এটা বিশেষ তদন্তকাৰী দল (এছ আই টি) গঠন কৰি তিনি মাহৰ ভিতৰতে চাৰ্জশ্বীট দাখিল কৰিছে বুলি জনাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাক দীৰ্ঘদিনীয়া পৰিকল্পিত হত্যাকাণ্ড বুলি মন্তব্য কৰিছে। কেবিনেটৰ সিদ্ধান্ত অনুসৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত বিশেষ/এক্সক্লুছিভ ছেছন্স কোৰ্ট গঠনৰ বাবে আবেদন জনোৱা হ'ব, যাতে দিনৰ পিছত দিন শুনানি চলি দ্ৰুত নিষ্পত্তি হয়। গৰিমাই এই পদক্ষেপক স্বাগত জনাই কয় যে, "চৰকাৰে গোচৰটো সঠিকভাৱে আগবঢ়াই লৈ গৈছে। আমি বিচাৰোঁ যে আদালতত সকলো কথা প্ৰমাণিত হওক।" গৰিমা শইকীয়া গাৰ্গে স্পষ্টকৈ কয়, "পানী নসৰকা বিচাৰ হ'ব লাগিব। দোষীয়ে কঠোৰতম শাস্তি সোনকালে পাব লাগিব। আমি একেবাৰেই নিবিচাৰোঁ যে কোনো অভিযুক্তই জামিন পাওক। অসমবাসীয়ে কোনেও নিবিচাৰে, জুবিনক ভালপোৱা কোনেও নিবিচাৰে। জুবিন গাৰ্গৰ দৰে এনে সত্তাৰ লগত এনে ঘটনা আমি কেনেদৰেও মানি ল'ব নোৱাৰোঁ।" অন্যতম অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ ছীল কৰা ব্যৱসায়িক প্ৰতিষ্ঠান 'মহাবীৰ একুৱা' পুনৰ মুকলি হোৱাৰ সন্দৰ্ভত গৰিমাই গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ কয়, "মহাবীৰ একুৱা পুনৰ মুকলিৰ অনুমতি কেনেকৈ দিয়া হ'ল? সেয়া আমাৰ বাবে ডাঙৰ প্ৰশ্ন। কোনেও সেইটো বিচৰা নাছিল। জুবিনে সিদ্ধাৰ্থক ১ কোটি ১০ লাখ টকা বিনিয়োগ কৰিছিল, যিটো চাৰ্জশ্বীটত উল্লেখ আছে। এছ আই টিয়ে ধন আত্মসাৎৰ বহু হিচাপ দেখুৱাইছে। ইমান ডাঙৰ অভিযোগৰ পিছতো সঠিক বিচাৰ হ'ব লাগিব। সিদ্ধাৰ্থৰ সিমান ধনৰ ক্ষমতা নাই বুলি ভাবোঁ।" তেওঁ লগতে কয় যে, "জুবিনক সঠিক ন্যায় দিয়াটো চৰকাৰৰ দায়িত্ব। যদি সিদ্ধাৰ্থসহ সকলো অভিযুক্ত সুৰুঙা পাই ওলাই যায়, তেন্তে অসম চৰকাৰৰ লগতে সমগ্ৰ অসমবাসীৰ পৰাজয় হ'ব।" গৰিমাই জুবিন ক্ষেত্ৰৰ নিৰ্মাণ কাৰ্যৰ বিষয়েও উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ কয়, "বাৰিষাৰ আগতে নিৰ্মাণ কাৰ্য আৰম্ভ নকৰিলে ঠাইখিনি কদৰ্যময় হৈ পৰিব। পাহাৰৰ পানী আৰু মাটি বাগৰি আহি খোজ দিব নোৱাৰা অৱস্থা হ'ব। বাৰে বাৰে অনুৰোধ জনাই আহিছোঁ। চৰকাৰে পৰিয়ালক এতিয়ালৈকে একো জনোৱা নাই। জুবিন ক্ষেত্ৰখনক বিশেষ স্থান হিচাপে গঢ়ি তুলিব বিচাৰোঁ। দেশ-বিদেশৰ বহু লোকে ইয়ালৈ আহে। এতিয়াই পদক্ষেপ ল'ব লাগিব, নহ'লে বেয়া অৱস্থালৈ যাব।" জুবিন গাৰ্গৰ এই ঘটনাই সমগ্ৰ অসমক নাৰাজ কৰিছে। গৰিমা শইকীয়া গাৰ্গৰ এই বক্তব্যই ন্যায়ৰ দাবীক আৰু সবল কৰিছে, আৰু চৰকাৰৰ ফাষ্ট ট্ৰেক আদালতৰ পদক্ষেপে আশা জগাই তুলিছে যে অতি সোনকালে দোষীসকলক শাস্তি দিয়া হ'ব।

## দৌল উৎসৱৰ পিছতে

মণ্ডল বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। এই অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা আৰু উত্তৰ নলবাৰী মণ্ডলৰ সভাপতি নন্দলাল সৰকাৰ। কাৰ্যালয় উদ্বোধনৰ পিছত ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই নলবাৰী বিধানসভা সমষ্টিত পঞ্চম মণ্ডল কাৰ্যালয় স্থাপন হোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক বিশেষ প্ৰশংসা কৰে। তেওঁ কয় যে অসমৰ ভিতৰত এনে এজন বিধায়ক হ'ব যিয়ে নিজৰ সমষ্টিত ইমানবোৰ মণ্ডল কাৰ্যালয় স্থাপন কৰিব পাৰিছে। এই প্ৰশংসাই দলীয় কাৰ্যকৰ্তাসকলক নতুন উৎসাহ যোগায়। উত্তৰ নলবাৰী অঞ্চলৰ পূৰ্বৰ পিছপৰা অৱস্থাৰ পৰা উন্নয়নৰ দিশে অগ্ৰসৰ হোৱাৰ কথা উল্লেখ কৰি সভাপতি শইকীয়াই জনায় যে এতিয়াৰ পৰা এই অঞ্চলৰ সকলো দলীয় কাম-কাজ নতুন কাৰ্যালয়ৰ পৰাই সম্পন্ন কৰা হ'ব। সভাপতি দিলীপ শইকীয়াই 'জন আশীৰ্বাদ যাত্ৰা'ৰ বিষয়ে কয় যে কাইলৈৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। ঢেকীয়াজুলিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যাত্ৰাৰ শুভাৰম্ভ হ'ব আৰু ৰাজ্যৰ বিভিন্ন সমষ্টি আৰু অঞ্চলত ইয়াক চলোৱা হ'ব। অহা ৯ মাৰ্চত বজালী, টিহু, নলবাৰী আৰু বঙিয়া বিধানসভা সমষ্টিত প্ৰথম পৰ্যায়ৰ যাত্ৰাৰ সামৰণি ঘটিব। প্ৰতিদিনে মুখ্যমন্ত্ৰীয়ে ৰাইজৰ আশীৰ্বাদ গ্ৰহণ কৰিব বুলি তেওঁ জনায়। বিগত দশকত অসমত হোৱা অভূতপূৰ্ব উন্নয়ন আৰু বিশেষকৈ শেহতীয়া পাঁচ বছৰত সুৰক্ষাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ নেতৃত্বক লৈ ৰাইজৰ সমৰ্থন আৰু আশীৰ্বাদ লাভ কৰাৰ লক্ষ্য এই যাত্ৰাৰ। বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী ঘোষণাৰ প্ৰসংগত দিলীপ শইকীয়াই স্পষ্ট কৰে যে দৌল উৎসৱ (হোলী)ৰ পিছতেই কেন্দ্ৰীয় সংসদীয় ব'ৰ্ডৰ বৈঠক অনুষ্ঠিত হ'ব। তাৰ পিছত দিল্লীৰ ৰাষ্ট্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ প্ৰাৰ্থী তালিকা প্ৰেৰণ কৰা হ'ব। তেওঁ কয় যে দলৰ শৃংখলা অনুসৰি যেতিয়ালৈকে আনুষ্ঠানিক ঘোষণা নহয়, তেতিয়ালৈকে কোনো প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰিব নোৱাৰি। নলবাৰী জিলাৰ তিনিটা বিধানসভা সমষ্টিত কোনে প্ৰাৰ্থিত্ব লাভ কৰিব সেই বিষয়ে তেওঁ ৰূপকাত্মক ভাষাত কয়, "পুখুৰীত কি মাছ আছে সকলোৱে জানে। মাগুৰ নে বৰালি সেয়া স্পষ্ট। ৰাইজে যিজনক অনবৰতে দেখি আছে, যিয়ে নলবাৰীৰ প্ৰতিচ্ছবি সলনি কৰিছে, তেওঁক বাদ দি বেলেগ চিন্তা নাই। যদি সংসদীয় ব'ৰ্ডে বেলেগ সিদ্ধান্ত লয় সেয়া তেওঁলোকৰ বিষয়।" এই মন্তব্যই স্থানীয় বিধায়ক জয়ন্ত মল্লবৰুৱাৰ পুনৰ প্ৰাৰ্থিত্বৰ সম্ভাৱনাক ইংগিত কৰে। এই অনুষ্ঠান আৰু সভাপতিৰ বক্তব্যই বিজেপিৰ ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰু সংগঠনাত্মক প্ৰস্তুতিক নতুন গতি প্ৰদান কৰিছে। দৌল উৎসৱৰ পিছত প্ৰাৰ্থী তালিকা ঘোষণাৰ পিছত দলৰ নিৰ্বাচনী কৌশল আৰু অধিক স্পষ্ট হ'ব বুলি দলীয় নেতৃত্বই আশা কৰিছে।

## জুবিন গাৰ্গক মৰণোত্তৰ-

কৰিছে আৰু তেখেতৰ শেষ ছবি 'ৰৈ ৰৈ বিনালে'ৰ বাবেও বিশেষ স্বীকৃতি দিয়া হৈছে। জুবিন গাৰ্গৰ অনুপস্থিতিত এই তিনিটা মৰ্যাদাপূৰ্ণ সন্মান তেখেতৰ পত্নী গৰিমা শইকীয়া গাৰ্গে গ্ৰহণ কৰে। ফিল্মফেয়াৰৰ মুখ্য সম্পাদক জিতেশ পিল্লায়ে বিশেষভাৱে তেওঁলোকৰ বাসগৃহলৈ গৈ এই বঁটাসমূহ হস্তান্তৰ কৰে। এই কাৰ্যসূচীয়ে অনুষ্ঠানটোক অতি আৱেগময় আৰু হৃদয়স্পৰ্শী কৰি তুলিছিল। জীৱনজোৰা সাধনা বঁটাৰ জৰিয়তে জুবিন গাৰ্গৰ দশকৰ পিছত দশক ধৰি অব্যাহত থকা সংগীত সৃষ্টি, চলচ্চিত্ৰ নিৰ্মাণ, অভিনয় আৰু অসমীয়া সংস্কৃতিৰ প্ৰসাৰত অৱদানক স্বীকৃতি দিয়া হৈছে। শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী বঁটাই তেখেতৰ অমৰ কণ্ঠৰ মাধুৰ্য আৰু অনন্য শৈলীক উজ্জ্বল কৰি তুলিছে। আনহাতে 'ৰৈ ৰৈ বিনালে' ছবিখনত তেখেতৰ শেষ অৱদানৰ বাবে প্ৰদান কৰা বিশেষ সন্মানে তেখেতৰ শিল্পীজীৱনৰ অন্তিম অধ্যায়কো সন্মানিত কৰিছে। এই সন্মানসমূহ ফিল্মফেয়াৰ অসমীয়া ২০২৬ৰ পূৰ্বে ঘোষণা কৰি প্ৰদান কৰা হৈছে, যিয়ে জুবিন গাৰ্গৰ অমৰ উত্তৰাধিকাৰক আকৌ এবাৰ সকলোৰে সন্মুখত উজ্জ্বল কৰি তুলিছে। অসমীয়া শিল্প-সংস্কৃতিৰ এই মহান ব্যক্তিত্বৰ মৃত্যুৰ পিছতো (২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত সিঙ্গাপুৰত মৃত্যু হয়) তেখেতৰ সৃষ্টি, কণ্ঠ আৰু প্ৰভাৱ অটুট হৈ আছে। এই স্বীকৃতিয়ে নতুন প্ৰজন্মৰ শিল্পীসকলক প্ৰেৰণা যোগাইছে আৰু জুবিন গাৰ্গৰ নাম চিৰকাল অসমীয়া সংগীতৰ ইতিহাসত সোণালী অক্ষৰেৰে লিখা হৈ ৰ'ব বুলি বিশ্বাস কৰা হৈছে।

ডিবাং নৈত এখন দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

# শদিয়াৰ অমৰপুৰত থলুৱা লোকক ভূমি পট্টা প্ৰদানৰ আনুষ্ঠানিক শুভাৰম্ভণি মুখ্যমন্ত্ৰীৰ

## অমৰপুৰৰ চৰাঞ্চললৈ বিদ্যুৎ পৰিবাহী তাঁৰ নিয়া আৰু বিদ্যুৎ সংযোগবিহীন পৰিয়াললৈ বিদ্যুৎ যোগান প্ৰকল্পৰো শিলান্যাস মুখ্যমন্ত্ৰীৰ

## ৰাজ্য চৰকাৰে অসমৰ ৭৫০খন নন-কেডেষ্ট্ৰিয়েল গাঁৱৰ জৰীপ সম্পূৰ্ণ কৰিছে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ থলুৱা লোকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শদিয়া ৰাজহ চক্ৰৰ অমৰপুৰৰ অনা-জৰীপ গাঁৱৰ বাসিন্দাসকলক ভূমি পাট্টা প্ৰদানৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। আজিৰ এই অনুষ্ঠানতে তেওঁ অঞ্চলটোৰ চৰাঞ্চললৈ বিদ্যুৎ পৰিবাহী তাঁৰ নিয়া আৰু বিদ্যুৎ সংযোগবিহীন পৰিয়াললৈ বিদ্যুৎ যোগানৰ দুটা প্ৰকল্পও আভাসীয়ভাৱে শিলান্যাস কৰে। উল্লেখ্য যে, মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ 'স্বমীত্ব' আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে জৰীপ নোহোৱা (এন চি) গাঁৱত জৰীপৰ পদক্ষেপ লৈছিল। শদিয়া ৰাজহ চক্ৰৰ অধীনস্থ ৬২, ১৬৯ বিঘা মাটিকালিৰ অমৰপুৰত এই আঁচনিখনৰ অধীনত ১৫খন অনা-জৰীপ গাঁৱত জৰীপ কৰা হৈছিল। ইয়াৰে ৰাজহ গাঁও হিচাপে স্বীকৃতিপ্ৰাপ্ত এতচুম, ডিমৰুগুৰি মাজগাঁও আৰু নেপুন গাঁৱৰ পৰা 'স্বমীত্ব' আঁচনিৰ অধীনত ভূমি পট্টাৰ বাবে ১, ০৫২ গৰাকী লোকে আৱেদন কৰিছিল। আবেদনকাৰীসকলৰ ২০৬গৰাকী এতচুম গাঁৱৰ, ৫৭২ গৰাকী ডিমৰুগুৰি আৰু ২৭৪ গৰাকী নেপুন গাঁৱৰ। মহকুমা পৰ্যায়ৰ ভূমি পৰামৰ্শদাতা সমিতিয়ে বিবেচনা কৰি বৰ্তমানলৈকে ১২৮ গৰাকী আৱেদনকাৰীক যোগ্য বুলি বিবেচনা কৰি ভূমি পট্টাৰ বাবে মঞ্জুৰি প্ৰদান কৰিছে। আনহাতে, অমৰপুৰ চৰ এলেকাৰ বৈদ্যুতিকৰণৰ বাবে মুখ্যমন্ত্ৰীয়ে আজি শিলান্যাস কৰা ১১ কেভি পাৱাৰ লাইনৰ সংস্থাপনৰ বাবদ ১৪.৮৪ কোটি টকা ব্যয় হ'ব। এই পাৱাৰ লাইনৰ লগতে দেওপানী, ডিবাং আৰু দতুং নৈ পাৰ কৰি পাৱাৰ লাইন নিবৰ বাবে ১৪টা ১৩২ কে ভি টাৱাৰো নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি অমৰপুৰৰ বিদ্যুৎ সংযোগবিহীন পৰিয়াললৈ বিদ্যুৎ যোগানৰ বাবে শিলান্যাস কৰা প্ৰকল্পটোৰ বাবে ব্যয় হ'ব ২৭.৪৮ কোটি টকা। এই উপলক্ষে অমৰপুৰৰ তেলিয়াবাৰী প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে স্বাধীনতাৰ পিছৰ পৰা সমগ্ৰ অসমৰ ৯২০খন গাঁৱত চৰকাৰে জৰীপ কৰা নাছিল। ২০২৪ চনত ৰাজ্য চৰকাৰে জৰীপ নোহোৱা গাঁৱৰ জৰীপ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই পদক্ষেপৰ ফলস্বৰূপে বৰ্তমানলৈকে অসমৰ ৭৫০খন গাঁৱৰ জৰীপ সম্পূৰ্ণ হৈছে। তেওঁ কয় যে ধেমাজিত জৰীপ কৰা নন কেডেষ্ট্ৰিয়েল গাঁৱৰ ৪৪ হাজাৰ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হৈছে। এতিয়াৰ পৰা সেই গাঁওকেইখন নন কেডেষ্ট্ৰিয়েলৰ পৰা ৰাজহ গাঁও হিচাপে জনাজাত হ'ল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়া জিলাৰ শদিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ৩৯খন গাঁৱৰ ভিতৰৰ ৩১ খনৰ জৰীপ সম্পূৰ্ণ কৰাৰ পিছত ৰাজহ গাঁৱলৈ পৰিৱৰ্তন কৰা হৈছে আৰু ইয়াৰ ভিতৰত ২০খন গাঁৱৰ ৫, ৪৫০টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰিব পৰা যাব। ইয়াৰ বাবে বৰ্তমানলৈকে ২, ০৪৪ গৰাকীয়ে আবেদন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰৰ ভূমি নীতি অনুসৰি এটা পৰিয়ালৰ দখলত থকা ভূমিৰ ৭ বিঘালৈকে পট্টা প্ৰদান কৰিব পৰা যায়। কিন্তু বংশানুক্ৰমিকভাৱে ভোগ-দখল কৰি থকা জনজাতীয় লোকৰ এটা পৰিয়ালৰ দখলত থকা ভূমিৰ ৫০ বিঘালৈকে পট্টা প্ৰদান কৰিব পৰা ব্যৱস্থা আছে আৰু তেওঁলোকৰ সুকীয়া পৰিয়াল হিচাপে থকা দুগৰাকী ভাতৃৰ মাজত ১০০ বিঘা পৰ্যন্ত এইদৰে ভূমি প্ৰদান কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে সমগ্ৰ অমৰপুৰত ৬২, ১৭০ বিঘা ভূমি আছে আৰু এই ভূমিৰ জৰীপ হোৱা নাছিল। ইয়াৰ পৰিণতিত কৃষকৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিত অমৰপুৰৰ কৃষকসকলক অন্তৰ্ভুক্ত কৰিব পৰা হোৱা নাছিল। তদুপৰি বেংকৰ পৰা ঋণ ল'ব বিচাৰিলেও অঞ্চলবাসীয়ে মাটিৰ কাগজ-পত্ৰ নথকা বাবে বন্ধকী দিব পৰা নাছিল। তেওঁ কয় যে ৰাজ্য চৰকাৰে জৰীপ আৰম্ভ কৰা অমৰপুৰৰ ১৫খন গাঁৱৰ প্ৰায়বোৰতে জৰীপ কাৰ্যই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে আজি ইয়াৰে তিনিখন গাঁৱক ৰাজহ গাঁও হিচাপে স্বীকৃতি প্ৰদান কৰিছে আৰু বাকী গাঁওকেইখনো ৰাজহ গাঁও হিচাপে স্বীকৃতি লাভৰ পথত আগবাঢ়ি গৈছে। ভাষণত মুখ্যমন্ত্ৰীয়ে আজি শিলান্যাস কৰা প্ৰকল্প দুটাৰ সন্দৰ্ভত কয় যে দেওপানী, ডিবাং আৰু দতুং নৈ পাৰ কৰি ১১ কে ভি পাৱাৰ লাইনেৰে অমৰপুৰ অঞ্চলত বৈদ্যুতিক সংযোগ স্থাপন কৰা হ'ব। ইয়াৰ বাবে ১৪টা ডাঙৰ ডাঙৰ টাৱাৰ স্থাপন কৰাৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ভৱিষ্যতে উদ্যোগ আদি স্থাপনৰ সুবিধাৰ্থে ৩৩ কে ভি পাৱাৰ লাইনেৰে অঞ্চলটো সামৰি লোৱাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হ'ব। অমৰপুৰৰ যিসমূহ পৰিয়ালত বৈদ্যুতিক সংযোগ নাছিল তেওঁলোকৰ গৃহলৈও বিদ্যুৎ সংযোগ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰায় ২৭ কোটি টকা ধাৰ্য কৰিছে। অঞ্চলটোৰ দতুং আৰু ডিবাং নৈৰ ওপৰত ভাৰত মালা আঁচনিৰ অধীনত পকী দলং নিৰ্মাণৰ বাবে ৰাইজে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই তেওঁ কয় যে প্ৰথমে ডিবাং নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। পৰৱৰ্তী সময়ত দতুং নৈৰ ওপৰতো আনখন দলং নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলি তেওঁ সদৰী কৰে। ঘৃণাসুঁতি দলংখনো প্ৰতিশ্ৰুতি অনুসৰি নিৰ্মাণ কৰা ৰাইজে প্ৰত্যক্ষ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে যি প্ৰতিশ্ৰুতি প্ৰদান কৰে, সেই প্ৰতিশ্ৰুতিসমূহ আখৰে আখৰে পালন কৰে। আজিৰ এই অনুষ্ঠানত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়া, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগ, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য মূলচান্দ পেগুৰ উপৰি তিনিচুকীয়া জিলা আযুক্ত সুমিত ছট্টাৱন, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সচিব ধৰ্মকান্ত মিলি প্ৰমুখ্যে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি আৰু উচ্চপদস্থ বিষয়াবৰ্গ উপস্থিত থাকে।

# মঙলদৈত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত টাউন ক্লাব চেম্পিয়ন



**অসম বাৰ্তা, মঙলদৈ, ২৭ ফেব্ৰুৱাৰী ঃ** মঙলদৈ টাউন ক্লাবে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু মঙলদৈ ক্ৰীড়া সন্থাৰ সহযোগত মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত অষ্টম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা পৰ্যায়ৰ খেলত চেম্পিয়ন হৈছে। মঙলবাৰৰ পৰা টাউন ক্লাব আৰু ব্লু বাৰ্ডৰ মাজত দুদিনীয়াকৈ হোৱা ফাইনেল খেলখনত টাউন ক্লাবে প্ৰথম ইনিংছত লাভ কৰা অগ্ৰগতিৰে খিতাপ দখল কৰে। চূড়ান্ত বিজয়ী দল টাউন ক্লাবে প্ৰথম ইনিংছত ২৯৩ ৰান কৰাৰ বিপৰীতে ব্লু বাৰ্ডে ২১৮ ৰানত ইনিংছ সামৰাত ৭৫ ৰানৰ অগ্ৰগতি লাভ কৰে টাউন ক্লাবে। ব্লু বাৰ্ডে কালি ৩০ ৰানত আধৰুৱা কৰি ৰখা নিজৰ প্ৰথম ইনিংছটোত আজি ১৮৮ ৰান যোগ দিয়ে। দলটোৰ ডামিয়েন আনন্দ চেৰেঙে ৪১, মোহিত শ্বাহে ৩৯, বিকাশ কুমাৰ দাসে ৩৮, অতুল কুমাৰ সিঙে ৩০ ৰানৰ বৰঙনি আগবঢ়ায়। টাউন ক্লাবৰ দেবাংশু ঘোষে ৪৩ ৰানত চাৰিটা, জিয়াবুৰ ৰহমানে ২৬ ৰানত তিনিটা উইকেট পায়। টাউন ক্লাবে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তলৈ ১০.৪ অভাৰ খেলি ৮৩ ৰানত তিনিটা উইকেট হেৰুৱায়। দলৰ আৰবাজ চুহাইল জামানে ৪০ আৰু আৰমান আলিয়ে ৩৭ ৰান কৰাৰ বিপৰীতে ব্লু বাৰ্ডৰ অম্বৰ প্ৰিতম বৰাই আঠ ৰানত দুটা উইকেট পায়। খেলৰ শেষত হোৱা বঁটা বিতৰণী অনুষ্ঠানত মঙলদৈ ক্ৰীড়া সন্থাৰ উপ-সভাপতি প্ৰকাশ ডেকা, সহকাৰী সম্পাদক হিমাঞ্জন শৰ্মা, কোষাধ্যক্ষ শম্ভু নাথ দেৱ, ক্ৰিকেট সম্পাদক নৱজিৎ ডেকা, বিষয়ববীয়া ৰূপমজিৎ চহৰীয়া, হিৰেন কুমাৰ ডেকাৰ উপস্থিতিত দুয়োটা দলক ট্ৰফী প্ৰদান কৰা হয়। প্ৰতিযোগিতাত টাউন ক্লাবৰ আৰবাজ চুহাইল জামানে মেন অৱ দ্য ছিৰিজ আৰু দেবাংশু ঘোষে ফাইনেল খেলৰ মেন অৱ দ্য মেছ লাভ কৰে। টাউন ক্লাবে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত চেম্পিয়ন হোৱা সূত্ৰে অসম ক্ৰিকেট সন্থাৰ তৰফৰ পৰা ডেৰ লাখ টকাৰ পুৰস্কাৰ লাভ কৰিব। উল্লেখযোগ্য যে মঙলদৈ টাউন ক্লাবে ২০১৮-২০১৯, ২০২০-২০২১ বৰ্ষত এই প্ৰতিযোগিতাত চেম্পিয়ন আৰু ২০২৪-২৫ বৰ্ষত ৰানাৰ্চ হৈছিল।

# হাউলীৰ খন্দকাৰ পাৰাত ট্ৰেক্টৰৰ খুন্দাত থিতাতে নাবালকৰ মৃত্যু

**অসম বাৰ্তা, কুমুল্লীপৰা, ২৭ ফেব্ৰুৱাৰী ঃ** শনিবাৰ ২৬ ফেব্ৰুৱাৰী ৰাতিপুৱা বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত খন্দকাৰ পাৰাত PWD ৰাস্তাত পূব দেউলী পাৰা প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ নাবালক ছাত্ৰ আব্দুল খান (১১) AS15 AC5030 নম্বৰৰ বালি ভৰ্তি ট্ৰেক্টৰৰ খুন্দাত থিতাতে নিহত হয়। জানিব পৰা মতে দুৰ্ঘটনাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। টেক্টৰখনৰ চালক হাজী পাৰাৰ শ্বৰবেশ আলীয়ে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে আৰু তেওঁ বৰ্তমানেও পলাতক অৱস্থাত আছে। মৃত আব্দুল খানৰ ঘৰ হাজিপাৰা আৰু তেওঁৰ পিতৃৰ নাম পিয়াৰ খান। উক্ত নাবালকৰ মৃত্যুত পৰিয়ালবৰ্গ, আত্মীয় স্বজনৰ লগতে অঞ্চল জুৰি শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

# পুৰণিগুদামৰ শ্ৰী শিৰডী সাই বাবা মন্দিৰত সজাগতা আৰু মূল্যায়ন শিবিৰ সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ ফেব্ৰুৱাৰী ঃ** সমাজৰ এক অবিচ্ছেদ্য অংগ হৈছে বিশেষভাৱে সক্ষম ব্যক্তিসকল। প্ৰায়েই সঠিক পৰামৰ্শ, চৰকাৰী আঁচনি আৰু আধুনিক সঁজুলীৰ অভাৱত তেওঁলোকৰ প্ৰতিভা বিকশিত হ'বলৈ সুযোগ নাপায়। এই সমস্যা দূৰ কৰাৰ লক্ষ্যৰে নগাঁও জিলাৰ পুৰণিগুদামস্থিত শ্ৰী শিৰডী সাই বাবা মন্দিৰ প্ৰাংগণত আজি এক "সজাগতা তথা মূল্যায়ন শিবিৰ" সফলতাৰে অনুষ্ঠিত হৈ যায়। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু অধিকাৰিতা মন্ত্ৰালয়ৰ অধীনস্থ বিশেষভাৱে সক্ষম ব্যক্তি (দিব্যাংজন) সবলীকৰণ বিভাগৰ অন্তৰ্গত গুৱাহাটীৰ সমন্বিত আঞ্চলিক দক্ষতা উন্নয়ন, পুনৰ্বাসন আৰু সবলীকৰণ কেন্দ্ৰ (CRCSRE)-ৰ উদ্যোগত আৰু শ্ৰী শিৰডী সাই বাবা সেৱা ট্ৰাষ্ট, নগাঁৱৰ সক্ৰিয় সহযোগত বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বাবে এই সজাগতা আৰু মূল্যায়ন শিবিৰটো আয়োজন কৰা হৈছিল। নগাঁও জিলাৰ সামগ্ৰিক শিক্ষা (Samagra Shiksha), জিলা সমাজ কল্যাণ বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM)-এ সম্পূৰ্ণ সমৰ্থন আগবঢ়োৱা এই শিবিৰে অঞ্চলটোৰ বহু পৰিয়ালৰ বাবে আশাৰ এক নতুন পোহৰ কঢ়িয়াই আনিছে। আজিৰ এই শিবিৰত মুঠ ২৩৬ গৰাকী হিতাধিকাৰীয়ে নিজৰ নাম পঞ্জীয়ন কৰে যদিও আজিৰ কাৰ্যসূচীত কেৱল সজাগতা সৃষ্টি আৰু প্ৰাথমিক মূল্যায়নহে কৰা হৈছে, তথাপিও এই প্ৰক্ৰিয়াটোৱেই আগন্তুক দিনত তেওঁলোকৰ প্ৰয়োজনীয় সহায়ক সঁজুলি লাভ কৰাৰ মূল পথ প্ৰশস্ত কৰিব। শিবিৰত উপস্থিত থকা বিশেষজ্ঞ চিকিৎসক আৰু প্ৰযুক্তিবিদসকলে প্ৰতিগৰাকী অংশগ্ৰহণকাৰীৰ শাৰীৰিক অৱস্থা নিৰীক্ষণ কৰি তেওঁলোকৰ প্ৰয়োজন অনুসৰি সঠিক মূল্যায়ন সম্পন্ন কৰে। হিতাধিকাৰীসকলৰ সঠিক মূল্যায়নৰ বাবে অহা বিশেষজ্ঞৰ দলটোত আছিল শিবিৰ সমন্বয়ক আৰু অকুপেচনেল থেৰাপীৰ অধ্যাপক ড° সুনীল কুমাৰ ৰাম, বাক আৰু শ্ৰৱণ শক্তি বিশেষজ্ঞ তথা সহকাৰী অধ্যাপক ৰবি কুমাৰ, পুনৰ্বাসন বিষয়া ৰাজ কমল পাণ্ডে, বৃত্তিমূলক প্ৰশিক্ষক সুবেন্দু কোলে, কৃত্ৰিম অংগ আৰু সহায়ক সঁজুলি অভিযন্তা মৃত্যুঞ্জয়, বিশেষ প্ৰৱক্তা দুপ্লয় কুমাৰ দাস। শিবিৰৰ মুখ্য সমন্বয়ক ড° সুনীল কুমাৰ ৰামে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি কয়, বিশেষভাৱে সক্ষম হোৱা মানেই এজন ব্যক্তি অসহায় নহয় যদি তেওঁলোকক সঠিক সঁজুলি আৰু প্ৰয়োজনীয় সহায় আগবঢ়োৱা হয় তেন্তে তেওঁলোকেও সমাজত নিজৰ এক স্বকীয় পৰিচয় গঢ়ি তুলিব পাৰিব। আজি কৰা এই মূল্যায়নৰ ওপৰত ভিত্তি কৰি আমি অতি সোনকালে পঞ্জীয়নভুক্ত প্ৰতিগৰাকী হিতাধিকাৰীক তেওঁলোকৰ প্ৰয়োজন অনুসৰি সহায়ক সামগ্ৰীসমূহ প্ৰদান কৰিম। তেওঁ লগতে চৰকাৰী আঁচনিসমূহৰ বিষয়ে সজাগতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি কয় যে, বহু অভিভাৱকে আজিও নাজানে যে তেওঁলোকৰ সন্তানৰ বাবে চৰকাৰে কি কি সুবিধা আগবঢ়ায়। এনে ধৰণৰ শিবিৰৰ জৰিয়তেহে হিতাধিকাৰী আৰু চৰকাৰী আঁচনিৰ মাজত এক পোনপটীয়া সংযোগ স্থাপন কৰাটো সম্ভৱ হয়। শিৰডী সাই বাবা সেৱা ট্ৰাষ্টৰ ট্ৰাষ্টী দুৰ্লভ পৱন বৰুৱা, নগাঁও পেৰা ক্ৰীড়া সন্থাৰ কোষাধ্যক্ষ জোন ৰাজখোৱা, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকা, কলং কলা কেন্দ্ৰৰ সম্পাদক চিত্তৰঞ্জন বৰা, সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মা, প্ৰাক্তন অধ্যক্ষ ৰবীন কলিতা, সমাজসেৱক প্ৰতাপ দাস, দ্বীপেন দাসকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকে।

৫৫১ টকা দৈনিক মজুৰি নোহোৱালৈ বিজেপিক বৰ্জনৰ কঠোৰ হুংকাৰ

# চৰকাৰৰ প্ৰতিশ্ৰুতি ভংগৰ বিৰুদ্ধে জ্বলি উঠিল আছা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ প্ৰতিশ্ৰুতি ভংগ আৰু চাহ শ্ৰমিকৰ প্ৰতি অবহেলাৰ বিৰুদ্ধে আজি সৰৱ হৈ উঠিল সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)। কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে ওদালগুৰি জিলা সমিতিৰ উদ্যোগত ভেৰগাঁও মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি সংগঠনটোৱে চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। অৱস্থান ধৰ্মঘটৰ জৰিয়তে আছাই স্পষ্ট ভাষাৰে কয় যে, আদিবাসী চাহ শ্ৰমিকসকলৰ সৈতে দীৰ্ঘদিন ধৰি চলি অহা অন্যায় আৰু প্ৰতাৰণা আৰু সহ্য কৰা নহ'ব। ২০২১ চনত চৰকাৰৰ নিজৰ নিৰ্দেশনা অনুসৰি চাহ শ্ৰমিকৰ দৈনিক ন্যূনতম মজুৰি ৩২১ টকালৈ বৃদ্ধি কৰাৰ কথা আছিল যদিও ২০২৬ চনত মাত্ৰ ২৫০ টকাৰ পৰা ৩০ টকা বৃদ্ধি কৰি ২৮০ টকালৈ সীমিত ৰখাটো চৰকাৰৰ দুমুখীয়া নীতিৰ স্পষ্ট প্ৰমাণ বুলি অভিযোগ তোলে সংগঠনটোৱে। আছাই মূলত অসমৰ আদিবাসী চাহ শ্ৰমিকৰ দৈনিক ন্যূনতম মজুৰি অতিসিঘ্ৰে ৫৫১ টকালৈ বৃদ্ধি, অসম চৰকাৰে চাহ বাগিচাৰ ভূমি আদিবাসী পৰিয়ালক প্ৰদান কৰাৰ দৰে বিটিচিতো আদিবাসী চাহ শ্ৰমিকসকলক তেওঁলোকৰ ভোগদখলত থকা ভূমিৰ অধিকাৰ নিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনায়। সংগঠনটোৱে সকীয়াই দিয়ে যে, আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে যদি এই দাবীসমূহ পূৰণ নকৰে, তেন্তে বিজেপি দলক সম্পূৰ্ণৰূপে বৰ্জন কৰাৰ বাবে গণআন্দোলন গঢ়ি তোলা হ'ব বুলি কয়। চৰকাৰৰ প্ৰতিশ্ৰুতি ভংগ আৰু চাহ শ্ৰমিকক কৰা "প্ৰতাৰণা"ৰ বিৰুদ্ধে এই আন্দোলন অধিক তীব্ৰ ৰূপ ল'ব বুলিও সতৰ্কবাণী জাৰি কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে আছাৰ কেন্দ্ৰীয় সভাপতি গডউইন হেমৰম, সাধাৰণ সম্পাদক অমৰজ্যোতি চুৰিন, উপ-সভাপতি প্ৰকাশ বাড়া, সাংগঠনিক সম্পাদক ষ্টানিশ কেৰ্কেটা, ওদালগুৰি জিলা সমিতিৰ সভাপতি শিবদত তাঁতী, সাধাৰণ সম্পাদক আলবিছ কেৰ্কেটা, লগতে অসম চাহ মজদুৰ সংঘ আৰু অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ বিষয়ববিয়া আৰু সদৌ অসম মহিলা সমিতিৰ প্ৰতিনিধিসকল। অৱস্থান ধৰ্মঘটত বক্তাসকলে এক সুৰে কয় যে, "চাহ শ্ৰমিকসকলৰ ঘাম আৰু তেজৰ ওপৰত নিৰ্ভৰ কৰা চৰকাৰে এতিয়া তেওঁলোককেই অৱহেলা কৰিছে। এই অবিচাৰ আৰু সহ্য কৰা নহ'ব।" আছাই স্পষ্ট কৰি দিয়ে যে, এই আন্দোলন কেৱল মজুৰি বৃদ্ধি বা ভূমি অধিকাৰৰ বাবে নহয় — ই হৈছে আদিবাসী সমাজৰ মৰ্যাদা আৰু অধিকাৰৰ সন্মান ৰক্ষাৰ সংগ্ৰাম। দাবীসমূহ শীঘ্ৰে পূৰণ নকৰিলে ৰাজ্যজুৰি বৃহৎ গণআন্দোলন গঢ়ি তোলা হ'ব বুলি সংগঠনটোৱে চৰকাৰক কঠোৰ ভাষাৰে সতৰ্ক কৰি দিয়ে।

# বিটিচি চৰকাৰৰ পাঁচ গেৰাণ্টি আঁচনিৰ ৰূপায়ণৰ উদ্দেশ্যে বিজনীত চেক বিতৰণ

**অসম বাৰ্তা, বিজনী, ২৭ ফেব্ৰুৱাৰী ঃ** বিটিচি প্ৰশাসনে ৰূপায়ণ কৰি থকা পাঁচ গেৰাণ্টি আঁচনিৰ ৰূপায়ণৰ উদ্দেশ্যে শুকুৰবাৰে চিৰাং জিলাৰ বিজনীৰ ভেটাগাঁওস্থিত বড়োলেণ্ড শ্বহীদ সোঁৱৰণী উদ্যানত চেক বিতৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিটিচিৰ ১৭ নং সুবাইঝাৰ (জনজাতি) পৰিষদীয় সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীৰ মাজত বিতৰণ কৰিববলগীয়া উক্ত আঁচনিৰ শুভাৰম্ভ অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্যদ্বয় দেৰহাছাং বসুমতাৰী, ধীৰাজ বৰগয়াৰী, বিটিচিৰ যুটীয়া সচিব ৰক্তিম বুঢ়াগোহাঁইসহ অতিথি বৃন্দ উপস্থিত থাকে। উল্লেখ্য ১৭ নং সুবাইঝাৰ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ১০০ গৰাকী ভূমিহীন হিতাধিকাৰীলৈ ভূমি পট্টা, ৮২০টা আত্ম সহায়ক গোটলৈ পোন্ধৰ হেজাৰ টকাকৈ চেক, ১০০ গৰাকী জ্যেষ্ঠ নাগৰিক তথা শাৰীৰিকভাৱে বিশেষ সক্ষম হিতাধিকাৰীলৈ দহ হেজাৰ টকাকৈ চেক, ৪০০ গৰাকী যুৱক- যুৱতী হিতাধিকাৰীলৈ দুই লাখ টকাকৈ চেক আৰু ১২৫০গৰাকী হিতাধিকাৰীলৈ IBS আঁচনিৰ ১০ হেজাৰ টকাকৈ অনুদানৰ চেক বিতৰণ কৰিববলগীয়া কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়।

# জুৰীয়াত যোৰহাট আৰক্ষীৰ অভিযান; আটক দুই

**অসম বাৰ্তা, জুৰীয়া, ২৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত দগাঁৱত যোৱা নিশা যোৰহাট আৰক্ষীয়ে অভিযান চলাই দুগৰাকী ব্যক্তিক আটক কৰা ঘটনাই সমগ্ৰ জুৰীয়া অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, দগাঁৱৰ এখন জুৱেলাৰী দোকানত চুৰি গা-গহণা মজুত কৰি ৰখাৰ অভিযোগত যোৰহাট আৰক্ষীয়ে অভিযান চলাই। আৰক্ষীৰ তদন্তত ইক্ৰামুল হুছেইন নামৰ জুৱেলাৰী দোকানখনৰ স্বত্বাধিকাৰীক আটক কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে যোৰহাটৰ এঘৰত সংঘটিত হৈছিল চুৰি কাৰ্য। এটা চোৰৰ দলে সংঘটিত কৰিছিল চুৰিকাণ্ডৰ ঘটনাটো তাৰেই পম খেদি যোৰহাট আৰক্ষীয়ে চলাই অভিযান। চুৰিকাণ্ডৰ মূল মাষ্টাৰ মাইণ্ড ধিঙৰ আমিৰ হামজা বুলি এক সূত্ৰত জানিব পৰা গৈছে যদিও বৰ্তমান আমিৰ হামজা পলাতক অৱস্থাত আছে। ইতিমধ্যে আমিৰ হামজাক বিচাৰি যোৰহাট আৰক্ষীয়ে স্থানীয় আৰক্ষীৰ সহযোগত চলাইছে অভিযান। চুৰিকাণ্ডৰ ঘটনাত এগৰাকী মহিলাৰো নাম সাঙোৰ খাইছে। সম্প্ৰতি মহিলা গৰাকীকো আটক কৰিছে যোৰহাট আৰক্ষীয়ে।

গুণগত মানৰ শিক্ষা প্ৰদান আৰু স্বচ্ছতাৰ বাবে এই বঁটা প্ৰদান

# গোলাঘাটত ১৪৭খন বিদ্যালয়ৰ পৰিচালনা সমিতি আৰু মাতৃ গোটক বঁটা প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ ফেব্ৰুৱাৰী ঃ** গুণগত মানৰ শিক্ষা প্ৰদান কৰি আৰু স্বচ্ছতাৰ বাবে গোলাঘাট জিলাখনৰ মুঠ ১৪৭খন বিদ্যালয়ে শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। আজি গোলাঘাট জিলা মাধ্যমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয় শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি আৰু শ্ৰেষ্ঠ মাতৃ গোটৰ বঁটা প্ৰদান অনুষ্ঠান। জিলাখনৰ সমগ্ৰ শিক্ষাৰ অধীনত ১৪৭টা মণ্ডল সমল কেন্দ্ৰৰ ২৬টা মাতৃ গোট আৰু ১২১খন পৰিচালনা সমিতিক বঁটা প্ৰদান আৰু সম্বৰ্ধনা জনোৱা হয়। জিলাখনৰ অগ্ৰণী শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সমিতি আৰু মাতৃ গোটৰ কষ্টৰ ফলস্বৰূপে সমগ্ৰ শিক্ষাৰ সমাজ জড়িত কৰণ বিভাগৰ জৰিয়তে শ্ৰেষ্ঠ বিদ্যালয়ৰ পৰিচালনা সমিতি আৰু মাতৃ গোটক এই বিশেষ বঁটা আৰু সম্বৰ্ধনা জনোৱা হয়। সমগ্ৰ শিক্ষাৰ মণ্ডল সমল কেন্দ্ৰক ৰাইজৰ সহযোগিতা অনুসৰি এই বিদ্যালয় সমূহলৈ বিভাগীয় কৰ্তৃপক্ষৰ এই পদক্ষেপ। আজি অনুষ্ঠিত হোৱা বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানত ফৰকাটিং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° তৰালী গগৈ আৰু গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত অতিৰিক্ত জিলা আয়ুক্ত শিক্ষা আৰু মিছন সমন্বয়ক ড° মণিকা বৰা, কেন্দ্ৰীয় শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নীলাক্ষী ৰাজকুমাৰী, পূব শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৰুনী গগৈ, সমাজকৰ্মী নিভা বৰা আৰু ৰেখাশ্ৰী সন্দিকৈয়ে অংশগ্ৰহণ কৰে। সমাজ জড়িতকৰণ জিলা আঁচনি বিষয়া মেঘনা বুঢ়াগোহাঁই, সাংবাদিক পৰাণ ডেকা উপস্থিত থকা অনুষ্ঠানটোৰ আঁত ধৰে পাৰ্শ্বজ্যোতি শৰ্মাই।

# বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত ডাইয়েলাইছিছ ইউনিটৰ শুভ উদ্বোধন

**অসম বাৰ্তা, বিজনী, ২৭ ফেব্ৰুৱাৰী ঃ** বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত ডাইয়েলাইছিছ ইউনিটৰ শুভ উদ্বোধন বিটিচিৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীৰ। চিৰাঙৰ জিলা স্বাস্থ্য সমাজৰ উদ্যোগত আৰু এপ'ল ডাইয়েলাইছিছ প্ৰাইভেট লিমিটেডৰ সহযোগত আয়োজন উদ্বোধনী অনুষ্ঠানৰ। অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰী, থুৰিবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমান, নিছিমা পৰিষদীয় সমষ্টিৰ পাৰিষদ জেমছ বসুমতাৰী, মানস-চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ ধনঞ্জয় বসুমতাৰী, বিটিচিৰ যুটীয়া সচিব ৰক্তিম বুঢ়াগোহাঁই, বিজনীৰ মহকুমাধিপতি অৰজিৎ মাহাজন, এপল' ডাইয়েলাইছিছ চাৰ্ভিচৰ অসমৰ মাণ্ডলিক প্ৰবন্ধক গৌৰৱ তালুকদাৰ, বিজনীৰ বিশিষ্ট সমাজকৰ্মী ড° সুবীৰ কুমাৰ দাসসহ অতিথি বৃন্দৰ অংশগ্ৰহণ। আনহাতে আবেলিৰ ভাগত চিৰাং জিলা সদৰ কাজলগাঁওস্থিত জেএচবি অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আভিম আঁচনিৰ আধিনত প্ৰায় ১.২২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি তোলা স্বাস্থ্য পৰীক্ষা কেন্দ্ৰ তথা লেবৰেটৰীৰ শুভ উদ্বোধন কৰে বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীয়ে আৰু বন বিভাগৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই।